www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হ'ল আপুনি জন্ম লোৱা দিনটো আৰু কিয় সেইটো গম পোৱা দিনটো। — মাৰ্ক টুৱেইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২০২ | শনিবাৰ | ২৭ ছেপ্তেম্বৰ, ২০২৫ চন | ১১ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 202 | Saturday | 27th September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## দিল্লীৰ অধিবক্তাৰ জৰিয়তে জামিনৰ কুছকাৰাজ শ্যামকানুৰ

### অগ্ৰিম জামিনৰ বাবে তৎপৰতা শ্যামকানুৰ

অধিবক্তা অনিতা ছাৰনে সংগ্ৰহ কৰিছে এজাহাৰৰ প্ৰতিলিপি, এছ আই টিৰ দ্বাৰা জব্দকৃত সামগ্ৰীৰ তালিকা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত জড়িত থকাৰ অভিযোগত চি আই ডিৰ জাননী প্ৰাপ্ত শ্যামকানু মহন্তই এতিয়া ন্যায়িক প্ৰক্ৰিয়াৰ পথত আগবাঢ়িছে। অসমৰ অধিবক্তাসকলৰ পৰা সমৰ্থন নোপোৱাৰ পিছত শ্যামকানুৱে দিল্লীৰ এক বিশিষ্ট অধিবক্তাৰ সহায় লৈছে। তেওঁৰ নিযুক্ত অধিবক্তা অণিতা চাৰণে ইতিমধ্যে এই ঘটনাৰ এজাহাৰৰ প্ৰতিলিপিৰ লগতে বিশেষ » ৬ পৃষ্ঠাত

## অভিযুক্তৰ হৈ গোচৰ নোলোৱাৰ সিদ্ধান্ত সদৌ অসম উকীল সন্থাৰ

### অসম আৰক্ষীৰ ইণ্টাৰনেট কৰ্তনৰ খবৰ অস্বীকাৰ

### প্ৰতিবাদত উত্তপ্ত ৰাজ্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ঘটনাই ৰাজ্যত ব্যাপক প্ৰতিবাদৰ সৃষ্টি কৰিছে। বৃহস্পতিবাৰে জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহৰ সন্মুখত সংঘটিত প্ৰতিবাদে উত্তপ্ত ৰূপ লাভ » ৬ পৃষ্ঠাত

### জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সদৌ অসম উকীল সন্থাৰ সিদ্ধান্ত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই সমগ্ৰ ৰাজ্যক স্তব্ধ কৰি তুলিছে। এই ঘটনাৰ পিছত অভিযুক্তসকলৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন প্ৰান্তত একাধিক এজাহাৰ দাখিল হৈছে। অসম চৰকাৰে » ৬ পৃষ্ঠাত

## নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে পুনৰ বিটিচিৰ গাদীত হাগ্ৰামা

# হাগ্ৰামাৰ যাদুত ধূলিস্যাৎ বিৰোধী



### ▪ প্ৰথম পৰীক্ষাতে ফেইল গৌৰৱ ▪ কিং বাদেই কিং মেকাৰো হ'ব নোৱাৰিলে বিজেপি

**অসম বাৰ্তা, গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** পুনৰ বিটিচি চীফ হোৱাৰ দিশে অগ্ৰসৰ হৈছে বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰী। বি টি আৰত বিজেপিৰ কিং মেকাৰ হোৱাৰ সপোন ধূলিসাৎ হোৱাৰ দিশে। বাতৰি লিখাৰ সময়লৈকে ভোটগণনাৰ ফলাফল অনুসৰি নিৰংকুশ জয়ৰ দিশে অগ্ৰসৰ হৈছে হাগ্ৰামা মহিলাৰীৰ বি পি এফ দল। বি টি আৰৰ ৪০খন পৰিষদীয় আসনৰ ২৬খন আসনতে জয় লাভ বি পি এফৰ। ইতিমধ্যে প্ৰয়োজনীয় ২১ ৰ মেজিক নম্বৰ অতিক্ৰম কৰিছে বি পি এফ দলে। আনহাতে, ইউ পি পি এল দলে ৭খন আৰু বিজেপিয়ে ৪খন আসনত জয় লাভ কৰিছে। এতিয়াও ঘোষণা হোৱা নাই ৩খন আসনৰ আনুষ্ঠানিক ফলাফল। বি টি চিত কিং » ৬ পৃষ্ঠাত

১০ দিনৰ ভিতৰ হাজিৰ হ'ব লাগিব CIDত

## শ্যামকানু-সিদ্ধাৰ্থসহ ছিংগাপুৰৰ ১১ প্ৰৱাসী অসমীয়ালৈ চমন জাৰী



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ ঘটনাত তদন্তৰ জন্য গঠিত চি আই ডিৰ তৰফৰ পৰা জাননী জাৰি কৰা হৈছে। এই জাননীত শিল্পী সমাজৰ সৈতে জড়িত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে ছিংগাপুৰত » ৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ এসপ্তাহৰ পাছত স্পষ্টীকৰণ

## 'মোৰ সুৰক্ষাৰ আশ্বাস পালে মই গুৱাহাটীলৈ যাম'

### ফেচবুকযোগে মুকলি চিঠি প্ৰকাশ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ



**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মনেজাৰ সিদ্ধাৰ্থ শৰ্মাই অৱশেষত মুখ খুলিছে। কোনো গোপন স্থানৰ পৰা এটা ফেচবুক পোষ্টৰ জৰিয়তে তেওঁ লিখিছে এখন মুকলি চিঠি। এই মুকলি চিঠিত তেওঁ উল্লেখ কৰিছে "অসম সদায় মোৰ » ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি চি. আই.ডি. কাৰ্যালয়ত শিল্পী সমাজৰ এজাহাৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি ন্যায়ৰ দাবীত অসমৰ শিল্পী সমাজে চি আই ডি কাৰ্যালয়ত এজাহাৰ দাখিল কৰিছে। ফিল্ম » ৬ পৃষ্ঠাত

চিকিৎসকৰ পৰামৰ্শ অমান্যৰ অভিযোগ

বিটিচি নিৰ্বাচন

### হাগ্ৰামা আৰু খাম্পাৰ মাজত ড্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) নিৰ্বাচনৰ বিভিন্ন সমষ্টিত বড়ো » ৬ পৃষ্ঠাত

### জুবিন গাৰ্গৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ

## যোৰহাটত তিনিদিন ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হ'ব চিতাভস্ম



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰাণপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ স্মৃতিত ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠানৰ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে » ৬ পৃষ্ঠাত

শ্ৰমিকৰ পৰা চৰ্দাৰ পৰ্যায়ৰ বিভিন্ন পদৰ নামত নিবনুৱা যুৱক-যুৱতীৰ পৰা লাখ লাখ টকা সংগ্ৰহ

## নগাঁৱত ৰে'ল বিভাগত চাকৰিৰ প্ৰলোভন দেখুৱাই কোটি টকাৰ প্ৰৱঞ্চনা

**ষ্টাফ ৰিপ'টাৰ, নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ৰে'ল বিভাগত চাকৰিৰ প্ৰলোভন দেখুৱাই কোটি কোটি টকাৰ প্ৰৱঞ্চনাৰ অভিযোগত নগাঁৱৰ চম্পক বৰাক শুকুৰবাৰে আৰক্ষীয়ে আটক কৰিছে। তেওঁৰ সহযোগী নীলমণি নাথৰ » ৬ পৃষ্ঠাত

## ১ অক্টোবৰৰ পৰা আমদানিকৃত ব্ৰেণ্ডেড আৰু পেটেণ্টেড ঔষধৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপ

ড'নাল্ড ট্ৰাম্পৰ ঘোষণা

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বৃহস্পতিবাৰে এক গুৰুত্বপূৰ্ণ ঘোষণা দি কয় যে, ২০২৫ চনৰ ১ অক্টোবৰৰ পৰা আমদানি কৰা » ৬ পৃষ্ঠাত



মুখ্য নিৰ্বাচনী বিষয়াৰ হাতত স্মাৰকপত্ৰ

## অসমত এনআৰচি সম্পূৰ্ণ নকৰাকৈ এছআইআৰৰ বিৰোধিতা চিপিআই(এম)ৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগে বিহাৰৰ পিছত অসমত ভোটাৰ তালিকাৰ বিশেষ » ৬ পৃষ্ঠাত





## এচিয়া কাপত সূৰ্য্যকুমাৰৰ মন্তব্যৰ বাবে আইচিচিৰ জৰিমনা

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** ভাৰতৰ ক্ৰিকেট অধিনায়ক সূৰ্য্যকুমাৰ যাদৱক এচিয়া কাপৰ ১৪ ছেপ্টেম্বৰৰ ভাৰত-পাকিস্তান মেচৰ সময়ত » ৬ পৃষ্ঠাত



# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰাঘ্য সংৰক্ষিত বনাঞ্চলৰ বাগৰি ৰেঞ্জ (সীমিত এলেকা) অঞ্চলটি কেন্দ্ৰীয়ভাৱে পৰ্যটকৰ বাবে মুকলি

**অসম বাৰ্তা, নগাঁও, ২৬ ছেপ্টেম্বৰ** ঃ অসমৰ লগতে দেশৰ সাংস্কৃতিক জগতৰ মহান শিল্পী প্ৰয়াত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে, শিল্পী গৰাকীৰ প্ৰকৃতিৰ প্ৰতি থকা আত্মিক সম্পৰ্ক আৰু গভীৰ প্ৰেমৰ প্ৰতিদানস্বৰূপে, আজিৰে পৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰাঘ্য সংৰক্ষিত বনাঞ্চল। দুৰ্গা পূজাৰ প্ৰাকক্ষণত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়াত মহান শিল্পী গৰাকীক শ্ৰদ্ধা জনায় এইবাৰ কিছু আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজি কাজিৰঙা লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ কামাখ্যা প্ৰসাদ তাছাই ২০২৫-২৬ বৰ্ষৰ পৰ্যটনৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰাঘ্য সংৰক্ষিত



বনাঞ্চলৰ বাগৰি ৰেঞ্জ (সীমিত এলেকা) অঞ্চলটি কেন্দ্ৰীয়ভাৱে পৰ্যটকৰ বাবে মুকলি কৰে। বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সমগ্ৰ বিশ্বজুৰি পৰিচিত। বিশ্ববিখ্যাত এশিঙীয়া গঁড়ৰ স্বাভাৱিক বাসভূমি হিচাপে খ্যাত এই উদ্যানখন মাত্ৰ গঁড়ৰ জীৱকুলতেই সীমাবদ্ধ নহয়, বাঘ, হাতী, বিবিধ বান্দৰ, বনৰীয়া ম'হ, হৰিণকে আদি কৰি অসংখ্য দুৰ্লভ বনৰীয়া প্ৰাণীৰ স্বৰ্গভূমি। লগতে শতাধিক প্ৰজাতিৰ পক্ষী, জলজ জীৱ-জন্তু, সৰীসৃপ আৰু সজীৱ উদ্ভিদৰ বৈচিত্ৰ্যই পৰিপূৰ্ণ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। প্ৰতি বছৰে দেশ বিদেশৰ লক্ষাধিক পৰ্যটক এই উদ্যানলৈ ভ্ৰমণ কৰিবলৈ আহে। বিগত বৰ্ষত পৰ্যটকৰ আগমনেৰে সৰ্বকালীন অভিলেখ সৃষ্টি কৰিছিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে, যাৰ ফলত অসমৰ পৰ্যটন খণ্ডত এটা বিশেষ গৌৰৱৰ অধ্যায় সূচনা হৈছে। আজিৰ এই অনুষ্ঠানতে সাংসদ গৰাকীৰ উপস্থিতিত ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ অধীনৰ আৰ.ই.চি.চি.ৰ এছ.আৰ.ৰ সমৰ্থিত এ. পি. চিৰ সৌৰ-খোৱাপানী উন্নীতকৰণ ব্যৱস্থাটিও উদ্বোধন কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে দ্বাৰ মুকলি আজিৰ এই অনুষ্ঠানত, খুমতাই বিধানসভা সমষ্টিৰ বিধায়ক মৃনাল শইকীয়া, নগাঁও জিলা আয়ুক্ত, দেৱাশিস শৰ্মা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালিকা ড° সোণালী ঘোষ, বন বিভাগৰ বিষয়াসকল, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগত জড়িত বিভিন্ন সংগঠনৰ নেতৃবৃন্দ, প্ৰতিনিধি, সমাজকৰ্মী প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ড° ময়িদুল ইছলাম বড়া আৰু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি গুণমুগ্ধৰ

# শিৱসাগৰত বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াক ড° ময়িদুল ইছলাম বড়া সাহিত্য বটা-২০২৫ প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৬ ছেপ্টেম্বৰ** ঃ অসমৰ প্ৰথমগৰাকী ডক্টৰেট ডঃ ময়িদুল ইছলাম বড়া অসমীয়া জাতীয়তাবোধৰ বিশ্বাসী আছিল। ভাৰতীয় মহা জাতীয়তাবোধৰো অংশীদাৰ আছিল। বিশ্বৰ জাতীয়তাবোধ আৰু মানৱতাবাদৰো বিশ্বাসী আছিল ড° ময়িদুল ইছলাম বড়া। এই তিনিটা মহান শক্তিৰ অধিকাৰী আছিল ড° বড়া। তেখেতৰ জ্ঞানৰ পৰিধি আছিল সাগৰ সদৃশ। আজি শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত অৰুণোদয় সাহিত্য সভা, ড° ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতিৰ যুগ্ম উদ্যোগত শিৱসাগৰ প্ৰেছ ক্লাব আৰু ৰংপুৰজ্যোতি ক্লাবৰ সহযোগত অনুষ্ঠিত হোৱা লণ্ডনৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী অসমীয়া ডক্টৰেট, ঢাকা বিশ্ববিদ্যালয়ত উপাচাৰ্য হিচাপে কাম কৰা প্ৰথমগৰাকী অসমীয়া উপাচাৰ্য, অসম সাহিত্য সভাৰ ১৯৪০ চনৰ সভাপতি ড° ময়িদুল ইছলাম বড়াৰ স্মৃতিত ডঃ ময়িদুল ইছলাম বড়া সাহিত্য বটা-২৫ প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক ডঃবসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত বিশিষ্ট সাহিত্যিক ড° বসন্ত গোস্বামীয়ে কয় যে–উনৈছ শতিকাৰ মনিষীসকলৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ মনিষী আছিল ড° ময়িদুল ইছলাম বড়া। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত কোৱা কথাবোৰ আজিও প্ৰাসংগিক। তেখেতৰ অভিভাষণৰ প্ৰতিলিপি আমি সোণপানীৰে চপাই থোৱাৰ প্ৰয়োজন। তেখেত কেৱল ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ কাম কৰাই নহয়, তেখেত আছিল সম্প্ৰীতিৰ বাৰ্তাবাহক। যুগৰ পৰিবৰ্তন হলেও ড° ময়িদুল ইছলাম বড়াই ১৯৪০ চনত সাহিত্য সভাৰ সভাপতি হোৱাৰ সময়ত প্ৰদান কৰা সভাপতিৰ অভিভাষণ সদায় অসমীয়াৰ মাজত জিলিকি থাকিব বুলি ড° গোস্বামীয়ে উল্লেখ কৰে। আন এক প্ৰসংগত সাহিত্যিক গৰাকীয়ে উল্লেখ কৰে যে- বুৰঞ্জীবিদ, সু- সাহিত্যিক, উৰ্দু, পাৰ্চী, আৰবী, বাঙালিকে ধৰি কেইবাটাও ভাষাৰ জ্ঞান থকা পণ্ডিতপ্ৰৱৰ ডঃময়িদুল ইছলাম বড়াই একৈয়া বুটলি অনেক সাহিত্যৰ সম্ভাৰ অসমীয়া সাহিত্য ক্ষেত্ৰখনলৈ আগবঢ়াই যোৱা মনিষীগৰাকীক আজিৰ প্ৰজন্মই চিনি নোপোৱাতো দুভাগ্যজনক বুলি ব্যক্ত কৰে। মহিমাময় পুৰুষজনক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ব্যৱস্থা হব লাগে। এইগৰাকী অসমীয়াৰ অৱদানক আমি জীয়াই ৰাখিব লাগিব। জীয়াই ৰখাৰ বাবে সাহিত্য সভাকে ধৰি স্মৃতিৰক্ষা সমিতিয়ে কাম কৰি যাব লাগিব। কাৰণ অতীতহে ভৱিষ্যতৰ ইংগিত দিয়ে বুলি সাহিত্যিক গৰাকীয়ে উল্লেখ কৰে। তেখেতে আৰু কয় যে– অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি যেতিয়ালৈকে জীয়াই থাকিব তেতিয়ালৈকে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ লগত ড° ময়িদুল ইছলাম বড়াৰ নাম সংলগ্ন হৈ থাকিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। ড° ময়িদুল ইছলাম বড়া আৰু হাৰ্ট থ্ৰৱ জুবিন

### ড° ময়িদুল ইছলাম বড়াৰ জ্ঞানৰ পৰিধি আছিল সাগৰ সদৃশ ঃ ড° বসন্ত কুমাৰ গোস্বামী




গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পমাল্যৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দুয়োগৰাকী মহান ব্যক্তিৰ বিদেহ আত্মাৰ সদগতি কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱাৰ পিছতহে আৰম্ভ হোৱা বটা প্ৰদান অনুষ্ঠানটোৰ সঞ্চালনা কৰে ড° ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতিৰ সভাপতি তথা বিশিষ্ট কবি, সাহিত্যিক প্ৰেম গগৈয়ে। তেখেতে ড° ময়িদুল ইছলাম বড়া আৰু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ জীৱন দৰ্শন মানৱতাবাদ একে বুলি ব্যক্ত কৰে। ড° ময়িদুল ইছলাম বড়াৰ জেষ্ঠ নাতি তথা বিশিষ্ট সাংবাদিক মনিৰুল ইছলাম বড়াই আত আৰু উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈয়ে। শিৱসাগৰ জিলা সাহিত্য সভাৰ মহিলাসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেশনৰে শুভাৰম্ভ হোৱা বটা প্ৰদান অনুষ্ঠানত আনুষ্ঠানিকভাৱে ড° ময়িদুল ইছলাম বড়া সাহিত্য বটা-২০২৫ বঁটা প্ৰদান কৰা হয় অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াক। গামোচা, চেলেং, জাপি, স্মাৰক আৰু সম্বৰ্দ্ধনা পত্ৰৰে বটা প্ৰদান কৰা সভাত বটা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াই কয় যে- মহান মনিষীগৰাকীৰ নামত প্ৰদান কৰা বটাটো পোৱাৰ মই যোগ্য নহয়। কিন্তু ড° ময়িদুল ইছলাম বড়া নামৰ এইগৰাকী মহা মনিষীক অশ্ৰদ্ধা কৰিব নোৱাৰো বাবে বটাটো গ্ৰহণ কৰিবলৈ আহিছো। ড° ময়িদুল ইছলাম বড়া নামৰ এইগৰাকী মহা মনিষীৰ সৃষ্টিৰাজীক আমি প্ৰতিগৰাকী অসমীয়াই পুংখানুপুংখ অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। বিদেশত থকাৰ সময়চোৱাত সৃষ্টি কৰা সাহিত্যৰাজী বিচাৰি আনি সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। পণ্ডিতপ্ৰৱৰ সাহিত্যিকগৰাকীৰ সৃষ্টিসমূহ নতুন প্ৰজন্মৰ মাজলৈ নিব লাগিব। তেখেত সাহিত্যিকেই নহয়, তেখেত আছিল সমন্বয়ৰ প্ৰতীক, জাতীয়তাবাদী ব্যক্তি। বৰ্তমান সমাজত চলি সাম্প্ৰদায়িক হিংসা, বিভেদৰ বিৰুদ্ধে ১৯৪০ চনতেই ড° ময়িদুল ইছলাম বড়া গৰজি উঠি জাতি ৰক্ষাৰ সকিয়নি প্ৰদান কৰি গৈছে। অখণ্ড ভাৰতৰ পোষকতা কৰাৰ বাবে সেই সময়ৰ মুছলিম লীগৰ নেতা মহম্মদ আলী জিন্নাৰ সৈতে তীব্ৰ সংঘাত হৈছিল অসম হিতৈষী ড° ময়িদুল ইছলাম বড়াৰ। হিন্দু আৰু মুছলমান ভাৰতৰ সন্তান। আমি একেলগে আছোঁ আৰু সদায় থাকিব লাগিব বুলি কোৱাৰ বাবে তেখেতক সাম্প্ৰদায়িক শক্তিয়ে বিষ খুৱাই হত্যা কৰিছিল বুলি পুণ্য শইকীয়াই মন্তব্য কৰে। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু বটা প্ৰাপক বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াক ৰংপুৰজ্যোতি ক্লাব আৰু উজনি অসম মহিলা মুছলিম কল্যাণ পৰিষদে সম্বৰ্দ্ধনা জনোৱা সভাত বিশিষ্ট সমাজসেৱিকা, শিক্ষাবিদ মনিকা শইকীয়া, অনিমা শইকীয়া, ড° সীমান্ত বৰুৱা, পৱিত্ৰ প্ৰাণ ভট্টাচাৰ্য, মুজাহিদ আলীকে ধৰি জিলাখনৰ ভালেসংখ্যক ব্যক্তি উপস্থিত আছিল।

# বাক্সাৰ বৰবৰীত ৪১ সংখ্যক বাথৌ পূজাৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ২৬ ছেপ্টেম্বৰ** ঃ বাথৌ ধৰ্মীয় লোকসকলে শাৰদীয় দুৰ্গোৎসৱৰ সময়তে উদযাপন কৰি আহিছে পবিত্ৰ বাথৌ। অইনবেলিৰ দৰে এইবেলিও বাক্সা জিলাৰ বৰবৰীত ২৮ ছেপ্টেম্বৰৰ পৰা ৫ অক্টোবৰলৈ আঠদিনীয়াকৈ উদযাপন কৰি ৪১ সংখ্যক বৰবৰী আঞ্চলিক বাথৌ পূজা। ধৰ্মীয় ৰীতি নীতিৰে বাথৌ বেদী স্থাপন, বাথৌ স্তুতি, পুষ্পাঞ্জলি আদি কাৰ্যসূচী হাতত লোৱা হৈছে। বাথৌ পূজা উপলক্ষ্যে বাথৌ স্তুতি আৰু বিয়াগীত প্ৰতিযোগিতা, বড়ো গীতৰ আধাৰত আধুনিক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ৫০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৪০০০ টকা, আৰু তৃতীয় পুৰস্কাৰ ৩০০০ টকা আগবঢ়াইছে। মুকলি মঞ্চত খেৰাই, কেছেট নৃত্য, আৰু বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তদুপৰি চিনেমা, চাৰ্কাছ, ড্ৰিমলেণ্ড নেচনেল ট্ৰেড, মিনাবাজাৰ আদি আকৰ্ষণীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বাথৌ পূজাৰ সকলো কাৰ্যসূচীত অঞ্চলবাসী ৰাইজৰ সহায় - সহযোগিতা তথা উপস্থিতি বাথৌ উদযাপন সমিতিয়ে কামনা কৰিছে।

১০ সহস্ৰাধিকে সমস্বৰে পৰিৱেশন কৰিব 'মায়াবিনী ৰাতিৰ বুকুত'

# গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্যোগত জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৬ ছেপ্টেম্বৰ** ঃ গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্যোগত, গোলাঘাট জিলা প্ৰশাসন, বিভিন্ন দল-সংগঠন, ৰাইজৰ সহযোগত গোলাঘাট নগৰত বিশাল আয়োজনেৰে অনুষ্ঠিত হ'ব অসমৰ সংগীতাকাশৰ তথা জাতীয় জীৱনৰ মহানায়ক জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ। এই উপলক্ষে আজি গোলাঘাট নগৰৰ সমন্বৰ ক্ষেত্ৰত গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অনুষ্ঠিত হয় এখন ৰাজহুৱা সভা। গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সভাপতি পূৰ্ণ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সাধাৰণ সম্পাদক বিশ্বজিৎ গগৈয়ে। মৰ্যাদা সহকাৰে জুবিন গাৰ্গৰ অস্থি গোলাঘাট নগৰলৈ অনাৰ পাছত সমন্বয় ক্ষেত্ৰত সম্পূৰ্ণ মাংগলিক কৰ্মৰে সমাপণ কৰা হ'ব ৰাজহুৱা আদ্যশ্ৰাদ্ধ। ১০ সহস্ৰাধিক শিল্পী, গুণমুগ্ধ, ৰাইজৰ বিপুল সমাৰেশত সামূহীয়াভাৱে সমস্বৰে পৰিৱেশন কৰা হ'ব জুবিন গাৰ্গৰ কালজয়ী গীত 'মায়াবিনী ৰাতিৰ বুকুত'। আজি অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কাৰ্যকৰী সভাপতি অতুল গগৈ, যুটীয়া সম্পাদক জিতুল ৰাজখোৱা, মুখ্য উপদেষ্টা ক্ৰমে অমিয় কুমাৰ বৰা, দ্বীপেন দত্ত, দিগন্ত কুমাৰ ভূঞা, দেৱজিৎ ফুকন, যতীন বৰা, দ্বীজেন বৰা, মুন্না আহমেদ, অপূৰ্ব বল্লভ গোস্বামী, ড° নৃপেন বৰুৱা, পাৰ্থজ্যোতি বৰা আদিয়ে অংশগ্ৰহণ কৰে। সভাত বিশিষ্ট শিক্ষাবিদ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল শইকীয়া, বিশিষ্ট শিক্ষাবিদ ড° বিপুল চন্দ্ৰ ভূঞা, জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জিলা সভাপতি বাবুল দত্ত, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ মাৰোৱাৰী সন্মিলনৰ উপদেষ্টা প্ৰদীপ নাওকা, গোলাঘাট উকীল সন্থাৰ সভাপতি দীপম ৰঞ্জন সন্দিকৈ, কৰ্মচাৰী পৰিষদৰ হৰিহৰ বৰা, চুতীয়া ছাত্ৰ সন্থাৰ জিলা সভাপতি পাপু শইকীয়া, গোলাঘাট মিডিয়া ফ'ৰামৰ পংকজ হাজৰিকা, সত্ৰ মহাসভাৰ প্ৰদীপ গোস্বামী, জিলা সাংবাদিক সন্থাৰ সভাপতি ৰোহিত গগৈ, গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰা আদিয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত জুবিন গাৰ্গৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি বিহা, গোলাঘাট সমন্বয় ক্ষেত্ৰত জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ হিচাপে নামকৰণ কৰা, জুবিন গাৰ্গৰ সু-উচ্চ আৱক্ষ মূৰ্তি প্ৰতিষ্ঠা কৰা আদি দাবী জনাই সৰ্বসন্মনক্ৰমে ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# ডিমৌ ৰাজহ চক্ৰত আফ্ৰিকান ছোৱাইন ফিভাৰ নিয়ন্ত্ৰণৰ বাবে গাহৰি ক্ৰয়-বিক্ৰয়ৰ ওপৰত জিলা দণ্ডাধীশৰ নিষেধাজ্ঞা

**অসম বাৰ্তা, ডিমৌ, ২৬ ছেপ্টেম্বৰ** ঃ শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আয়ুষ গৰ্গে সাম্প্ৰতিক সময়ত শিৱসাগৰ জিলাৰ ডিমৌ ৰাজহ চক্ৰৰ অধীনস্থ চুতীয়া কাটনী গাঁৱত গাহৰিৰ আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি পোৱা সন্দৰ্ভত জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা প্ৰাপ্ত তথ্যৰ আধাৰত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ ৰোধৰ উদ্দেশ্যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩ৰ ১৬৩ নং ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞাৰ অন্তৰ্গতঃডিমৌ ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰিৰ মাংসৰে প্ৰস্তুত খাদ্য সামগ্ৰী আৰু গাহৰিৰ মাংসৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ডিমৌ ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মাংস আৰু গাহৰিৰ মাংসৰে প্ৰস্তুত খাদ্য সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে। ডিমৌ ৰাজহ চক্ৰৰ অধীনত গাহৰি কটাৰ লগতে ক্ৰয়-বিক্ৰয় সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ডিমৌ ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যু সম্পৰ্কীয় যিকোনো বিষয়/ বাতৰি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দ'কৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। সমূহ গাহৰি উৎপাদক তথা গাহৰি পালকে নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ বিস্তাৰ হ'ব নোৱাৰে, সেই ক্ষেত্ৰত কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰিব লাগিব। গাহৰিৰ খাদ্যৰ যিকোনো ধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। উল্লেখ্য যে শেহতীয়াকৈ জাৰি কৰা এই আদেশ তৎকালীনভাৱে বলবৎ হ'ব আৰু পৰৱৰ্তী আদেশ জাৰি নকৰালৈকে বাহাল থাকিব। উক্ত আদেশ উলঙ্ঘা কৰাটো ভাৰতীয় ন্যায় সংহিতাৰ ২২৩নং ধাৰাৰ অধীনত দণ্ডনীয় হ'ব বুলি সদৰী কৰিছে।

# জুবিন গাৰ্গৰ পৰিয়ালক ৰাজ্য চৰকাৰৰ দ্বাৰা শোকবাৰ্তা প্ৰদান

**অসম বাৰ্তা, নগাঁও, ২৬ ছেপ্টেম্বৰ** ঃ অসমৰ হিয়াৰ আমঠু প্ৰাণৰ তথা অতিকৈ মৰমৰ শিল্পী জুবিন গাৰ্গৰ কাহিলিপাৰাস্থিত বাসগৃহত আজি



উপস্থিত হৈ অসম চৰকাৰৰ ফালৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৰমৰ শিল্পী গৰাকীৰ বিয়োগত পৰিয়ালবৰ্গলৈ প্ৰেৰণ কৰা শোকবাৰ্তা আনুষ্ঠানিকভাৱে জুবিন গাৰ্গৰ পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হাতত অৰ্পন কৰে ৰাজ্য চৰকাৰৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্তই।

# ধুবুৰীত স্থাপন হ'ব পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে আৰু হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গৰ প্ৰতিমূৰ্ত্তি

**অসম বাৰ্তা, ধুবুৰী, ২৬ ছেপ্টেম্বৰ** ঃ ধুবুৰীত নিৰ্মাণ হব পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে আৰু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি। মহান শিল্পী গৰাকীৰ মৃতুৰ পাছতেই সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰীতো শোকৰ ছাঁ পৰিছে। ধুবুৰীৰ ৰাইজে প্ৰায় ১৫০ ও অধিক স্থানত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন স্থানত পদযাত্ৰা কৰি ধুবুৰীৰ বিভিন্ন দল সংগঠন সামাজিক সংস্থাত অশ্ৰু অঞ্জলি প্ৰদান কৰে। শিল্পী সমাজ, সাংবাদিক সমাজ, সাহিত্য সমাজ, ব্যৱসায়িক সমাজকে ধৰি জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে প্ৰতিজন ব্যক্তিয়ে শোক প্ৰকাশ কৰাৰ লগতে বহু ঠাইত হাৰ্টথ্ৰৱ জুবিন গাৰ্গক সোঁৱৰি বিভিন্ন অনুষ্ঠান হাতত লোৱা পৰিলক্ষিত হয়। ইপিনে আজি ধুবুৰী প্ৰেছ ক্লাবৰ উদ্যোগত, হৰীসভা কমিটী, কালিবাৰি পৰিচালনা সমিতি, ধুবুৰী জিলা জেষ্ঠ নাগৰিক সন্মিলন, গৰীয়া মৰিয়া দেশী জাতীয় পৰিষদ ধুবুৰী জিলা, লায়ন্স ক্লাব ধুবুৰী লিও ক্লাব, গদাধৰ কবি চক্ৰ ধুবুৰী, অগপৰ অসম ভাষিক সংখ্যালঘু পৰিষদ ধুবুৰী জিলা, আপোন ভোজপুৰী সমাজ ধুবুৰী জিলা, বিদ্যাপাৰা জামে মছজিদ কমিটী, মাৰোৱাৰী যুব মঞ্চ, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ লগতে ধুবুৰী ৰাইজে সাক্ষৰ কৰি আজি স্মাৰকপত্ৰ প্ৰদান কৰে ধুবুৰীৰ জিলা আয়ুক্ত দিবাকৰ নাথক। দুইও গৰাকী মহান শিল্পীৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ ক্ষেত্ৰত ইতিমধ্যেই ধুবুৰী জিলা প্ৰশাসন ধুবুৰী পৌৰ সভাৰো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে ধুবুৰী পৌৰ সভাৰ অধ্যক্ষ ড° দেবময় সন্যাল। ইপিনে স্থান চূড়ান্ত হ'লেই অচিৰেই কাম আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

একে কাৰ্যসূচীৰে পালন হ'ব কৰম সন্মিলন আৰু ঝুমুৰ প্ৰতিযোগিতা

# জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ৫ অক্টোবৰলৈ পিছুৱাই দিয়া হ'ল চেলেংহাটৰ কৰম সন্মিলন

**অসম বাৰ্তা, আমগুৰি, ২৬ ছেপ্টেম্বৰ** ঃ অসমৰ জনশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকস্তব্ধ হৈ যোৰহাট জিলাৰ চেলেংহাটত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ চেলেংহাট, টীয়ক আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত চেলেং, মাজনৈ, ৰণখাম বাগিচা সংঘৰ সৌজন্যত সমূহ চেলেংহাটবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰথম বাৰ্ষিক কৰম সন্মিলন আৰু দলীয় ঝুমুৰ নৃত্য প্ৰতিযোগিতাৰ অনুষ্ঠান ২১ ছেপ্টেম্বৰৰ পৰিবৰ্তে ২৭ চেপ্তেম্বৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্তগ্ৰহণ কৰিছিল যদিও সমগ্ৰ অসমবাসী ম্ৰিয়মাণ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৫ অক্টোবৰত পূৰ্বনিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি অনুষ্ঠিত হব। এই উপলক্ষে এক সংবাদ মেল



সম্বোধন কৰি সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি ৰাজু কিস্কু আৰু উদযাপন সমিতিৰ সভাপতি নিলোৎপল গগৈয়ে কয় যে পূৰ্বনিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি পুৱাৰ বিভিন্ন কাৰ্যসূচীৰ লগতে দিনৰ ডেৰ বজাৰ পৰা দলীয় ঝুমুৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা সাংস্কৃতিক অনুষ্ঠানত উদয়ন কুৰ্মী, অমৃত তাঁতী, মুহি গোৱালা, অনিল চৰেণকে ধৰি বহু শিল্পীয়ে অংশগ্ৰহণ কৰিব। সংবাদ মেলত যুটীয়া সম্পাদক ৰঞ্জিত চাহানি, উপদেষ্টা কুমাৰ পানতাঁতি প্ৰমুখ্যে আছা তথা উদ্‌যাপন সমিতিৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

# জুবিন গাৰ্গৰ প্ৰতিচ্ছবি, বেনাৰক লৈ জিলাবাসীলৈ জিলা প্ৰশাসনৰ বিশেষ গোহাৰি

**অসম বাৰ্তা, নগাঁও, ২৬ ছেপ্টেম্বৰ** ঃ সমগ্ৰ অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন, হিয়াৰ আমঠু, জনতাৰ শিল্পী জুবিন গাৰ্গে সকলোকে শোকৰ সাগৰত নিমৰ্জিত কৰি পঞ্চভূতত বিলীন হ'ল। শোকস্তব্ধ অসমবাসীৰ লগতে সমগ্ৰ নগাঁও জিলাবাসীয়ে তেওঁলোকৰ হৃদয়ৰ মনিকোঠাত সংস্থাপিত কৰা প্ৰিয় শিল্পী গৰাকীৰ প্ৰতি বিভিন্ন স্থানত শ্ৰদ্ধাৰ্ঘ নিবেদনৰ বাবে শিল্পী গৰাকীৰ প্ৰতিচ্ছবি অস্থায়ীভাৱে স্থাপন কৰি অনুষ্ঠান আয়োজন কৰি আছে। শাৰদীয় দুৰ্গোৎসৱ সমাগত। দুৰ্গা পূজাৰ এই ব্যস্ততাপূৰ্ণ সময়ছোৱাত শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ অৰ্থে স্থাপিত প্ৰতিচ্ছবি সমূহ যাতে অজ্ঞাতে অনাদৰিত নহয় তাৰ বাবে সকলো সচেতন হোৱাটো অতি প্ৰয়োজনীয়। সেয়েহে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যেৰে জিলাখনৰ বিভিন্ন ৰাজহুৱা স্থান সমূহৰ লগতে, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক অনুষ্ঠান, প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদিৰ বাহিৰত অস্থায়ীভাৱে স্থাপন কৰা প্ৰতিচ্ছবি বেনাৰ আৰু বৰ্ড সমূহ সযতনেৰে সংৰক্ষণ কৰি ৰাখি এই মহান শিল্পী গৰাকীৰ প্ৰতি সকলোৰে মৰম আৰু দায়িত্ববোধৰ পৰিচয় দাঙি ধৰিবলৈ জিলা প্ৰশাসনে আন্তৰিকতাৰে জিলাবাসী ৰাইজলৈ আহ্বান জনাইছে আৰু সকলোৰে সহযোগিতা কামনা কৰিছে।

# শিল্পী পেঞ্চনৰ পৰা বঞ্চিত মুখাশিল্পী খগকান্ত মহন্ত



**অসম বাৰ্তা, উজনী মাজুলী, ২৬ ছেপ্টেম্বৰ** ঃ শৈশৱ কালৰ পৰাই মুখা তৈয়াৰ কৰি ভালপোৱা শিল্পী খগকান্ত মহন্তই বৰ্তমানলৈকে শিল্পী পেঞ্চনৰ পৰা বঞ্চিত হৈ আহিছে। বিগত চাৰিটা বছৰে শিল্পী গৰাকীয়ে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ত আবেদন পত্ৰৰ জৰিয়তে শিল্পী পেঞ্চনৰ বাবে আবেদন কৰিছে যদিও বিভাগীয় কৰ্তৃপক্ষই আজিকোপতি শিল্পীজনাক সেই মান্যতা প্ৰদান নকৰিলে। মাজুলী শ্ৰীশ্ৰীবিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰৰ দৰে সত্ৰ পৰিচালনাৰ গুৰুদায়িত্ব পালন কৰিও তেখেতে সত্ৰৰ নাম-প্ৰসঙ্গ, শৰণ-ভজনৰ সমস্ত দায়িত্ব অতি সুচাক-ৰূপে পালন কৰি আহিছে। উদাসীন ধৰ্ম পালন কৰা এইজনা চিত্ৰকুমাৰ শিল্পী খগকান্ত মহন্তই সত্ৰত পৰম্পৰাগতভাৱে পূৰ্বৰ পৰা চলি অহা অঙ্কীয়া ৰাসলীলাৰ প্ৰয়োজনীয় বৃহৎ আকাৰৰ বকাসুৰ, অঘাসুৰ, পলম্বাসুৰ, কালিনাগৰ লগতে পুতনা, ধেনুকাসুৰ, চক্ৰবাত, শঙ্খচুড় আদি প্ৰয়োজনীয় সকলো মুখা দশক দশক ধৰি নিৰ্মাণ কৰি আহিছে। ইয়াৰোপৰি সত্ৰ তথা গাঁৱৰ অনান্য ভাওনাত প্ৰয়োজন হোৱা বৃহৎ আকাৰৰ নৃসিংহ, বৰাহ, কুম্ভকৰ্ণ আদি মুখাই শিল্পীজনাৰ শিল্পপ্ৰতিভাৰ উজ্জ্বল নিদৰ্শন ডাঙি ধৰি গুৰুজনাৰ কলা-কৃষ্টিৰ প্ৰচাৰ প্ৰসাৰত মুখ্য ভূমিকা পালন কৰি আহিছে। আজি কেইবা দশক ধৰি ৰক্তহীনতা ৰোগত ভোগী থকা চিৰকুমাৰ শিল্পীজনাই ৰোগগ্ৰস্ত স্বাস্থ্যৰে মুখা নিৰ্মাণ, নাম-প্ৰসঙ্গ, শৰণ-ভজন আদি যাৱতীয় কামৰ লগতে বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ আৰু সত্ৰ-নামঘৰৰ নাম-প্ৰসঙ্গত প্ৰয়োজনীয় সুন্দৰ সুন্দৰ কুঁহিলাকঠ তৈয়াৰ কৰি এই কুঁহিলা কঠৰ শিল্পটিকো বৰ্তমানলৈকে ধৰি ৰাখিবলৈ সক্ষম হৈছে। এইজনা উদাসধৰ্ম পালন কৰা বয়োজেষ্ঠ প্ৰকৃত শিল্পীক চৰকাৰে নিয়মীয়া পেঞ্চনৰ স্বীকৃতি প্ৰদান কৰি এজন ৰোগগ্ৰস্ত শিল্পীক মান্যতা প্ৰদান কৰিবলৈ সচেতন মহলে দাবী জনাইছে।

# ৰূপহীহাটত স্বচ্ছ ভাৰত অভিযানৰ গ্ৰামাঞ্চলৰ পৰিশোধন কাৰ্যসূচী

**অসম বাৰ্তা, ৰূপহীহাট, ২৬ ছেপ্টেম্বৰ** ঃ ৰূপহীহাটৰ শিঙিমাৰী মোঃ আলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত গ্ৰামাঞ্চল পৰিষ্কাৰৰ লক্ষ্যৰে ছাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়খনৰ এন এছ এছ স্বেচ্ছাসেৱক-সেৱীকা সকলে কালিৰ পৰা শিঙিমাৰী অঞ্চলৰ বিভিন্ন ঠাই পৰিষ্কাৰ পৰিচ্ছন্ন কৰি স্বচ্ছ সেৱা অব্যাহত ৰাখিছে। বিদ্যালয়ৰ অধ্যক্ষই শুভাৰম্ভ কৰা কাৰ্যসূচীত আজি আজি শিঙিমাৰী বজাৰৰ সমীপৰ ১০৩২ নং বালক মুক্তাৰ স্কুলৰ আশে-পাশে থকা অপৰিষ্কাৰ ঠাইৰ জাবৰ জোতৰ প্লাষ্টিক বেগ নানা ধৰণৰ পেলনীয় সামগ্ৰীৰে দুৰ্গন্ধময় পৰিৱেশ পৰিষ্কাৰ কৰে। বজাৰ আৰু স্কুলৰ সমীপত এনে অপৰিষ্কাৰ পৰিৱেশৰ ফলত স্কুলীয় ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ লোক অসুবিধাৰ সন্মুখীন হৈছিল। উক্ত ঠাইখিনি আজি স্বেচ্ছা সেৱকৰ দলটি আহি পৰিষ্কাৰ কৰাত স্থানীয় ৰাইজে প্ৰশংসা কৰে। লগতে পুনৰাই উক্ত ঠাইখিনি অপৰিষ্কাৰ নকৰে তাৰ বাবে সচেতন ৰাইজে আহবান জনাই। পলিথিনৰ বেগ সমূহ জমা কৰি সেই বিলাক মিউনিচি পলিটিত লগত যোগাযোগ কৰি ডাঙৰ ডাজবিনত পেলাবলৈ ৰাইজক আহ্বান জনায়।

# বঙাইগাঁও জিলাৰ দুৰ্গা পূজা কমিটিলৈ আৰ্থিক সাহায্য প্ৰদান

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৬ ছেপ্টেম্বৰ** ঃ বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে আনুষ্ঠানিকভাৱে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ উপস্থিতিত জিলাখনৰ দুৰ্গাপূজাৰ কমিটি সকলোলৈ আৰ্থিক সাহায্য পূজা কমিটীসমূহক প্ৰদান কৰে। বঙাইগাঁও ৰাজহ চক্ৰ, ডাংতল ৰাজহ চক্ৰ আৰু মাণিকপুৰ ৰাজহ চক্ৰৰ মুঠ ৯১খন দুৰ্গা পূজা কমিটিয়ে এই আৰ্থিক সাহায্য লাভ কৰে। অভয়াপুৰী সমজিলাৰ সৃজনগ্ৰাম আৰু বইটামাৰী ৰাজহ চক্ৰৰ ৩২খন দুৰ্গা পূজা কমিটিয়ে এই আৰ্থিক সাহায্য লাভ কৰিছে। উল্লেখযোগ্য যে প্ৰতিখন দুৰ্গা পূজা কমিটীয়ে আৰ্থিক সাহায্য হিচাপে




১০, ০০০/টকাকৈ লাভ কৰে। আৰ্থিক সাহায্য প্ৰদান কৰি বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে কয় যে নিশ্চয় চৰকাৰে আগবঢ়োৱা এই সাহায্যই দুৰ্গা পূজা কমিটীসমূহক সকাহ দিব। বিধায়িকাগৰাকীয়ে দুৰ্গা পূজা কমিটি সমূহক শাৰদীয় দুৰ্গোৎসৱৰ আগতীয়া শুভেচ্ছা জনায়। আজিৰ এই অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত নিৰ্মালি বৰুৱা, চক্ৰ বিষয়াসকল আৰু সহকাৰী আয়ুক্ত মূৰ্ছনা মালাকাৰ উপস্থিত থাকে।

## সম্পাদকীয়

# শান্তিবাদী নেতাক নিঃশব্দ কৰাৰ চেষ্টা

**লা**ডাখৰ প্ৰশাসনিক আৰু ৰাজনৈতিক ভৱিষ্যৎ উত্তেজনা আৰু অনিশ্চয়তাৰ ডাৱৰে আৱৰি ধৰিছে। এই পৰিস্থিতিত শুকুৰবাৰে লেহ আৰক্ষীয়ে ৰাষ্ট্ৰীয় নিৰূপত্তা আইন (NSA)ৰ অধীনত সোণম ৱাংচুকক গ্ৰেপ্তাৰ কৰাৰ ঘটনাই এক গুৰুতৰ আৰু উদ্বেগজনক পৰিৱেশৰ সৃষ্টি কৰিছে। ২০১৮ চনৰ ৰেমন মেগছেছে বঁটা বিজয়ী এই জলবায়ু কৰ্মী আৰু সমাজসেৱীক গ্ৰেপ্তাৰ কৰাটোৱে লাডাখৰ বৰ্তমানৰ সমস্যাৰ প্ৰতি চৰকাৰী দৃষ্টিভংগীৰ এক স্পষ্ট আৰু বিপদজনক ইংগিত বুলি ধৰিব পাৰি। বুধবাৰে নিৰাপত্তা বাহিনীৰ গুলীচালনাত চাৰিজন যুৱকৰ মৃত্যু হোৱাৰ পিছত ৱাংচুকক গ্ৰেপ্তাৰ কৰা হয়। এনে এক শোকান্তকৰ পৰিস্থিতিত শান্তি পুনৰ্স্থাপন আৰু মানুহৰ যন্ত্ৰণাক সন্মান জনোৱাটো হৈ পৰে প্ৰথম অগ্ৰাধিকাৰ। কিন্তু ৱাংচুকৰ দৰে এজন শান্তিবাদী নেতাক কঠোৰ আইনৰ জৰিয়তে নিঃশব্দ কৰাৰ চেষ্টাই এই লক্ষ্যৰ পৰা চৰকাৰক বহু দূৰলৈ লৈ গৈছে। সোণম ৱাংচুকৰ নেতৃত্বাধীন আন্দোলনটোৱে লাডাখক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা, জনজাতীয় সুৰক্ষা আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ সুবিধা দিয়াৰ দাবী কৰি আহিছে। এই দাবীবোৰ হ'ল সংবিধানিক আৰু গণতান্ত্ৰিক। ইয়াৰ সমাধান হ'ব লাগিছিল আলোচনাৰ মাজেৰে। কিন্তু হিংসাৰ ঘটনাৰ পিছত গ্ৰেপ্তাৰ, SECMOLৰ দৰে এটা শিক্ষামূলক অনুষ্ঠানৰ FCRA অনুজ্ঞাপত্ৰ বাতিল আদি কাৰ্য্যই এক বিৰূপ আৰু অসহিষ্ণু মনোভাৱৰহে সূচনা কৰে। চৰকাৰে ২৭/২৮ ছেপ্টেম্বৰত আলোচনাৰ কথা ঘোষণা কৰাৰ লগে লগে এই কঠোৰ নীতি অৱলম্বন কৰাটোৱে এক ধৰণৰ 'দুমুখীয়া নীতি'ৰ সন্ধান দিয়ে। ৱাংচুকে নিজেই কৈছে, "মই শান্তিৰ আহ্বান জনাইছিলোঁ। গ্ৰেপ্তাৰ হ'লে সুখী হ'ম।" এই বাক্যাংশই এজন নিষ্ঠাবান কৰ্মীৰ শান্তিপ্ৰিয় মনোভাব আৰু নীতি-নিষ্ঠাৰ কথাহে প্ৰতিফলিত কৰে। এনে লোকক ৰাষ্ট্ৰৰ বাবে বিপদজনক বুলি গণ্য কৰাটো যুক্তিসংগত নহয়। লাডাখৰ বৰ্তমানৰ সংকট হ'ল এটা ৰাজনৈতিক সংকট। ইয়াৰ স্থায়ী সমাধান কেৱল আৰক্ষীৰ কাৰ্য্য বা কঠোৰ আইনৰ জৰিয়তেই সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন ৰাজনৈতিক সদিচ্ছা, সংবেদনশীলতা। চাৰিজন তৰুণৰ ৰক্তৰে ৰাঙলী হোৱা লাডাখৰ মাটিত যেন সংবাদৰ মৰ্যাদা ৰক্ষা হয়, যেন তেওঁলোকৰ ত্যাগ অথলে নাযায়, সেই দিশতেই চৰকাৰে গুৰুত্ব দিব লাগে। লাডাখৰ ভৌগোলিক আৰু সাংস্কৃতিক স্বকীয়তা ভাৰতৰ গণতন্ত্ৰৰ এক গৌৰৱ। এই গণতন্ত্ৰই হিংসা বা দমন-পীড়নৰ ঠাইত সংলাপ আৰু আলোচনাকহে স্থান দিয়ে। লাডাখৰ জনসাধাৰণৰ প্ৰতি কৰ্তব্য হ'ল তেওঁলোকৰ কণ্ঠস্বৰ শুনা আৰু তেওঁলোকৰ ভৱিষ্যত তেওঁলোকৰেই সৈতে আলোচনাৰ জৰিয়তে গঢ়ি তোলা। আশা কৰোঁ, চৰকাৰে এই গুৰুত্বপূৰ্ণ সত্যক স্বীকাৰ কৰিব আৰু শান্তি আৰু ন্যায়ৰ পথত আগবাঢ়িব।

# স্তব্ধ জোনাক

**এ**টি অবিশ্বাস্য খবৰ। অসম অথা ভাৰতৰ প্ৰসিদ্ধ কণ্ঠশিল্পী, সংগীত পৰিচালক, এটি শিশু সুলভ মনৰ অধিকাৰী, অসম -অসমীয়াৰ সাহস, বহু জনৰ সাহস বহু জনৰ অভিভাৱক স্বৰূপ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বতৰা সঁচাই অকল্পনীয়। কেনেকৈ মানি লওঁ হিয়াৰ আমঠু শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ, তেওঁ নোহোৱা হোৱাৰ বাতৰি।

এক অনন্য প্ৰতিভাৰ অধিকাৰী, জনতাক উদ্বেলিত কৰিব পৰা ঈশ্বৰপ্ৰদত্ত কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ খুবেই অসহনীয়। ছিংগাপুৰৰ লেজাৰ্ছ দ্বীপত অনাকাংক্ষিত ভাৱে মৃত্যুক আকোঁৱালি লোৱাৰ খবৰটো মানি ল'বলৈ বৰ কষ্ট হৈছে। সমগ্ৰ ৰাজ্যত আজি শোকৰ ছাঁ, শোকাকুল পৰিস্থিতি। নহ'বনো কিয়? পাখি মেলি স্নিগ্ধ জোনাক নমাই অনা এটি বৰ্ণিল যুগৰ যে অৱসান ঘটিল। হাজাৰ -হাজাৰ জনতাৰ হৃদয় জিনিবলৈ সক্ষম হোৱা শিল্পী গৰাকীয়ে অৱশেষত মৃত্যু জিনি সমুদ্ৰ বক্ষত মৃত্যুক আকোঁৱালি ল'লে আচম্বিতে। প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুত আজি সমগ্ৰ ৰাজ্য ম্ৰিয়মাণ। হাজাৰ জনৰ বুকুত অগনি জ্বলাই গুছি গ'ল এখন নেদেখা ঠাইলৈ। সকলো শ্ৰেণীৰ লোকৰ মাজতে জনপ্ৰিয় শিল্পীজনে হৃদয় আৰু আত্মাক স্পৰ্শ কৰি গুছি গ'ল। এৰি থৈ গ'ল নিজৰ সৃষ্টি আৰু সুৰ। এনে এগৰাকী কণ্ঠশিল্পীক কিদৰে জনাও বিদায়!

নিবেদিতা হাজৰিকা

প্ৰেম একধৰণৰ ফেন্টাছি, সেয়েহে ই আত্মসচেতন নহয় সেইবাবে ই সুদৃশ্যভাৱে ৰাজনৈতিকো নহয়। জনপ্ৰিয় সংস্কৃতিত স্বাভাৱিকতেই প্ৰেমৰ সেই ফেন্টাছি ৰূপ সৰ্বব্যাপী ৰূপত দেখিবলৈ পাওঁ। ই প্ৰকৃততে চেতনাগত সামাজিক পৰিৱৰ্তনৰে এটা অভিন্ন অংগ। অৰ্থাৎ প্ৰেমৰ ফেন্টাছি ৰূপৰ উপস্থাপনৰ জৰিয়তে জনপ্ৰিয় সংস্কৃতিয়ে সামাজিক পৰিৱৰ্তনত অংশগ্ৰহণ কৰিছে বুলিব পাৰি। এক কথাত ক'বলৈ গ'লে জনপ্ৰিয় সংস্কৃতিয়ে আধুনিকতাৰ এটা আধৰুৱা দায়িত্ব পালন কৰিবলৈ গাত পাতি লোৱা দেখিবলৈ পোৱা গৈছে।

# জুবিনৰ গান আৰু বিমূৰ্ততা

অজিত বৰুৱা

**জু**বিন গাৰ্গৰ 'মন যায়' যুৱপ্ৰজন্মৰ বাবে অতি আপোন এটা গান। একে আষাৰতে ক'বলৈ গ'লে, এইটো আছিল এটা অতি সাংঘাতিকধৰণে জনপ্ৰিয় গান। যদি চোৱা হয় তেনে হ'লে দেখিবলৈ পোৱা যায় যে বছৰৰ পাছত বছৰ ধৰি লাখ লাখ যুৱক-যুৱতীয়ে এই গানটো বাৰম্বাৰ শুনি অহাৰ উপৰিও শুনি শুনি কান্দিও আহিছে। জুবিনৰ বহু গানেই যুৱসমাজৰ প্ৰিয়, বহু গানেই তেওঁলোকৰ জীৱনৰ এৰাব নোৱৰা অংগ হৈ পৰিছে। কিন্তু 'মন যায়'ৰ এটা বিশেষত্ব আছে, ইয়াৰ এটা সামাজিক তাৎপৰ্য আছে — যাৰ বাবে এই গীতটোৰ সৈতে আন কোনো গীতৰে তুলনা কৰিব পৰা নাযায়। হয়তো বহুতেই এই গানটোৰ মাজত নিজৰ এৰি অহা প্ৰেমৰ কাহিনী তথা বিষাদ-অনুভূতিবোৰ বিচাৰি পায়, যাৰ বাবে গানটোৱে তেওঁলোকৰ চকুপানী বোৱাই বুলি ক'লেও বঢ়াই কোৱা নহয়।

কিন্তু কেৱল ব্যক্তিগত প্ৰেমৰ অনুভূতি আৰু স্মৃতিবোৰেই জানো গানটোৰ অবিশ্বাস্য জনপ্ৰিয়তাৰ কাৰণ হয়নে? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি চোৱাটোৱেই হৈছে আমাৰ প্ৰধান উদ্দেশ্য। এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি যোৱাৰ পূৰ্বে আমি প্ৰথমে জুবিন গাৰ্গৰ সাংগীতিক যাত্ৰাৰ কিছুমান সাধাৰণ দিশ বিচাৰ কৰি চাব লাগিব। প্ৰথমতেই উল্লেখ কৰা ভাল হ'ব যে এই লেখাটো জুবিনৰ গানৰ বিষয়ে কোনো সামগ্ৰিক পৰ্যালোচনা নহয়, আমি কেৱল 'মন যায়' গানটোৰ ঐতিহাসিক আৰু সামাজিক তাৎপৰ্য নিৰ্ণয় কৰাৰ তাগিদাতহে কিছুমান দিশৰ যথাসম্ভৱ চমু বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

'বিমূৰ্ততা'ক জুবিনৰ প্ৰেমৰ গানসমূহৰ মূল বৈশিষ্ট্য বুলি ক'ব পাৰি । জুবিনে তেওঁৰ দীঘলীয়া সাংগীতিক যাত্ৰাত প্ৰধানতঃ প্ৰেমৰ গানেই অধিক গাইছে বুলিব পাৰি। অৱশ্যে তেওঁৰ আন বিষয়ৰ যিবোৰ গান আছে তাৰ ভিতৰত বহুবোৰ গানতে এই 'বিমূৰ্ততা'ৰ ভাবগত আৰু ভাষাগত ছাঁ আছে বুলিব পাৰি। সেই দিশৰ পৰা ক'ব পাৰি যে 'বিমূৰ্ততা'ক তেওঁ সাংগীতিক সৃষ্টিৰ এটা অংগ হিচাপে ব্যৱহাৰ কৰিছিল। এইখিনিতে প্ৰশ্ন হয় এই 'বিমূৰ্ততা'ৰ ৰূপ আৰু তাৰ ঐতিহাসিক চৰিত্ৰ কেনেধৰণৰ? এই প্ৰসংগতে আমি ভূপেন হাজৰিকাৰ প্ৰেমৰ গানসমূহৰ কথা উল্লেখ কৰিব পাৰো। আন আন গানৰ দৰে ভূপেন হাজৰিকাৰ প্ৰেমৰ গানসমূহো খুবেই কংক্ৰিট গান বুলিব পাৰি। এই কংক্ৰিট দুটা দিশৰপৰাঃ প্ৰথমটো হৈছে, গানটোৱে দাঙি ধৰা চিত্ৰখন কংক্ৰিট, অৰ্থাৎ তাত কি ঘটি আছে আমি স্পষ্টভাৱে অনুমান কৰিব পাৰোঁ, দ্বিতীয়টো হৈছে, গানটো ঐতিহাসিকভাৱে কংক্ৰিট, এটা যুগৰ কংক্ৰিট ইংগিত আমি গানটোত পাব পাৰোঁ। ইয়াৰ উদাহৰণ হিচাপে আমি ভূপেন হাজৰিকাৰ যিকোনো এটা প্ৰেমৰ গান ল'লেই জানিব পাৰো। যেতিয়া গান এটা খুবেই কাব্যিক আৰু বিমূৰ্ত শব্দৰে আৰম্ভণি হয় তেতিয়া তেনে প্ৰেমৰ গানবোৰক বিমূৰ্ত বুলি কোৱা হয়। এই ক্ষেত্ৰত ড° হাজৰিকা দেৱৰ 'বিমূৰ্ত মোৰ নিশাটি যেন' গানটোক এটা খুবেই কংক্ৰিট গান বুলিব পাৰি।

হয়তো শিল্পীয়ে বৰ্ণনা কৰা নিশাটো বিমূৰ্ত, কিন্তু গানটো আছিল মূৰ্ত। এই গানটোত কোন সময়ত কি ঘটি আছে আমি সঠিকভাৱে জানিব পাৰোঁ। কিন্তু তাতকৈ ডাঙৰ কথা হৈছে যৌনপ্ৰেমৰ উমৰ মাজতো কাব্যিকতাৰ চাদৰৰ আঁৰত প্ৰকাশ পাইছে সামাজিক দ্বন্দ্বৰ আভাস এখন পৰিষ্কাৰ ছবি। নিজৰ যৌনপ্ৰেমক শিল্পীয়ে কৈছে 'নিয়ম ভঙাৰ নিয়ম ই যে' বুলি। তদুপৰি তেওঁ শুনিবলৈ পাইছে দূৰৈৰ আৰ্তনাদ। ভ্ৰূক্ষেপ কৰা-নকৰাটো পিছৰ কথা। থোৰতে ক'বলৈ হ'লে, তেওঁ দূৰৈৰ আৰ্তনাদৰ নদীখন পাহৰি যাব পৰা নাই। ইয়াৰ লগত যদি আমি জুবিনৰ প্ৰেমৰ গানৰ তুলনা কৰো, তেনেহ'লে দেখিম যে উপৰোক্ত দুইটা দিশৰপৰাই তেওঁৰ গানবোৰ বিমূৰ্ত। ইতিমধ্যে জুবিনে বিভিন্ন গীতিকাৰৰ গান গাইছে বুলি আমি জানো, এনে গীতিকাৰ সকলৰ মাজত ভাব-ভাষাৰ যথেষ্ট তাৰতম্য আছে। কিন্তু যদি আমি চাও দেখিবলৈ পাও যে জুবিনৰ বৈশিষ্ট্যসূচক প্ৰধান আৰু বিখ্যাত গানবোৰৰ বেছিখিনিয়েই জুবিনে নিজেই লিখা। অৱশ্যে এটা কথা ঠিক যে গানটো যিয়েই নিলিখক বা সুৰ নকৰক কিয়, জুবিনৰ অমৃত কণ্ঠ আৰু যাদুকৰী সংগীত প্ৰতিভাই সেই গানবোৰক এনেদৰে হজম কৰি পেলায় যে সিবিলাক হাড়ে-হিমজুৰে হৈ পৰে জুবিনৰ গান।

আনহাতে, লাহে লাহে অসমৰ সংগীত জগত খনত জুবিনে এনে এক জুবিনময় সাংগীতিক পৰিসীমা বান্ধি দিছিল যে পৰৱৰ্তী সময়ত আন আন গীতিকাৰ-সুৰকাৰসকলেও সেই পৰিসীমাৰ ভিতৰত থাকিয়েই সংগীত সৃষ্টি কৰিবলৈ বাধ্য হৈ পৰিছিল। 'হাঁহিলে তুমি মুকুতামণি সৰে', 'জোনাকে কাণে কাণে আহি ক'লে', 'মায়া মাথোঁ মায়া', 'প্ৰীতিৰ সুবাসে', 'মনৰ নিজানত', 'এতিয়া হিয়া মোৰ বৰষে তোমালে', 'অলকানন্দা ওঁঠৰ পাহি যেন' আদি বিভিন্ন সময়ৰ দুটামান গানৰ উদাহৰণ আমি ল'ব পাৰো।

জুবিনৰ কিছুমান গান শুনিলে এইবোৰৰ একো একোটা ইয়াৰ মূল ভাব বা সূত্ৰ সহজে ধৰিব পৰা যায় — বোলে এইটো বিৰহৰ গান, এইটোত প্ৰেমিকাৰ বাবে অধীৰ আগ্ৰহেৰে বৈ থকাৰ কথা কৈছে, এইটোত প্ৰেমৰ মহিমাই জীৱনটো সঞ্জীৱিত কৰি থৈ যোৱাৰ কথা কৈছে, ইত্যাদি ইত্যাদি। কিন্তু ইয়াতকৈ অধিক বুজিবলৈ অসুবিধা। সেয়েহে এইবোৰ গান সম্পূৰ্ণ খৰচী মাৰি আলোচনা কৰাটো বৰ জটিল । জুবিনৰ গানত শিল্পীয়ে নিজে বিশেষ একো নকয়, যি ক'ব লাগে সেয়া গানৰ উপমা, প্ৰতীক আৰু চিত্ৰকল্পই কয়। কাব্যিকতাৰ এই সকলোবিলাক উপাদান মিলি গানবোৰত এক নিভাঁজ বিমূৰ্ততাৰ সৃষ্টি কৰা বুলি ক'ব পাৰি — য'ত থাকে ক অস্পষ্টতা, থাকে ধূসৰতা, থাকে ৰহস্য। অৱশ্যে ইয়াৰ সমানে সমানে থাকে এক উদ্দামতা, এক সতেজতাও। এই বিমূৰ্ততাই হৈ জুবিনৰ গানৰ আচল শক্তি, যাক জুবিনৰ মেজিক বুলিও ক'ব পাৰি। কিন্তু কালক্ৰমত এই বিমূৰ্ততাই হৈ পৰিলগৈ জুবিনৰ বাবে এক দুৰ্বহ বোজা, নিজৰেই অৰ্থহীন পুনৰাবৃত্তিৰ কাৰকৰ দৰে।

জুবিনৰ সাংগীতিক জন্ম বিংশ শতিকাৰ নৱৈৰ দশকত হৈছিল বুলিব পাৰি। ৰাজনৈতিকভাৱে আত্মসচেতন শিল্পীৰ যুগটো কেতিয়াবাই শেষ হৈ পৰিছিল। সমসাময়িক সমাজৰ ৰূপ আৰু নিজৰ ঐতিহাসিক অৱস্থানক লৈ সচেতন শিল্পীৰ বাবেহে কংক্ৰিট ৰসোত্তীৰ্ণ শিল্পৰ সৃষ্টি কৰা সম্ভৱপৰ। কিন্তু জুবিন আছিল নতুন যুগৰ শিল্পী। তেখেতৰ জন্মৰ সমসাময়িকভাৱেই ভাৰতত বিশ্বায়নৰ প্ৰবেশ ঘটিছিল বুলি ক'ব পাৰি। সেই সময়খিনিতে অসমৰ সংগীত জগতখনো ব্যৱসায়িকভাৱে ঠন ধৰি উঠিছিল বুলিব পাৰি। উক্ত সময়খিনিতে অসমত আৰম্ভ হৈছিল জনপ্ৰিয় সংস্কৃতিৰ যুগ। জুবিন ক্ৰমাগতভাৱে হৈ উঠিছিল অসমীয়া জনপ্ৰিয় সংস্কৃতিৰ আটাইতকৈ ডাঙৰ তাৰকা। জুবিনৰ এই সাংগীতিক যাত্ৰাৰ প্ৰধান সংগী আছিল তেখেতৰ বিমূৰ্ততা।

হয়তো যুগৰ ধৰ্ম অনুসৰিয়েই জুবিনৰ মাজত কোনো ৰাজনৈতিক আত্মসচেতনতা নাছিল, নাছিল নিজৰ ঐতিহাসিক অৱস্থান সম্পৰ্কে উপলব্ধিও। তেওঁৰ চকুৰ সন্মুখতেই অসমৰ সমাজ জীৱনৰ ওপৰেদি পাৰ হৈ গৈছিল এজাক কালধুমুহা । প্ৰতিবাদ আৰু ৰাষ্ট্ৰসন্ত্ৰাসে জুৰুলা কৰি পেলাইছিল অসম দৃশ্যপট। কিন্তু তথাপিও তেওঁৰ গানত সেইবিলাকৰ ৰেশ বিচাৰি পাবলৈ নাই। কিয়নো তদানীন্তন সময়ত শিল্পৰ সৈতে সামাজিক জীৱনৰ ওতপ্ৰোত সম্পৰ্ক তেওঁ বুজি উঠা নাছিল। কিন্তু সমান্তৰালভাৱে, নিজৰ অজ্ঞাতেই তেওঁ হৈ পৰিছিল অসমৰ সমাজ জীৱনত ঘটি থকা এটা দীঘলীয়া সামাজিক প্ৰক্ৰিয়াৰ এক অন্তঃস্ৰোতৰ অবিসম্বাদী প্ৰতিনিধি।

উক্ত সময়ছোৱাত চহৰলৈ হোৱা প্ৰব্ৰজন আৰু চহৰ নগৰৰ প্ৰতি সকলোৰে সাধাৰণ আকৰ্ষণ বৃদ্ধি পাইছিল। দূৰৈত শুনিবলৈ পোৱা গৈছিল বিশ্বায়নে কঢ়িয়াই অনা নতুনৰ পদধ্বনি। ক্ৰমবৰ্ধমান সামাজিক গতিশীলতাৰ এই ধাৰাটোৰ প্ৰভাৱ প্ৰধানকৈ পৰিছিল যুৱচামৰ ওপৰত, নতুন চেতনা আৰু আকাংক্ষাই লাহে লাহে মূৰ দাঙি উঠিছিল। তেনে প্ৰেক্ষাপটত জুবিনৰ প্ৰেমৰ গানে এই যুৱ প্ৰজন্মৰ চেতনা আৰু আকাংক্ষাকেই প্ৰতিনিধিত্ব কৰিছিল বুলি ক'ব পাৰি। প্ৰেমক আমি এইখিনিতে এটা আধুনিকতাৰ সম্পদ ৰূপে ভাবিবলৈ আৰম্ভ কৰিলোঁ। জাতি, বৰ্ণ, ধৰ্ম, বয়স, লিংগ আদি সকলো দিশৰপৰাই বৈষম্য আৰু পদানুক্ৰমৰদ্বাৰা ভাৰাক্ৰান্ত এখন সমাজত এই প্ৰেম সহজ সাধ্য কেতিয়াও নহয়। সেয়েহে সম্ভৱতঃ প্ৰেম এক অন্তহীন আৰু চিৰন্তন ফেন্টাছি হৈ পৰিছিল আমাৰ সমাজত। প্ৰেম এনে এটা ফেন্টাছি যাৰ জৰিয়তে প্ৰকাশ পায় সামাজিক দ্বন্দ্ব আৰু সমস্যাসমূহ, যাৰ জৰিয়তে অনুভৱ কৰিব পাৰি সামাজিক বৈষম্য আৰু পদানুক্ৰমসমূহৰ অস্তিত্ব আৰু যাৰ জৰিয়তে দেখিব পৰা যায় সামাজিক মুক্তিৰ স্বপ্ন।

প্ৰেম একধৰণৰ ফেন্টাছি, সেয়েহে ই আত্মসচেতন নহয় সেইবাবে ই সুদৃশ্যভাৱে ৰাজনৈতিকো নহয়। জনপ্ৰিয় সংস্কৃতিত স্বাভাৱিকতেই প্ৰেমৰ সেই ফেন্টাছি ৰূপ সৰ্বব্যাপী ৰূপত দেখিবলৈ পাওঁ। ই প্ৰকৃততে চেতনাগত সামাজিক পৰিৱৰ্তনৰে এটা অভিন্ন অংগ। অৰ্থাৎ প্ৰেমৰ ফেন্টাছি ৰূপৰ উপস্থাপনৰ জৰিয়তে জনপ্ৰিয় সংস্কৃতিয়ে সামাজিক পৰিৱৰ্তনত অংশগ্ৰহণ কৰিছে বুলিব পাৰি। এক কথাত ক'বলৈ গ'লে জনপ্ৰিয় সংস্কৃতিয়ে আধুনিকতাৰ এটা আধৰুৱা দায়িত্ব পালন কৰিবলৈ গাত পাতি লোৱা দেখিবলৈ পোৱা গৈছে । এই প্ৰক্ৰিয়াত জুবিনৰ প্ৰেমৰ গানসমূহেও এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু এই ভূমিকাক অধিক জীৱন্ত কৰি তুলিছে সেই সময়ৰ অসমৰ সামাজিক সন্ধিক্ষণ আৰু যুৱপ্ৰজন্মৰ মাজত দেখা দিয়া সামাজিক গতিশীলতাৰ স্বপ্নই।

জুবিনৰ গানত যুৱপ্ৰজন্মৰ নতুন চেতনা আৰু আকাংক্ষাসমূহ বৈ আছিল নদীৰ তলৰ গভীৰ সোঁতৰ দৰে — যাক ওপৰত দেখা পোৱা নাযায়, কিন্তু অনুভৱ কৰিব পৰা যায় যাৰ উপস্থিতি। এইক্ষেত্ৰত জুবিনক সহায় কৰিছিল তেওঁৰ বিমূৰ্ততাই। জুবিনে নিজৰ ধৰণে প্ৰেমৰ গানবোৰক কংক্ৰিট ৰূপ দিবলৈ ধৰা হ'লে হয়তো সেইবোৰ হৈ পৰিলেহেঁতেন কিছুমান সুন্দৰ প্ৰেমৰ গান — আন একো নহয়। কিন্তু এতিয়া বিমূৰ্ততাই তাৰ মাজলৈ কঢ়িয়াই আনিলে যুৱপ্ৰজন্মৰ চেতনাৰ নিৰ্যাস। যদি প্ৰেমৰ গানবোৰ ভালদৰে চালিজাৰি চোৱা হয় তেনে হ'লে দেখিবলৈ পোৱা যায় যে সেইবোৰত প্ৰেমিকা বা প্ৰেম মাত্ৰ এটা অজুহাতহে। প্ৰেমৰ আলম লৈ গানসমূহত মেলি দিয়া হৈছিল অনুভৱৰ এখন বিশাল জাল — য'ত প্ৰকাশিত হৈছে যুৱ মনৰ নিভৃত কোণৰ এটি এটি অনুভৱ আৰু আকাংক্ষা। কিন্তু এই জালখনৰ কোনো সীমা নাই, সি গৈ গৈ হয়তো আকাশকো ছুইছেগৈ।

এই অনুভৱ আৰু আকাংক্ষাৰো কোনো সংজ্ঞা নাই। সংজ্ঞায়িত কৰা আৰু সীমা নিৰ্ধাৰণ কৰা মানেই হ'ল সীমাবদ্ধতা আৰোপ কৰা, সকলো সম্ভাৱনা নিঃশেষ কৰি দিয়া। কিন্তু জুবিনৰ গান এই সকলোৰেপৰা মুক্ত। আনকি অনামিকা, মায়া আদি এলবামৰ নামবিলাকেও এই সীমাহীনতা তথা ৰহস্যকেই প্ৰতিফলিত কৰিছে বুলিব পাৰি। ভালদৰে চালে আমি বুজি উঠিব পাৰোঁ যে 'অনামিকা' — যাৰ কোনো নাম নাই, যাক সংজ্ঞায়িত কৰাতো জটিল। একেদৰে 'মায়া' — যি ৰহস্যময় বুলি ক'ব পাৰি।

যি 'কলিজা ৰঙা কৰি উজলি' আছে, 'ফুলৰ পাহে পাহে মেঘৰ আঁৰে আঁৰে' নীৰৱে লুকাই আছে, যাৰ বাবে চিৰব্যাকুল প্ৰেমিক হৃদয় বাট চাই আছে, অথচ যাৰ শৰীৰী সাক্ষাৎ পাবলৈ নাই। প্ৰেম অনুভৱৰ এনেধৰণৰ ব্যাপক আত্মনিষ্ঠ উদযাপন অসমীয়া সংগীতৰ ইতিহাসত বিৰল বুলিব পাৰি। প্ৰকৃততে এই প্ৰেমৰ গানবোৰ হ'ল যুৱপ্ৰজন্মৰ বিষয়ীসত্তাৰ (subjectivity) এক স্বগতোক্তিস্বৰূপৰ দৰে। ঠিক স্বগতোক্তি বুলিলেও হয়তো ভুল কৰা হ'ব, যদিহে সি একমুখী বক্তব্যক সূচায় তেনে হ'লে সি হৈছে এই বিষয়ীসত্তাৰ নিজৰ লগতেই এক আলাপ মাথোন। এই আলাপৰ জৰিয়তে যি আধুনিক সংবেদনশীলতা (modern sensibility) প্ৰকাশ পাইছে আৰু বিকাশ লাভ কৰিছে, সেয়া সমসাময়িক আন কোনো সাংস্কৃতিক সৃষ্টিৰ মাজত পাবলৈ নাই। গতিকে চমুকৈ এনেদৰে ক'ব পাৰি যে জুবিনৰ বিমূৰ্ত প্ৰেমৰ গানসমূহৰ জৰিয়তে আধুনিক সময়ৰ যুৱপ্ৰজন্মৰ নতুন সামাজিক চেতনা আৰু আকাংক্ষাই প্ৰাণ পাই উঠিছিল। ই হৈ পৰিছিল individuation প্ৰক্ৰিয়াটোৰ অনুঘটক স্বৰূপ। সম্ভৱতঃ সেইবাবেই জুবিন হৈ উঠিছিল যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰব।

কিন্তু পৰৱৰ্তী সময়ত আমি দেখিবলৈ পাওঁ যে জুবিনে আন বিশেষ একো কাম কৰা নাছিল। কেৱল নিজক অলসভাৱে পুনৰাবৃত্তি কৰিহে গৈছিল। সময় অনুসৰি নিজক পুনৰাবিষ্কাৰ কৰিবলৈ তেওঁ চেষ্টা নকৰিলে। পৰিৱৰ্তনৰ যিটো সামাজিক প্ৰক্ৰিয়াই জুবিনৰ গানসমূহক জীৱন্ত কৰি তুলিছিল, সেই প্ৰক্ৰিয়াটোৱে এটা নতুন পৰ্যায়ত উপনীত কৰিছিল। কিন্তু জুবিনৰ গানে সেইটো ঢুকি পোৱা নাছিল। বাৰে বাৰে ব্যৱহাৰ হৈ বিমূৰ্ততাৰ সকলো সম্ভাৱনা লোপ পাইছিল, আৰু সি হৈ পৰিছিল অৰ্থহীনতাৰ নামান্তৰ মাত্ৰ। জুবিনে যি ঐতিহ্য ইতিমধ্যে প্ৰতিষ্ঠা কৰিছিল, তাৰপৰা বিভিন্ন লাম-লাকটু লৈ, শব্দ-চিত্ৰকল্প লৈ অহৰহ নতুন নতুন গান সৃষ্টি হৈ আছিল। কিন্তু সেইবোৰ আছিল প্ৰাণহীন আৰু ফোঁপোলা। অ'ত-ত'ত পাই কিছুসংখ্যক সুন্দৰ গান তেওঁ আমাক উপহাৰ দিছিল। কিন্তু সামগ্ৰিকভাৱে তেওঁৰ সংগীতৰ নদীখন হৈ পৰিছিল তৰাং। 'অনামিকা'ৰ যুগৰ সেই উদ্দামতা আৰু সতেজতা যেন হেৰাই গৈছিল।

অৱশ্যে বহুদিনৰ মূৰত আমি শুনিবলৈ পালো 'মন যায়'। ২০০৮ চনৰ 'মন যায়' চিনেমাত সন্নিৱিষ্ট হৈছে গানটো, গীতিকাৰ দিগন্ত ভাৰতী। গানটোত সুৰৰ বৈচিত্ৰ্য বিশেষ নাই, গীতাংশতো নাই তেনে কোনো চমৎকাৰ। কিন্তু গানটোত আছে এক নতুন সতেজতা — যাৰ মাজত অনুভৱ কৰিব পাৰি নতুন যুগৰ স্পন্দনৰ বিষয়ে। ইয়াৰ মাজত পাব পাৰি একৈছ শতিকাৰ অনুভৱটো। জুবিনৰ কণ্ঠ আৰু গায়কীত জীপাল হৈ উঠিছে গানটো — সি হৈ উঠিছে হাড়ে-হিমজুৰে জুবিনৰ গান। সেইবাবেই সম্ভৱতঃ, 'মন যায়' হৈছে একবিংশ শতিকাৰ এটা শ্ৰেষ্ঠ অসমীয়া প্ৰেমৰ গান।

২০০১ চনৰ 'দাগ' চিনেমাত সন্নিৱিষ্ট হৈছে 'মায়াৱিনী ৰাতিৰ বুকুত' গানটো। কথা, সুৰ, গায়কী সকলো দিশৰপৰাই এই গানটো জুবিনৰ এটা সকলো সময়ৰে শ্ৰেষ্ঠ গান বুলি ক'ব পাৰি। আনকি এনেদৰেও ক'ব পাৰি যে জুবিনৰ আন সকলো গান যদি পাহৰিও পেলোৱা হয় তেনে হ'লে একমাত্ৰ এই গানটো শুনিয়েই কৈ দিব পাৰি যে তেওঁ কিমান এক আশ্চৰ্যকৰ সাংগীতিক প্ৰতিভাৰ গৰাকী। গানটোৰ কথাংশ জুবিনৰ নিজৰঃ

'তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁচা টোপাল
নামি অহা ৰ'দৰে নৈ মোৰ দেহত প্ৰতি পুৱাত
ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন
নিজানৰ গান মোৰ শেষ হ'ব ভাবো তোমাৰ বুকুত'

গানটোৰ এইছোৱা কথাংশলৈ চাই ক'ব পাৰি গীতিকাৰ হিচাপে জুবিনৰ এয়া শ্ৰেষ্ঠ সৃষ্টি। ইমান কংক্ৰিট ৰূপত প্ৰেমৰ কথা জুবিনে কাহানিও কোৱা নাছিল, প্ৰেমৰ সঞ্জীৱনী ভূমিকাৰ কথা ইমান ভালদৰে কাহানিও গোৱা নাছিল। কিন্তু দুখৰ বিষয় এইটোৱেই যে এই চমৎকাৰৰ পিছতে গানটোত জুবিন নামি পৰে সহজ পুনৰাবৃত্তিত। মেঘালী নিশাৰ জোন, সপোন আঁতৰি দিঠক নমা, আকৌ দিঠক আঁতৰি সপোন অহা আদিবোৰ আমাৰ পুৰণি দিনৰ চিনাকি বস্তু। আনকি মায়াৱিনী ৰাতিও আমি দেখি আহিছো, মায়া কি বস্তু বুজি আহিছো। সেই দৃষ্টিকোণৰ পৰা সেয়ে ক'ব পাৰি যে বিৰাট সম্ভাৱনাপূৰ্ণ সৃষ্টি এটা ঐতিহ্যৰ ভৰত আদবাটতে থমকি ৰ'ল। এই ঐতিহ্য জুবিনৰ নিজৰেই ঐতিহ্য। জুবিনে নিজেই নিজক বাধা দি



# জাতি, ধৰ্ম নোহোৱা শিল্পীজন আৰু নাই

কমলেশ কাঞ্চন

**এ**টা অনাকাংক্ষিত খবৰে কন্দুৱাই গ'ল অসমীয়া জাতিক। শিশু, যুৱক - যুৱতীৰ পৰা আবাল বৃদ্ধ- বনিতালৈ সকলোৰে হৃদয়ে ৰিঙিয়াই কান্দিলে। ইংৰাজী ২০২৫ বৰ্ষৰ ১৯ ছেপ্টেম্বৰৰ আবেলি হঠাৎ মোবাইলৰ স্ক্ৰীনৰ ছচিয়েল মেডিয়াত এই দুঃখবৰ বিয়পি পৰিছিল। "অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু নাই"- এক মুহূৰ্তৰ বাবে অসমৰ জনতাৰ মূৰত সৰগ ভাগি পৰাৰ দৰে অৱস্থা হৈছিল। স্তব্ধ হৈ পৰিছিল জনজীৱন। মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই; কথাৰে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ প্ৰিয় হৈছিল জুবিন গাৰ্গ। অকল এই বাক্যাৰীৰ বাবে জনপ্ৰিয় হৈছিল বুলি ক'লে নিশ্চয় ভুল কোৱা হ'ব এই অসাধাৰণ প্ৰতিভাধৰ ব্যক্তিজনৰ ক্ষেত্ৰত। মানুহ আৰু প্ৰকৃতিক ভাল পোৱা শিল্পীজনে সকলো জাতি-জনগোষ্ঠী তথা ধৰ্মৰ লোকে এক হৈ সমন্বয়ৰ সেতু গঢ়াৰ পথত অগ্ৰসৰ হোৱাৰ বাৰ্তা দিছিল। ছিংগাপুৰত মৃত্যু হোৱাৰ দিন ধৰি অসমৰ আকাশ দুখৰ ডাৱৰে চানি ধৰিছিল। সকলোৰে চকু সেমেকি উঠিছিল। প্ৰাণৰ শিল্পীজনৰ নশ্বৰ দেহ ছিংগাপুৰৰ পৰা দিল্লী হৈ অসম আহি পোৱাৰ পিছতেই অসমীয়াই নিজৰ আৱেগ বান্ধি ৰাখিব নোৱাৰিলে। লাখ লাখ লোকে শিল্পীজনক শেষবাৰৰ বাবে দেখা কৰাৰ বাবে ঢপলিয়াই আহিছিল। মৃত্যুৰ দিন ধৰি অকল মঙ্গলবাৰ অৰ্থাৎ ২৩ ছেপ্তেম্বৰ তাৰিখটোহে চৰকাৰে বন্ধ ঘোষণা কৰিছিল যদিও পাঁচদিনৰ বাবে অসমত স্বাভাৱিকভাৱে বন্ধলৈ পৰিণত হৈছিল। স্তব্ধ হৈ পৰিছিল অসমৰ আকাশ -বতাহ।



মায়াবিনী ৰাতিৰ বুকুত/ দেখা পালোঁ তোমাৰ ছবি - অসমৰ আকাশে-বতাহে মাথোঁ এই গীতটোৱে গুঞ্জৰিত হ'ল। প্ৰিয় শিল্পীজনে জীৱিত অৱস্থাতে কৰা আহ্বানৰ প্ৰতি সঁহাৰি জনাই সকলোৱে বিদায়ৰ সময়লৈকে এই গীতটোৱে বজাবলৈ আৰু গাবলৈ ধৰিলে। প্ৰকৃততে জুবিন আছিল অসমীয়াৰ প্ৰাণৰ শিল্পী। তেওঁ স্পষ্টবাদী আৰু দয়াশীল গুণৰ বাবে সকলোৰে প্ৰিয় আছিল। সুন্দৰ কণ্ঠ, সুৰ আৰু সৃষ্টিশীল কৰ্মৰ বাবে ভাৰতবৰ্ষত এজন প্ৰখ্যাত সংগীত শিল্পী হৈ পৰিছিল জুবিন। উদাৰতা ভৰা হৃদয়ৰে মহান ব্যক্তিত্বৰ অধিকাৰী আছিল প্ৰাণৰ শিল্পীজন। জুবিন গাৰ্গৰ কণ্ঠত প্ৰত্যেকটো গীতেই প্ৰাণ পায় উঠিছিল। অসমখনৰ বাবে আৰু বহুতো কৰাৰ ইচ্ছা আছিল যদিও নিয়তিয়ে কিন্তু আমাৰ প্ৰাণৰ শিল্পীজনক এই সুবিধাকণ নিদিলে। কাঢ়ি লৈ গ'ল অসমৰ সম্পদ। অসমৰ প্ৰত্যেকজন জুবিন প্ৰেমীয়ে জানিছিল যে জুবিন বহুদিনৰ পৰা মৃগী ৰোগত আক্ৰান্ত। এই ৰোগত আক্ৰান্ত হ'লে সাধাৰণতে ৰোগীক জুই আৰু পানীৰ পৰা আঁতৰত থাকিবলৈ কোৱা হয়। এই সকলোবোৰ জানিও কিয় জুবিনৰ জীৱনৰ সৈতে দায়িত্ব- জ্ঞানহীন মনোভাৱ দেখুৱালে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা আৰু তেওঁৰ লগত যোৱা দলটোৱে। ইয়াৰ উত্তৰ তেওঁলোকে অসমীয়াক দিব লাগিব। অসমৰ সম্পদ জুবিনে ন্যায় নোপোৱালৈকে অসমীয়া কেতিয়াও শান্ত নহয়। অসমৰ মাননিয় মুখ্যমন্ত্ৰীয়ে তদন্তৰ দায়িত্ব CBI লৈ অৰ্পণ কৰক। অসমীয়াৰ প্ৰাণৰ শিল্পীজনে ন্যায় পাবই লাগিব।

# এটা নক্ষত্ৰ হেৰাই গ'ল

আয়শা ছিদ্দিক

**মা**নুহৰ জীৱনত কিছুমান সময় আহে যি সময়বোৰ পুৰণি ইতিহাসক ভাঙি দিয়ে আৰু নতুন ইতিহাসৰ পাত খোলে। অসমবাসীৰ বাবে ১৯ সেপ্টেম্বৰ, ২০২৫ তাৰিখটো তেনে এটা সময় হৈ পৰিল। কণ্ঠৰ যাদুৰে কোটি কোটি হৃদয় জয় কৰা শিল্পী, অসমবাসীৰ বুকুৰ স্পন্দন জুবিন গাৰ্গৰ অকাল প্ৰস্থানৰে যেন এটা যুগৰ অন্ত ঘটিল।

জুবিন গাৰ্গ মাথোঁ এজন গায়ক নাছিল তেওঁ আছিল প্ৰতিজন অসমীয়াৰ হৃদয়ৰ দীপ্ত শিখা, আশাৰ ৰেঙনী, নতুনত্বৰ সপোন আৰু নতুন প্ৰজন্মৰ মুখপত্ৰ। শৈশৱৰ গানৰ পৰা যৌৱনৰ উন্মাদনা আৰু আকালৰ কান্দোন প্ৰতি অৱস্থাত তেওঁৰ সুৰে অসমবাসীৰ অন্তৰ স্পৰ্শ কৰিছিল। তেখেতৰ গীত এটা জীৱন্ত যুগৰ প্ৰতিচ্ছবি হৈ জিলিকি ৰ'ব চিৰদিনলৈ।

অসমবাসীৰ বাবে তেখেত এজন শিল্পী নহয় মাথোঁ জীৱনৰ একোটা অংশ হিচাপে জ্ঞান কৰে। তেওঁ আছিল গাঁও ঘৰৰ ৰেডিঅ'ৰ পৰা চহৰীয়া মঞ্চলৈ ধ্বনিত হোৱা এক সজীৱ স্বত্বা। তেওঁৰ মৃত্যুৰ খবৰে সমগ্ৰ অসম শোকাস্তব্দ হৈ পৰিলে। সকলো হৃদয়ত একে বিষাদৰ বেদনাৰ ঢৌ তুলিছে। অসমৰ পৰা যেন এটা গানৰ যুগ শেষ হ'ল। অসমবাসীয়ে এটা নক্ষত্ৰ হেৰুৱালে। হেৰুৱালে এজন স্পষ্ট বাদি, কোমল মনৰ অধিকাৰী, সকলোকে সন্মুখত সমালোচনা কৰা এজন ব্যক্তিক।


তেখেতৰ বিয়োগৰ বাতিৰিয়ে গাঁও-চহৰৰ পথ, সামাজিক মাধ্যম, শিক্ষাপীঠৰ পৰা ৰাজনৈতিক মঞ্চলৈ, সৰ্বত্ৰ একে শোকৰ ধ্বনি। বুকুখনত চিনচিনীয়া ব্যথা উপলব্ধ হৈ আছে যেন কোনোবাই কলিজাৰ এটা অংশ ছিঙি লৈছে। কিমান কান্দিলেও উভতি নাহে এই বেদনাই অসমবাসীক একত্ৰিত কৰি শোকত মিলাই দিলে। যদিও জীৱনৰ যাত্ৰা থমকি গ'ল, মাত্ৰ দেহ হে ধূলিৰ মিলি যাব কিন্তু তেখেত আমাৰ হৃদয়ত জীয়াই থাকিব অমৰ হৈ চিৰদিন চিৰকালোলৈ।

জুবিন গাৰ্গৰ গানবোৰে যুগে যুগে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। তেওঁৰ কণ্ঠত ভৰা প্ৰেম, সাহস, বিদ্ৰোহ আৰু মৰম সদায় প্ৰতিধ্বনিত হ'ব। অসমবাসীৰ বাবে তেওঁ এক জীৱন্ত স্মৃতি, যি কালক্ৰমেও মলিন হ'ব নোৱাৰে। তেওঁ এট ধ্বনি, এটা অনুভৱ। সেই অনুভৱ সদায় অমৰ হৈ থাকিব।

অসমক বিশ্বমানচিত্ৰত লৈ যোৱা শিল্পী হিচাপে জুবিন গাৰ্গে অসমবাসীক দিছে গৰ্বৰ এক নতুন ৰূপ। অসমীয়া ভাষা, সংস্কৃতিত তেখেতৰ অৱদান অবিহনে অসম্পূৰ্ণ। বলিউডৰ পৰা টলিউডলৈ, দেশৰ পৰা বিদেশলৈ সকলোতে তেখেতৰ সুৰৰ ঝংকাৰ বিদ্যমান।

জুবিন গাৰ্গ মাথোঁ এটা সাধাৰণ নাম নহয়, নহয় মাথোঁ এজন সাধাৰণ মানুহ ই অসমীয়া জাতিৰ গৌৰৱৰ প্ৰতীক।

অসমীয়াৰ চকুৰ মণি সোণৰ টুকুৰা। এটা যুগৰ অন্ত হ'লেও এটা নতুন যুগৰ আৰম্ভণি জুবিন গাৰ্গৰ সুৰত সজীৱ হৈ থাকিব। তেওঁ যোৱা নাই, তেওঁ আছে গীতৰ প্ৰতিটো সুৰত, প্ৰতিটো হৃদয়ত। তেওঁৰ গানেই হ'ব আগন্তুক প্ৰজন্মৰ প্ৰেৰণা, সাহস আৰু স্বপ্নৰ পথদৰ্শী।



কিছুমান মৃত্যু মানি ল'ব নোৱাৰোঁ। যদিও মৃত্যু এক চিৰ সত্য। তথাপি এই বাতৰি মনে নামানে। এনে লাগে খবৰটো মিছা হওক, উৰাবাতৰি হওক। কিন্তু বাস্তৱ যে বৰ কঠিন। তেখেতৰ বিয়োগত গোটেই বিশ্বই স্তব্ধ। এই বিয়োগ মাত্ৰ দেহৰ বিয়োগ অন্তৰৰ পৰা কেতিয়াও বিয়োগ নহয়। তেখেতে গোৱাত দৰে এতিয়া ক'ব লাগে সঁচাই মৃত্যুও এতিয়া সহজ। হৃদয়ৰ সমস্ত মৰম ঢালি তেখেতলৈ অশ্ৰুঅঞ্জলি যাচিলোঁ। জুবিন দা য'তেই আছা ভালে থাকা।

"মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখী জনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰ সেৱা কৰা হয়।"

# কিংবদন্তিৰ কেতিয়াও মৃত্যু নহয়

**পৰিস্মিতা বৰুৱা**

পৃথিৱীৰ আটাইতকৈ ধনী ব্যক্তিজনেই জুবিন দা। যিয়ে কেৱল ঘটিছে মানুহ, মানুহ আৰু মানুহ...। টকা-পইচা, পদ এইবোৰ অস্থায়ী। কিন্তু আপুনি মানুহৰ লগত যি ব্যৱহাৰ কৰে, সেইয়া সদায় চিৰস্থায়ী। কিছুমান মানুহ টকাৰ ধনী, আৰু কিছুমান মনৰ ধনী, জুবিন দা আছিল মনৰ ধনী। ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰে কৈছিল, "তোমাৰ সন্মান সিমানেই হব, শেষ যাত্ৰাত তোমাৰ সহযাত্ৰী যিমান হ'ব।" এই কথাষাৰৰ সত্যতাৰ প্ৰমাণ পালোঁ জুবিন দাৰ ক্ষেত্ৰত। বিমানবন্দৰৰ পৰা সৰুসজাই ষ্টেডিয়ামলৈকে কেৱল মানুহ, মানুহ আৰু অগণন মানুহ। জুবিন দাক শেষবাৰৰ বাবে চাবলৈ অহা হাজাৰ-বিজাৰ অনুৰাগীৰ মাজত নাছিল কোনো হিন্দু, কোনো মুছলমান, কোনো খ্ৰীষ্টান। আছিল কেৱল প্ৰাণৰ শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধাঞ্জলি জনাবলৈ জনসমুদ্ৰ। জুবিন দাই এনে এখন অসমৰ সপোন দেখিছিল। জুবিন দাই কৈছিল, "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই, মই মুক্ত, ময়েই কাঞ্চনজংঘা।" জুবিন দাৰ সেই সপোন পূৰ্ণ হ'ল। অন্তিম মুহূৰ্তত হ'লেও জুবিন দাই প্ৰত্যেকজন অসমবাসীক একত্ৰিত কৰিলে।

জুবিন দা আছিল জুই, ধুমুহা, স্বাধীনতাৰ আন এক নাম। মাতৃভূমিৰ বাবে কণ্ঠ উত্তোলন কৰিবলৈ কেতিয়াও কুণ্ঠাবোধ নকৰা অসমৰ সন্তান আছিল জুবিন দা। তেওঁ জন্মভূমিত থাকি মানুহৰ বাবে গান গালে। জুবিন দাই আমাক দিলে তেওঁৰ নিভীক কণ্ঠ, নিজৰ সীমাহীন শক্তি। জুবিন দা এনে এজন মানৱীয় ব্যক্তি আছিল, যাৰ আচৰণত নম্ৰতা প্ৰতিফলিত হয়, আৰু যাৰ কৰ্মত সমাজৰ প্ৰতি দয়া আৰু দায়িত্বৰে ভৰা এখন হৃদয়ৰ প্ৰতিফলন ঘটে। জুবিন দাই টকা উপাৰ্জনতকৈ জনসাধাৰণৰ সেৱা কৰাটো বাছি লৈছিল। তেওঁ সদায় ৰাইজৰ লগত আছিল। সকলোতকৈ ওপৰত আছিল জুবিন দাৰ কণ্ঠ। সমাজৰ বাবে গুৰুত্বপূৰ্ণ বিষয়ত সদায় তেওঁ নিজৰ মনৰ কথা ভয় নোহোৱাকৈ কয়, আৰু সেই সততাই তেওঁৰ শক্তিশালী ব্যক্তিত্বক প্ৰতিফলিত কৰে। এনে ব্যক্তি জনজীৱনত আটাইতকৈ বিৰলৰ পৰা বিৰল!


জুবিন দা আমাৰ আৱেগ। সৰুৰে পৰা আমি তেওঁৰ কণ্ঠ শুনি ডাঙৰ হৈছোঁ। সুখ-দুখৰ লগত জড়িত তেওঁৰ প্ৰতিটো গান, যাৰ সুৰত আছিল অসমৰ আত্মাৰ স্পন্দন। ডেকাৰ পৰা বৃদ্ধলৈ, সকলো গুণমুগ্ধ—যাৰ কণ্ঠত আছিল এক সন্মোহনী মায়া। গীতৰ লগতে জুবিন দা আছিল কিতাপৰ আজন্ম প্ৰেমিক। তেওঁ প্ৰচুৰ অধ্যয়নশীল আছিল। তেওঁ কৈছিল, "কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে।" সঁচাকৈয়ে, একবিংশ শতিকাত এখন সমাজ বা জাতিক আগুৱাই নিয়াৰ বাবে ইয়াৰ নাগৰিকসকলৰ বাবে জ্ঞান আৰু শিক্ষা অত্যন্ত গুৰুত্বপূৰ্ণ।

আমি যি হেৰুৱালো, সেইয়া শব্দৰে জুখিব নোৱাৰি। জনসমুদ্ৰ আৰু লক্ষজনৰ চকুলোৱে প্ৰমাণ কৰিলে—জুবিন দা মানুহৰ কিমান আপোন। আজি হয়তো তেওঁৰ কণ্ঠ নিস্তব্ধ হৈ পৰিল, কিন্তু তেওঁৰ সুৰবোৰ প্ৰত্যেকজন অসমীয়াৰ হৃদয়ত বাজি থাকিব। তেওঁৰ গীতৰ জৰিয়তে বিয়পাই দিয়া প্ৰেম আৰু ঐক্যক আমি সকলোৱে আগুৱাই লৈ যাব লাগিব। জুবিন দাৰ মৃত্যু হোৱা নাই, তেওঁ এতিয়াও আমাৰ হৃদয়ত, আমাৰ মনত জীয়াই আছে। চিৰকালৰ বাবে অসমৰ ইতিহাসত লিখা এটি সোণালী শব্দ- জুবিন গাৰ্গ। জুবিন দাৰ সততা, স্পষ্টবাদিতা, সাহসীকতা, অসমৰ প্ৰতি থকা তেওঁৰ প্ৰেমে আমাক চিৰদিনৰ বাবে অনুপ্ৰাণিত কৰিব। স্মৃতিৰ পৰশত চিৰকাল চিৰদিন হৈ ৰব জুবিন দা, মানুহৰ হৃদয়ে হৃদয়ে, অসমীয়াৰ প্ৰাণে প্ৰাণে অমৰ।

# সুৰৰ আকাশত জুবিনৰ জোনাক

**দেৱজিত বৰুৱা**

অসমীয়া সংগীতৰ আকাশত কিমান নক্ষত্ৰ উজ্জ্বল হৈছে, ইয়াৰে বহু উজলি উঠি পুনৰ ম্লান হৈ গৈছে—ইতিহাসেই তাৰ সাক্ষী। কিন্তু কিছু নক্ষত্ৰ আছে যিবোৰ উজ্জ্বল হৈ ম্লান হোৱাৰ আগতেই এক অম্লান আলোকেৰে জনমানসত শাশ্বত হৈ থাকে। সেইৰ নক্ষত্ৰৰ অন্যতম আছিল জুবিন গাৰ্গ। তেওঁৰ নাম উচ্চাৰণ হ'লেই অসমীয়া মানুহৰ হৃদয়ৰ এক বিশেষ সুৰ বাজি উঠে। জুবিন গাৰ্গ কেৱল এজন গায়ক নাছিল, তেওঁ আছিল জীৱনটোৰ প্ৰতিটো স্পন্দনক সুৰত মিলোৱা এজন সংগীত-সাধক। তেওঁৰ জন্ম আৰু জীৱনৰ সূচনা যদিও সাধাৰণ পৰিয়ালৰ পৰা, কিন্তু যি প্ৰতিভা তেওঁৰ অন্তৰত আছিল, সেই প্ৰতিভাই তেওঁক গোটেই অসম, উত্তৰ-পূৰ্বাঞ্চল আৰু সমগ্ৰ ভাৰতবৰ্ষৰ পৰা বিশ্বৰ বহু খ্যাতিমান শিল্পী পৰ্যন্ত উজলি উঠিছিল।



অসমীয়া মানুহে জুবিনক কেৱল এজন গায়ক হিচাপে নহয় তেওঁক এক জীৱন-পথৰ দিশদৰ্শক হিচাপে গ্ৰহণ কৰিছিল। আনন্দৰ সময়ত, দুখৰ মুহূৰ্তত, বা নৱীন আশাৰ বাটত—যিকোনো অনুভৱত, জুবিনৰ গীতৰ পৰা মানুহে নিজৰ ভাষা বিচাৰি পাইছিল। বহু অনুৰাগীয়ে হয়তো কেতিয়াও তেওঁক ব্যক্তিগতভাৱে লগ পোৱা নাছিল, কিন্তু তেওঁৰ অস্তীত্ব নিজৰ ঘৰৰ মানুহৰ দৰে অনুভৱ কৰিছিল। জুবিনৰ কথা ভাবিলেই যেন আমাৰ মনত সদায় ওখ ইউকেলিপ্টাছ গছৰ প্ৰতিকৃতি ভাঁহি আহে। সাধাৰণ মানুহে সেই গছৰ শাখা চুই চাব নোৱাৰিছিল যদিও ঢলি পৰিবও দিব নোৱাৰিছিল। জুবিনৰ ক্ষেত্ৰতো তেনেকোৱাই হৈছিল। তেওঁ অগণন অনুৰাগীৰ ৰাগ আৰু মৰমৰ মাজত এক বিশেষ ভাৱে আছিল।

মানুহৰ দৃষ্টিত জুবিন দা আছিল মঞ্চৰ ওপৰত সদায় উজ্জ্বল, আলোকিত পৰিমল, হাতত মাইক্ৰোফোন, গীতৰ তালৰ মৃদুময় লয়লাস, তাৰ মাজে মাজে দুই এক ৰসাল কথা, অনুৰাগীৰ সৈতে কৰা ধেমালি, দুই এটা উপদেশ আৰু কণ্ঠধ্বনিৰ মাজত যেন সুচিগন্ধ মনোৰমং। সেই মঞ্চৰ আঁৰতেই আছিল তেওঁৰ অনন্ত সাধনা, নিঃসঙ্গতা আৰু অন্তৰৰ গভীৰতা। জুবিনৰ ক্ষেত্ৰতো ঠিক সেইদৰে আছিল তেওঁ মাজনিশালৈ ষ্টুডিঅ'ত বহি গান ৰেকৰ্ড কৰিছিল। আন মানুহৰ দৰে তেওঁৰ ৰাতিবোৰ একে নাছিল; তেওঁৰ নিদ্ৰাহীন সময়বোৰ আছিল সুৰৰ সৈতে এক কথোপকথন। জুবিন দাৰ ৰাতি আছিল জোনাক তথা নিথৰ। তেওঁ সেই ৰাতিৰ বুকুত শব্দ শুনিছিল। ৰাতি আন্ধাৰৰ পথবোৰত জোনাকৰ খোজে খোজে তেওঁ বিৰাজমান হৈ আছিল। তেওঁ সদায় নতুন এলবাম, নতুন সৃষ্টি, নতুন সুৰৰ সন্ধানত ব্যস্ত আছিল। তেওঁৰ অন্তৰৰ গভীৰতা আটলাণ্টিক সাগৰৰ গভীৰতাৰ দৰে; তেওঁৰ ব্যাকুলতা বংগোপসাগৰৰ ঢৌৰ দৰে উত্তাল। তেওঁ সহজ, সৰল আৰু অহংকাৰ-বিহীন এজন মানুহ আছিল।

জুবিনৰ গীতত অদ্ভুত শক্তি আছিল—মানুহক একত্ৰিত কৰাৰ। একেখন মঞ্চত হাজাৰ হাজাৰ অনুৰাগীয়ে একেই সুৰত মাত বিলাই তুলিছিল। তাতে সমাজৰ ভিন্ন স্তৰৰ মানুহ আছিল, ভিন্ন ধৰণৰ চিন্তাধাৰা আছিল। কিন্তু জুবিনৰ কণ্ঠই সকলোকে একেডাল এনাজৰী সূতাৰে গাঁথিছিল। এজন শিল্পীৰ জীৱনৰ কিছুমান দুখ-দুৰ্দশা বাহিৰে দেখা পোৱা নাযায়। জুবিনৰ ক্ষেত্ৰতো তেনেকোৱাই আছিল। নিজৰ অনন্ত ব্যস্ততাৰ মাজতো তেওঁৰ বুকুত আছিল এক গভীৰ আঘাত। নিজৰ মাতৃ লগতে ভগ্নী জংকীৰ অকাল বিয়োগে তেওঁৰ অন্তৰখনত যি শূন্যতা সৃষ্টি কৰিছিল, সেই শূন্যতা কেতিয়াও পূৰণ হোৱা নাছিল। তাতেই আছিল তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডী। সেয়ে তেওঁ গাইছিল " গান এটি গোৱা না অ' মা" তেওঁ যেন বিষাদেৰে কৈছিল "বুকুখন বিষাইছে অ' মা। একেদৰে, পিতৃ কপিল বৰঠাকুৰৰ দেৱৰ কষ্ট, তথা অনুৰাগীৰ অতিৰিক্ত আশা—এই সকলোবোৰেই জুবিন দাক ভিতৰি যথেষ্ট বিষাদগ্ৰস্ত কৰি তুলিছিল। সেই ভগ্ন হৃদয়ৰ ছবি হয়তো মঞ্চত দেখা পোৱা নাযায়, কিন্তু তেওঁ নিজে সেই যন্ত্ৰণা আঁচলেৰে ঢাকি ৰাখিছিল। তথাপিও তেওঁ কেতিয়াবা দুখত কান্দি উঠিছিল।

কিন্তু অভিশপ্ত এই ১৯ ছেপ্টেম্বৰ। জুবিন দা যে আমাৰ মাজত কায়িকভাৱে আৰু নাই সেই খবৰ বিয়পি পৰা লগে লগে সমগ্ৰ অসমীয়া জাতি শোকত বুৰ গ'ল। চাৰিওফালে নি: স্তব্ধ, নীৰৱ, শোকাকুল। অসমীয়া জাতিৰ হৃদয়ৰ স্পন্দন তথা অমূল্য হীৰা এডুখৰ যেন নাইকিয়া হৈ গ'ল। অসমে হেৰুৱালে এক সম্পদ। যি সম্পদ বহু যুগ যুগ ধৰি চেষ্টা কৰিলেও যেন পুনৰ অসমে নাপায়। অসমে দেখিলে এক অভূতপূৰ্ব দৃশ্য। জুবিন গাৰ্গৰ অন্তিম যাত্ৰাত বহু জনতা জৰ্নাদন ভৰি পৰিল। এয়া কেৱল এজন গায়কৰ প্ৰতি শ্ৰদ্ধা নহয়; এয়া এক জাতিৰ প্ৰেমৰ ঘোষণা। মানুহৰ উজ্জ্বল চকুত অশ্ৰু, হাতত ফুল, মুখে মুখে জুবিনৰ গীত—এই দৃশ্যই ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব। অসমীয়াই প্ৰমাণ কৰিলে—জুবিন কেৱল এজন শিল্পী নহয়, তেওঁ অসমীয়া চেতনাৰ এক অধ্যায়। সেই দিনা ফুলৰ বজাৰত ফুলৰ অভাৱ হৈছিল। জনতাৰ প্ৰতি হৃদয়ত, প্ৰতিখন ঘৰত, প্ৰতিটো পথত আছিল শ্ৰদ্ধাৰ সোঁত। এইয়া জুবিনৰ অমৰত্ব বৰ লাভ।

শিল্পী কেতিয়াবা দেহত থাকে, কেতিয়াবা থাকে কেৱল স্মৃতিত। কিন্তু সঁচাকৈয়ে অমৰ হয় শিল্পীৰ সৃষ্টি। জুবিনৰ ক্ষেত্ৰতো সেই কথা প্ৰযোজ্য। তেওঁৰ গীত, তেওঁৰ সুৰ, তেওঁৰ প্ৰেম—এইবোৰ কেতিয়াও লুপ্ত নহ'ব। তেওঁ অমৰ হৈ থাকিব। ভূপেন হাজৰিকাৰ দৰে, জুবিন গাৰ্গো থাকিব অসমীয়াৰ চেতনা আৰু সংস্কৃতিৰ অম্লান অধ্যায় স্বৰূপে। তেওঁৰ গীতবোৰে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব; তেওঁৰ সুৰেৰে হৃদয়ৰ বনজুই জ্বলি থাকিব।

মই ব্যক্তিগতভাৱে মাথোঁ ক'ব খোজো—জুবিনে আমাৰ বাবে বহু দি গ'ল আৰু দিব খুজিছিল যদিও অলপ জিৰণি ল'ব তেওঁ বিচাৰিলে। তেওঁক শান্তিপূৰ্ণভাৱে আমি জিৰণি ল'বলৈ দিব লাগে। সময়ে সকলো নিৰ্ণয় কৰি দিব। প্ৰভু ভগৱন্ত সকলোতে বিৰাজমান। তেওঁ সকলো নিৰ্ণয় কৰিব কিন্তু আমাৰ দায়িত্ব হ'ল জুবিন ছাৰ সৃষ্টি সংৰক্ষণ কৰা, তেওঁৰ সুৰক নতুন প্ৰজন্মলৈ কঢ়িয়াই লৈ যোৱা।

আমাৰ জুবিন অমৰ জুবিন!
জয় জুবিন দা!

*লেখক-*
*বুৰঞ্জী বিভাগ, শিৱসাগৰ বিশ্ববিদ্যালয়।*




# স্তব্ধ আমাৰ সময়

**ড° পংখী প্ৰিয়া শৰ্মা**

মই নিজকে সদায় পানী বুলি কওঁ। I am water.মই shapeless হয়, মোক এই কাপটোত থ'লে কাপৰ চাইজ লম, পে-টত থ'লে পে-টৰ চাইজ লম। টেবুলত পেলাই দিলে মই টেবুলৰ চাইজ লম। আৰু মনটো আচলতে তেনেকুৱা হ'ব লাগে, পানীৰ নিচিনা। — জুবিন গাৰ্গ

মৃত্যু পৃথিৱীৰ আদিমতম বাস্তৱ। শিশু এটাই পৃথিৱীত জন্মগ্ৰহণ কৰাৰ লগে লগে সকলোৱে আনন্দ অনুভৱ কৰাৰ সমান্তৰালকৈ এই কথাও নীৰৱে অনুভৱ কৰে যে শিশুটোৰ এদিন মৃত্যুও অনিবাৰ্য। কিন্তু, পৃথিৱীত জন্ম লাভ কৰা কিছু বিশেষ ব্যক্তিৰ মৃত্যু কাহানিও নোহোৱাতো শিশুসুলভ সৰলতাৰে প্ৰাপ্তবয়স্ক ব্যক্তিসকলেও মনে -প্ৰাণে কামনা কৰে। কাৰণ, সেই বিশেষ ব্যক্তিসকলৰ অবিহনে সমাজ, সভ্যতাৰ বৰ্তমান, ভৱিষ্যত অকল্পনীয়ভাৱে অন্ধকাৰে গ্ৰাস কৰাটো নিশ্চিত। ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব বিচৰা; মোৰ কোনো জাতি নাই, ধৰ্ম নাই বুলি আজীৱন দৃঢ়তাৰে ঘোষণা কৰা মহীৰুহ জুবিন গাৰ্গো আমাৰ প্ৰতিজন অসমবাসীৰ বাবে এনে এজন অতুলনীয়, প্ৰাতঃস্মৰণীয় ব্যক্তি। অসমীয়া ভাষাৰ লগতে অন্যান্য ভালেসংখ্যক ভাৰতীয় ভাষাৰ সংগীত জগতখনক নিজৰ অপূৰ্ব কণ্ঠেৰে সমৃদ্ধময় কৰা জুবিন গাৰ্গ অসমীয়া সংগীত জগতত জ্যোতি -বিষ্ণু, ভূপেন হাজৰিকাৰ সুযোগ্য তথা অদ্বিতীয় উত্তৰাধিকাৰীস্বৰূপ। তেখেতৰ কণ্ঠই আমাৰ জীৱনৰ কোনটো স্তৰক সমৃদ্ধ কৰা নাই ? কেৰিয়াৰৰ হেঁচাত মোৰ দ্বাৰা একো নহ'ব বুলি ভাবি আশাহত হোৱাৰ সময়ত 'অ' মোৰ ৰণৰ তেজী ঘোঁৰাই' আমাক হাৰি নিদিবলৈ অনুপ্ৰাণিত কৰে। কোনো কিশোৰ বা যুৱকে নিজৰ প্ৰথম প্ৰেমৰ বৰ্ণনা বন্ধুক দিবলৈ বাচি লয় 'বান্ধৈ অ', কি ক'মনো তহঁতক? 'গীতটি। সোঁৱৰণিৰ পৃষ্ঠা লুটিয়াবলৈ ল'লে মনলৈ আহে তেখেতৰ কণ্ঠৰ 'উভতি চোৱা ধূলিয়ৰি বাটে' শীৰ্ষক গীতটি। বন্ধুত্ব উদযাপন কৰিবলৈ আমি বাচি লওঁ তেখেতৰ অতুলনীয় কণ্ঠৰ 'মনতে নো আজি কিহৰে নাচোন' শীৰ্ষক গীতটি। —এইসমূহ কেইটামান উদাহৰণ মাত্ৰ। জীৱনৰ প্ৰতিটো স্তৰত, সুখ অথবা বিষাদৰ মুহূৰ্তক সজাই তুলিছে জুবিন গাৰ্গৰ অপূৰ্ব সংগীতে। জীৱনক নৱ ৰূপত আৱিষ্কাৰ কৰিবলৈ শিকাইছে তেখেতৰ অপূৰ্ব কণ্ঠৰ গভীৰ অৰ্থবহ গীতসমূহে।

যাৰ অবিহনে অসমীয়া সংগীত জগতখনৰ অতীত, বৰ্তমান তথা ভৱিষ্যত অকল্পনীয়, সেই ব্যক্তিজনৰ হৃদস্পন্দন চিৰদিনলৈ স্তব্ধ হৈ পৰা ঘটনাটো স্বাভাৱিক কথা হিচাপে গ্ৰহণ কৰিব পৰা নাই। মৃত্যু পৃথিৱীৰ অন্যতম এক কঠোৰ বাস্তৱ যদিও যেতিয়া সেই মৃত্যু অনাকাংক্ষিত হৈ পৰে তেতিয়া বাকৰুদ্ধ হৈ পৰে প্ৰতিজন হৃদয়বান ব্যক্তি। সফলতাৰ শৃংগত আৰোহণ কৰিও চিৰদিন সাধাৰণ জনগণৰ বাবে সৰ্বস্ব বিলাই দিবলৈ সদাপ্ৰস্তুতত এক মহৎ অনুষ্ঠান স্বৰূপ ব্যক্তিজনৰ মহাপ্ৰস্থানক স্বাভাৱিকভাৱে মানি ল'ব নোৱাৰি। জীৱনত কাৰো পদলেহন নকৰা বিৰল ব্যক্তিত্ব জুবিন গাৰ্গৰ অবিহনে এতিয়া অন্ধকাৰ আমাৰ সময়। তেখেতৰ অনুপস্থিতি যে কেতিয়াও পূৰ্ণ নহয় এই কথা হৃদয়ংগম কৰি বিধ্বস্ত আমি। এই গভীৰ দুখবোধ, আশা ভংগ সময়ৰ সমাপ্তিৰ পৰিসীমা? সমাপ্তিবিহীন...আমৃত্যু পৰ্যন্ত।




# বলিৰ পঠা হ'ল নেকি জুবিন গাৰ্গ?

**ভাস্কৰজ্যোতি কুটুম**

অসমৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গ মানে প্ৰতিজন অসমীয়াৰ হৃদয়ে হৃদয়ে গুঞ্জৰিত সংগীতৰ সপ্তস্বৰ। কিন্তু অসমীয়া সম্পদ জুবিন গাৰ্গ একাংশ মানুহৰ বাবে শত্ৰু হ'ল। যাৰবাবে জুবিনক অসমীয়া সমাজত বেছি দিনলৈ জীয়াই থাকিব নিদিলে। আন বাদে দিয়া, গাতে ছাঁটোৰ দৰে সদায় লাগি থকা বন্ধুৱে হত্যা কৰি বুলি অভিযুক্ত হৈছে। নহ'লেনো কিয় জুবিনৰ শেষ যাত্ৰাত সংগী হ'ব নোৱাৰিলে? সন্দেহ কৰা মতে সঁচা হোৱাৰ বাবে বন্ধুজনে জীৱনৰ শেষ সময়তো সংগ দিবলৈ সাহস কৰিব নোৱাৰিলে। তদুপৰি নৰ্থ ইষ্ট ফেষ্টিভেলৰ মালিক তথা আয়োজকে গুৰুত্বহীন কৰিলে। কিয়নো মালিকৰ লগতে আয়োজক সমিতিয়েই জুবিন গাৰ্গৰ দুৰ্ঘটনাৰ খবৰ পোৱাৰ বহু ঘণ্টালৈ ব্যৱসায়িক সভাতেই ব্যস্ত থাকিল। যদিহে জুবিনৰ মূল্য ব্যৱসায়তকৈ অধিক বুলি ভবা হ'লে জুবিন আজি সমাজত জীয়াই থাকিলে হয়। এইটো উল্লেখনীয়, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মালিকে নিজক জুবিনৰ ভাল বন্ধু বুলি ৰাজহুৱাকৈ দাবী কৰি আহিছে। কিন্তু স্বাৰ্থপৰ বন্ধুৰ বাবে জুবিন গাৰ্গৰ দৰে অসমৰ সম্পদ বিশেষ গুৰুত্বপূৰ্ণ নহয়। তেওঁলোকে নিজৰ ব্যৱসায় অধিক শক্তিশালী কৰিবলৈ কেৱল অসম, অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ লগতে সম্পদো বিক্ৰী কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকে আকৌ মানুহক দেখুওৱাবলৈ এইয়া অসমীয়া গামোচা, এইজনাই অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰব জুবিন গাৰ্গ বুলি চিঞৰি চিঞৰি ক'বলৈয়ো ভয় নকৰে। এইয়া যে, তেওঁলোকৰ কেৱল ব্যৱসায়িক উন্নত কৰাৰ এটা প্ৰক্ৰিয়া সকলোৱেই ভালদৰে বুজি পাইছে। এইটো জুবিন গাৰ্গৰ মৃত্যুৱেই প্ৰমাণিত কৰিলে। যাৰফলত আজি সমগ্ৰ অসম জুবিন গাৰ্গ হেৰুৱাৰ আবেগত কান্দি থকাৰ সময়ত তেওঁলোকে বৰ্তমানো বিদেশত বিলাসী জীৱন কটাইছে বুলি অসমবাসীয়ে সন্দেহ কৰিছে। এতিয়া প্ৰশ্ন হৈছে যদিহে লুইতকণ্ঠ জুবিন গাৰ্গক পৰিকল্পিত ভাৱেই হত্যা কৰা নাই তেতিয়া হ'লে, বিদেশত নাথাকি শেষকৃত্য অনুষ্ঠানত অংশগ্ৰহণ কৰা নাই কিয়? যদিহে সঁচা অন্তৰেৰে জুবিন গাৰ্গক ভালেই পাইছিলে তেতিয়া হ'লে বন্ধুৰ শেষ সময়ত থাকিব নালাগিছিল নে? কিন্তু তেওঁলোকক একো একোজন স্বাৰ্থপৰ।

তদুপৰি বিভিন্ন ধৰণৰ প্ৰশ্নৰ মাজত অন্যতম হৈছে, জুবিন গাৰ্গে তেওঁলোকক কি অপকাৰ কৰিলে? অমৃতকণ্ঠ জুবিন গাৰ্গৰ সম্পত্তি হৰলুকী কৰাৰ কথা জুবিন গাৰ্গে লাহে লাহে জানিছিল বা জানিব বুলি সন্দেহ কৰিছিল। এইকাৰণে জুবিন গাৰ্গৰ বন্ধুৱে ৰাস্তাৰ পৰা চিৰদিনলৈ আঁতৰোৱাৰ পৰিকল্পনা কৰিলে বুলি সন্দেহ কৰিছোঁ। ইয়াৰ প্ৰমাণ চকুৰ আগত। যাৰফলত প্ৰতিটো মুহূৰ্তত ছাঁটোৰ দৰে লাগি থকা বন্ধুৱে চিকিৎসকৰ পৰামৰ্শকো আওকাণ কৰি পানীত নামিব দিয়া ভিডিঅ' বহুলভাৱে প্ৰচাৰিত হোৱা দেখিবলৈ পাইছোঁ। অসমৰ ৰাইজৰ এটাই সন্দেহ বন্ধুৱে নিজে বিচৰা সপোনবোৰ সহজে বাস্তৱ ৰূপ দিব পৰাকৈ পৰিকল্পিত ভাৱে হত্যা কৰিলে। অন্যথা জুবিন তেওঁলোকৰ বাবে বাটৰ কাঁইট হৈয়েই থাকিব। এইকাৰণে হাৰ্টথ্ৰব জুবিন গাৰ্গক বিশাল সাগৰত নামিবলৈ বাধ্য কৰায়। তদুপৰি সামাজিক মাধ্যমত বহুলভাৱে প্ৰচাৰিত বাৰ্তালাপেও প্ৰমাণিত কৰিছে যে, হাৰ্টথ্ৰব, অমৃতকণ্ঠ জুবিনক পৰিকল্পিত ভাৱেই হত্যা কৰা হৈছে। কিন্তু আইনে হত্যাকাৰীক উপযুক্ত শাস্তি বিহিব নে? এইয়া অসমবাসীৰ বাবে ডাঙৰ প্ৰশ্ন হৈছে।

অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰব জুবিন গাৰ্গক স্বাৰ্থপৰ বন্ধুৱে হত্যা কৰিলে। শিশুসুলভ জুবিন গাৰ্গ বন্ধুৰ বলিৰ পঠা সজালে। এইটো অসমৰ ৰাইজে ভালদৰে বুজি পাইছে। এইকাৰণে অসমবাসীৰ এটাই দাবী হত্যাকাৰী বন্ধুক উচিত শাস্তি প্ৰদান কৰিব লাগে। অন্যথা ভৱিষ্যৎ দিনটো জুবিন গাৰ্গৰ মৃত্যুৰ ডাঙৰ প্ৰশ্নবোধক হৈ থাকিব। সকলোৱে এটাই কথা জুবিন গাৰ্গ ন্যায় পাব লাগে। যদিহে অপৰাধীক শাস্তি প্ৰদান নকৰে তেতিয়া হ'লে ভৱিষ্যৎ দিনটো বহু স্বাৰ্থপৰ বন্ধুৰ হাতত বহু বন্ধুৰ বলিৰ পঠা হৈয়েই থাকিব।



# কিমান কান্দিম আৰু?

**চন্দ্ৰ শেখৰ পৰাজুলী**

গোটেই বিশ্বৰ ভিতৰতে চতুৰ্থ সৰ্ববৃহৎ জুবিন দাদাৰ শেষযাত্ৰাৰ সহভাগি হৈ এক অনন্য বিশ্ব অভিলেখ গঢ়িলে। জুবিন দাদাৰ অনুৰাগী সকলৰ মাজত কেৱল এক কৌতূহল। কেনেকৈ ইমান অতি সোনকালে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে চিৰবিদায় ক'বলৈ বাধ্য কৰালে নিয়তিয়ে। নিয়তিৰ ন্যায়িক ব্যৱস্থাবোৰ সচাকৈ বৰ নিষ্ঠুৰ নেকি? যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা কেৱল মাথোঁ উজাগৰে আছে অসম তথা গোটেই বিশ্ববাসী। আকাশে, বতাহে চৌদিশে কেৱল মাথু বাজি আছে আপোনাৰে এক অন্যতম প্ৰিয় সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত.......'। জুবিন দাদা আপুনিতো অসুস্থ দেহাৰ প্ৰতিও অকণমানো খাতিৰ নকৰাকৈ সাগৰ তলিত শুই থাকিল। আচলতে আপোনাৰ ব্যক্তিত্বয়ে আমি সকলোবোৰ মানুহতকৈ বহু পৃথক। নিৰ্ভিক, আৰু স্পষ্টবাদী ব্যক্তিত্বৰ অধিকাৰী আছিল আপুনি। তথাপিও অকণমান আপোনাৰ প্ৰিয়জনৰ কথাবোৰ ভাবি আপুনি যদি নিজকে কিছু সংযম কৰি ৰাখিলেহেতেন? হয়তো আজি আপোনাক আমাৰ মাজত এক জীৱিত সত্তৰ ৰূপত আৰু কিছুদিনৰ বাবে হলেও এক অন্যান্য অনুষ্ঠানৰ ৰূপত পূজিত কৰি ৰাখিবলৈ যত্ন কৰিলোঁ হয়। দাদা আপোনাক জীৱিত অৱস্থাত আমি বিশ্ববাসীয়ে আপোনাক যিমান মান, মৰ্যাদা, সন্মান, আদৰ, মৰম আদি প্ৰদান কৰি যাব লাগিছিল হয়তো তাৰ পৰা আপুনি সদায় বঞ্চিত হৈ ৰল যেন মোৰ অনুভৱ হয়। তথাপিও ইয়াৰ পৰৱৰ্তী পৰ্যায়ত মই অসম তথা বিশ্ববাসীলৈ এক অনুৰোধ জুবিন দাদাৰ মৃত্যুৰ নামত আৰু কোনেও যাতে কতো ৰাজনীতি কৰিবলৈ ওলাই অহা দেখা নাপাওঁ। কাৰণ জুবিন দাদা আমাৰ বাবে কিমান অমূল্য সম্পদ আছিল আজি তেওঁৰ মৃত্যুৰ সময়ত গোটেই বিশ্ববাসী উপলব্ধি কৰিবলৈ বাধ্য হৈছে। এজন সাধাৰণ মানুহে কেৱল মাত্ৰ ৫৩ বছৰৰ ভিতৰত ৩৮ হেজাৰতকৈ অধিক গানত সুৰ প্ৰদান কৰা ইয়ো এক অন্যতম অভিলেখ। জুবিন দাদায়ে অসম তথা বিশ্ববাসীৰ বাবে বহু অন্যান্য উপহাৰ সমূহ দি থৈ গল। যিবোৰ হয়তো চিৰযোগমীয়া হৈ প্ৰতিটো মানুহৰ অন্তৰে অন্তৰে সদায় বাজি থাকিব। কিন্তু জুবিন দাদাক আমি জীৱন কালত উচিত মৰ্যাদা প্ৰদানৰ পৰা সচাকৈ বঞ্চিত কৰি ৰাখিলোঁ নেকি বাৰু? দাদা কিমান কান্দিম আৰু...। আমাৰ চকুৰ টোপালবোৰত আপোনাৰে ছবি ভাহি আছে মাথোঁ। বিদায় জুবিন দা বুলি কওঁতো কওঁ কেনেকৈ? শব্দ যদি থাকিলে হয় নিশ্চয় লিখি পেলালোঁ হয় দাদাৰ শেষ শয্যাৰ গান। কিন্তু গানবোৰ আজি নিজেই গানৰ মাজত আৱদ্ধ। আৰু কোন বা আহিব, আহিব নে নাহে এই আই মাতৃ অসমত আবদ্ধ গানবোৰক পুনৰ এবাৰ প্ৰাণ প্ৰদান কৰিবলৈ?

# অনন্য জীৱনৰ ৰূপ ঃ জুবিন

**ড° আৰ কে বেজবৰুৱা**

যোৱা পাঁচটা দিনত অসমৰ ৰূপ পৃথিৱীৰ যিয়ে দেখা পাইছে, সিয়েহে উপলব্ধি কৰিব পাৰিছে জুবিন নামৰ গায়ক এজনে এখন দেশৰ মানুহক কিদৰে সন্মোহিত কৰি ৰাখিছে। জুবিন জানো এজন গায়ক আছিল? নহয়। বহুবোৰ ৰূপৰ সমাহাৰ ঘটিছিল এজন মানুহৰ মাজত। গীত ৰচনা, কবিতা লিখা, সংগীতক অতি উচ্চ স্তৰলৈ লৈ যোৱা, চিত্ৰনাট্য প্ৰস্তুত কৰা, কথাছবি প্ৰযোজনা-পৰিচালনা-আৰু তাৰ মাজত অভিনয় কৰা সকলোবোৰ আছিল এজন মানুহৰ সত্তাত। যি সত্তাই ভ্ৰূক্ষেপ কৰা নাছিল কাৰো সমালোচনালৈ। যাকে যি পাই কৈ দিব পাৰিছিল ৰাজহুৱা মঞ্চত। সহায় কৰিছিল মানুহক, আপডাল কৰিছিল কষ্টত থকা পশু-পক্ষীক। কিন্তু সেই প্ৰতিভাটো হেৰাই গ'ল, বিদেশৰ সাগৰৰ বুকুত। অসমৰ মানুহে প্ৰথমতে বিশ্বাস কৰা নাছিল। জুবিন তেনেকৈ মৰিব নোৱাৰে। সঁচা কথা - অসমীয়াৰ হৃদয়ৰ ধন জুবিনৰ তেনেকৈ মৃত্যু হব বুলি কোনেও ভাবিব নোৱাৰে। কিন্তু তাক অস্বীকাৰ কৰাও সম্ভৱ নহয়।

সামাজিক মাধ্যমেই হওক বা টেলিভিচনৰ পৰ্দাত, সময়ে সময়ে আমি বানপানীৰ ঢল দেখিছোঁ। ছুনামি দেখিছোঁ। কিছুমান দিনৰ পৰাই উত্তৰ ভাৰতৰ পাহাৰবোৰ খঁহি নামি অহা পানী-বালিৰ লগতে গাড়ী-মটৰ সকলো সামৰি হোৱাহোৱে নামি অহা ঢলো দেখিছোঁ। কিন্তু জুবিনৰ নশ্বৰ দেহ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা ওলাই অহাৰ লগে লগে ৰাজপথত মানুহৰ যি ঢলৰ সৃষ্টি হৈছিল সি ছুনামিয়ে সৃষ্টি কৰা ঢলতকৈ অধিক বেছি। সেয়াই জুবিন, জুবিনৰ জনপ্ৰিয়তা। বৰ্তমান 'জেন জি'ৰ কথা সৰ্বত্ৰে চৰ্চিত হৈ আছে। জুবিনৰ পিছে পিছে বৈ যোৱা জনতাৰ ঢল 'জেন জি'ৰ বুলি ক'ব পাৰি। কিন্তু সেয়া নহয়। জেন এ', জেন ৱাই আৰু জেন আলফা সকলোৱে মিলি জনতাৰ ঢৌৰ সৃষ্টি হৈছিল। হয়তো তাৰ মাজত বেবী বুমাৰো দুই এজন ওলাব।

সেয়াই মানুহৰ আবেগ। মৰমৰ মানুহ এজনক শেষ বাৰৰ বাবে দৃষ্টিত সমাহিত কৰিবলৈ, কাষৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ স্বতঃস্ফূৰ্তভাৱে এনেদৰে ওলাই অহাটো এটা সাংঘাতিক আবেগ। দেশখনৰ দোকান-পোহাৰ বন্ধ কৰি সকলো মানুহেই জুবিনৰ প্ৰতি মৰম আৰু শ্ৰদ্ধা যাচিছে। অসমীয়াৰ (জাতি, ধৰ্ম, বৰ্ণ, ভাষাৰ সন্দেহৰ অৱকাশ নোহোৱাকৈ ) সেয়াই প্ৰকৃত পৰিচয়। জুবিনৰ মৃত্যুৱে যেনেকৈ সকলোকে শোক সাগৰত বুৰাই পেলালে, তাৰ বিপৰীতে জুবিনৰ মৃত্যুৱে অসমীয়া জাতিটোক একত্ৰিত কৰি পেলালে। হ'ব পাৰে সেয়া শোকৰ স্থান, হ'ব পাৰে সেয়া মৃত্যুৰ থলি। জীৱিত জুবিনে হয়তো অসমীয়া মানুহক তেনেকৈ একত্ৰিত কৰিব পৰা নাছিল। কিন্তু মৰাৰ পিছতো জুবিনে অসমীয়াৰ বাবে ডাঙৰ কাম এটা কৰি গ'ল। সেই বাবেই জুবিন এক শক্তি। এটা আন্দোলন।

তেনেকুৱা ক্ষেত্ৰতো বৈ যায় কিছুমান ত্ৰুটি। জুবিনৰ মৃত্যুক লৈয়ো বহুতে আবেগৰ খেল আৰম্ভ কৰিছে। কিছুমান মানুহৰ চিন্তাই হৈছে - ক'ত, কেনেদৰে, কি আবেগৰ সৃষ্টি কৰি মানুহক ব্যৱহাৰ কৰিব পৰা যায়? কেনেকৈ কিছুমান কথাৰে মানুহৰ মনত ভ্ৰান্ত ধাৰণাৰ সৃষ্টি কৰি নিজৰ লাভালাভৰ হিচাপ কৰিব পৰা যায়?

প্ৰথমতে চৰকাৰৰ কথাকে ক'ব পাৰি। অসমৰ মুখ্যমন্ত্ৰীজনে সকলো কাম পেলাই থৈ দিল্লীত গৈ বৈ আছিল জুবিনৰ নশ্বৰ দেহ আদৰি ল'বলৈ। বিদেশৰ মাটিৰ পৰা জুবিনৰ দেহ নিজৰ পৰিয়ালৰ হাতত তুলি দিয়ালৈকে অসমৰ মুখ্যমন্ত্ৰীজনে কি কৰি আছে তাক সকলোৱে দেখা পাইছে। তাৰ পিছতো কিছুমান মানুহে 'ভি আই পি'ৰ প্ৰসংগ উত্থাপন কৰিছে। অসম চৰকাৰৰ মুৰব্বী হিচাপে দিল্লীৰ পৰা জুবিনৰ শৰীৰ আদৰি অনাত 'নাটক' দেখা পোৱা ব্যক্তিও আছে। চৰকাৰ কাম নিকৃষ্ট, ঘৃণনীয় আৰু অল্পমতি আখ্যাৰে বিভূষিত কৰা মানুহো আছে।

এই শোকবিহ্বল সময়ত মুখ্যমন্ত্ৰীয়ে কোৱা (জুবিন চৰকাৰী মানুহ নহয়........ ) কথাক বিকৃত কৰা নিউজ চেনেলো আছে। আৰু আছে গৰীমা গাৰ্গৰ চৰিত্ৰৰ প্ৰতি আঙুলি টোৱোৱা মানুহ।

সকলো কাম নিয়াৰিকৈ চলি থকাৰ মাজতে আছে লুৰিণ জ্যোতি গগৈ আৰু অখিল গগৈৰ অদ্ভুত আদৰ্শবাদী চিন্তাও আছে। তাক সমৰ্থন জনাবলৈ জাক জাক মানুহো আছে। কিছুমানৰ প্ৰৰোচনাত ওলোটা খৰ মৰা মানুহ সকলোতে থাকে।

শ্যামকানু মহন্ত ঠগ, প্ৰবঞ্চক আৰু চৰকাৰৰ ধনেৰে নৰ্থ ইষ্ট ফেষ্টিভেল পাতি মুনাফা লুটা মানুহ বুলি কোৱা মানুহ আজি ওলাইছে। ইমানখিনি জনাৰ পিছতো তেনে সৰ্বজান্তাসকল দিনলৈ মনে মনে থাকি আজি সৰৱ হোৱাৰ কাৰণ নিশ্চয় সুবিধা আহৰণ বা নিজে বৰমানুহ হোৱাৰ হাবিয়াস। বৰ্তমানৰ ছ'ছিয়েল মেডিয়াৰ পোষ্টবোৰ চাই এনেকুৱা ভাব মনলৈ আহে - প্ৰত্যেকেই জুবিনক ব্যৱহাৰ কৰি নিজৰ জ্ঞান, শংকা, দুখ, আবেগ, ভালপোৱাক শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ প্ৰতিযোগিতাত নামিছে। জুবিনক আটাইতকৈ বেছি ভালপোৱাজন বুলি প্ৰতিপন্ন কৰিবলৈ গৈ ইমান তললৈ নামিছে যে চৰকাৰক গালি পৰা, জুবিনৰ পত্নীৰ নামত অপযশ ৰটনা কৰাত সেইসকল পুৰুষ-মহিলা পিছ পৰি থকা নাই। সেই খিনিতে প্ৰশ্ন উঠে - যোৱা বছৰবোৰত জুবিনক আগুৰি থকা এনেকুৱা এচাম মানুহে কিয় তেওঁক বুজাব নোৱাৰিলে মদ খাব নালাগে বুলি? কিয় বুজাব নোৱাৰিলে চিংগাপুৰলৈ যাব নালাগে বুলি? তেনেকুৱা শিয়ালবোৰে সাগৰত নামিবলৈ যাওঁতে জুবিনক কিয় বাধা দিব নোৱাৰিলে? মঞ্চত উঠি দোৱোল খোৱা জিভাৰে অদ্ভুত কিছুমান শব্দ ক'লে ল'ৰা-ছোৱালী, ভাতৃ-ভগ্নীৰে ভৰ-পূৰ দৰ্শকে কিৰিলি পাৰি হাঁহি চাপৰি বজাইছিল। কিন্তু তেৰোঁলোক আগবাঢ়ি অহা নাছিল জুবিনক তেনেকুৱা নকৰিব বুলি ক'বলৈ। সেইচাম মানুহে হাত চাপৰি বজাই বজাই জুবিনৰ আয়ুষ যে বিশ বছৰ কমাই দিলে, সেই কথা আজি স্বীকাৰ কৰিব নে?

আবেগ আৰু শ্ৰদ্ধা লাগে। কিন্তু যি আবেগে মানুহক বিপথে পৰিচালিত কৰে, সেই আবেগ গ্ৰহণযোগ্য নহয়। বৰঞ্চ সমাজৰ বাবে অনিষ্টকাৰী হৈ পৰে। মৃত্যুৰ প্ৰকৃত সত্য পোহৰলৈ অহাটো সকলোৱে বিচাৰিছে। আবেগত সকলো পৰিচালিত কৰিবলৈ গ'লেও নহ'ব - দোকান কিয় খুলিব, সাত দিন কিয় বন্ধ নহ'ব? কোনোবাই ক'ৰবাত বহি ভাত খোৱা চাই হুলস্থুল কৰাটো জানো উচিত? তাক আবেগে চাপৰ্ট কৰে নেকি? তাতকৈ বেছি প্ৰয়োজনীয় কথা হৈছে - আবেগৰ ঢল বুকুত সাঁচি ৰাখি পুনৰ এজন জুবিন গাৰ্গ সৃষ্টিৰ বাবে সকলোৱে মনোনিবেশ কৰিব লাগিব।

এই যে আবেগৰ ঢলটো নিয়ন্ত্ৰণ কৰি মহাবাহুৰ দৰে গভীৰ-গম্ভীৰ ৰূপত বোৱাই নিলে সেই মানুহজনকো অসমীয়াই পাহৰিলে নহ'ব। নিৰ্বাচনৰ চিন্তা, খোৱা-শুৱা-জিৰণিৰ কথা পাহৰি কেৱল তেওঁ লাগি আছে জুবিন গাৰ্গ আৰু পৰিয়ালটোৰ লগত। অসমৰ ৰাইজখনৰ লগত। চাবলৈ গ'লে তেওঁ কেইজনমান আমোলা বা সহকৰ্মীক নিৰ্দেশ দিয়েই কামবোৰ কৰাব পাৰিলে হেঁতেন। কিন্তু তেওঁ তেনেকৈ নাভাবে, তেনেকৈ নকৰে। সকলো কামতে নিজকে সমৰ্পণ কৰে। নিজে দিল্লীত জুবিনৰ নশ্বৰ দেহ আদৰি লৈছে - যেন নিজৰ সহোদৰ ভাতৃৰ প্ৰতি দায়িত্ব পালন কৰিছে। শেষকৃত্যৰ সময়তো আঁঠুকাঢ়ি সেৱা কৰিছে। এজন মুখ্যমন্ত্ৰীৰ দায়িত্ববোধ, কৰ্তব্যনিষ্ঠা দেখি অসমবাসী অভিভূত হৈ পৰিছে। সেইজনেই অসমৰ সু-সন্তান, সু-প্ৰশাসক, অসমীয়াৰ অভিভাৱক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। তেৰোঁ অসমৰ ৰত্ন। তেওঁক অসমীয়াই চিৰদিন বুকুৰ মাজত ৰাখিব লাগিব। জুবিন যেনেকুৱা অসমৰ স্বাভিমান, ড০ হিমন্ত বিশ্ব শৰ্মাও অসমৰ গৌৰৱ। কোনোবাই তেওঁক বেয়া পাব পাৰে, কিন্তু তেওঁৰ কামক বেয়া পোৱা মানুহ খুবেই কম হ'ব। সময়ে সকলোকে মূল্যায়ন কৰিব।

জুবিনৰ নামত অশান্তি সৃষ্টি কৰিব খোজা মানুহৰো বিচাৰ কৰিব লাগিব। আবেগত সকলো কৰা নাযায়। আবেগক সৃষ্টিশীলতাৰ বুনিয়াদ কৰিব লাগিব। তেতিয়াহে সকলোৰ বাবে কল্যাণকাৰী ফল প্ৰাপ্তি ঘটিব। আজি জুবিনে সৃষ্টি কৰা একতাৰ ছবিখন যাতে ধূসৰ হৈ নপৰে তাৰ বাবে মনোযোগ আমিয়েই দিব লাগিব।

জুবিনৰ আত্মাই পৰম স্থান লাভ কৰক। সকলোৱে মনলৈ শান্তি ঘূৰি আহক। অনন্য জীৱন ৰূপে ভৱিষ্যতৰ পুৰুষক জুবিনে সদায় প্ৰেৰণা দি থাকিব।

## ‘মোৰ সুৰক্ষাৰ আশ্বাস

ঘৰ আছিল, আৰু সদায় থাকিব। যিসকল লোকে মোক মৰম, সন্মান আৰু জীৱিকা দিছিল, তেওঁলোক আজি দুখিত, আৰু মই তেওঁলোকৰ বেদনাত সমভাগী। নীৰৱতাক ভুল বুজিব পাৰে। কিছুমান লোকে ভাবে যে যদি মই একো নকওঁ বা লগে লগে ঘূৰি নাহোঁ, তেন্তে ইয়াৰ অৰ্থ হ'ব যে মই কিবা ভুল কৰিছোঁ। সেইবাবেই মই এই চিঠিখন লিখিছোঁ। মই সকলোকে জনাব বিচাৰোঁ যে মোৰ লুকুৱাবলৈ একো নাই। মই পলাই যোৱা নাই। মোৰ সুৰক্ষাৰ আশ্বাস আৰু সত্য দাঙি ধৰাৰ এক উচিত সুযোগ পোৱাৰ লগে লগে, মই গুৱাহাটীলৈ আহিম আৰু SIT তথা ৰাইজৰ আগত মোৰ পক্ষ দাঙি ধৰিম। ১৯ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে North East Festival'ৰ বাবে ছিংগাপুৰত থকা অৱস্থাত, আমাৰ জ্যেষ্ঠ ভাতৃ, জুবিন দা, সাঁতুৰি থাকোঁতে এক শোকাৱহ দুৰ্ঘটনাত পতিত হয়। মই ঘটনাৰ আগত আৰু পিছত তেওঁৰ লগতে আছিলোঁ, তেওঁক সহায় কৰিবলৈ সকলো চেষ্টা কৰিছিলোঁ, আৰু তাৰ পিছত তেওঁক ভাৰতলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰিছিলোঁ। বিভিন্ন মাধ্যমে অতি সোনকালে মোক দোষী সজাবলৈ আৰম্ভ কৰিলে, আৰু মই মৃত্যুৰ ভাবুকি, ঘৃণাভৰা বাৰ্তা আৰু গালি-গালাজ পাবলৈ ধৰিলোঁ। বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ লোকে মোক গুৱাহাটীলৈ আহিবলৈ বাধা দিছিল, আৰু মই দিল্লীত থাকিবলৈ বাধ্য হৈছিলোঁ। তেওঁক হেৰুৱাই মোৰ হৃদয়ত এনে এক শূন্যতাৰ সৃষ্টি হৈছে যি কেতিয়াও পূৰণ নহ'ব। কিন্তু তাতোকৈয়ো মোক ভাঙি পেলাইছে তেওঁৰ লগত আহিব নোৱাৰা, তেওঁৰ শেষকৃত্যত উপস্থিত থাকিব নোৱৰা আৰু পৰিয়ালৰ কাষত থিয় দিব নোৱৰাটোৱে। মই অসহায় আৰু স্তম্ভিত, কিয়নো মোৰ গোটেই পৃথিৱীখন সলনি হৈ গৈছে। যোৱা সপ্তাহত অনলাইন আৰু টেলিভিছনত বিয়পি পৰা উৰাবাতৰি, গালি-গালাজ আৰু ভাবুকিবোৰ দেখি মই স্তম্ভিত আৰু দুঃখিত হৈছোঁ। কিছুমানে সেইদিনা মোক অৱহেলাৰ অভিযোগ দিছে; আন কিছুমানে দাবী কৰিছে যে মই জুবিন দাৰ নাম আৰু ধন ব্যৱহাৰ কৰি টকা লুকুৱাইছোঁ বা ব্যৱসায় গঢ়ি তুলিছোঁ। আনকি কিছুমানে কৈছে যে মই জুবিন দাৰ কপিৰাইট ৰয়েল্টি লাভ কৰিছোঁ আৰু এতিয়া ইয়াৰ একমাত্ৰ মালিক হ'ম। এই অভিযোগবোৰ সম্পূৰ্ণ মিছা। মই তেওঁৰ বিশ্বাস বা তেওঁৰ ধনৰ কেতিয়াও অপব্যৱহাৰ কৰা নাই, আৰু মই কৰ্তৃপক্ষ আৰু তেওঁৰ পৰিয়ালৰ আগত প্ৰতিটো টকাৰ হিচাপ দিবলৈ সম্পূৰ্ণ সাজু আছোঁ। কপিৰাইট আৰু ৰয়েল্টিৰ বিষয়ে সত্যটো হ'ল: তেওঁ ৰেকৰ্ড কৰা ৩৮, ০০০ গানৰ বেছিভাগেই সম্পূৰ্ণৰূপে আন মিউজিক লেবেল আৰু প্ৰডাকচন হাউচৰ মালিকানাধীন। তেওঁ নিজে তেওঁলোকৰ পৰা এককালীন গায়কৰ মাননি হিচাপে কেইহেজাৰমান টকাৰ বাহিৰে কেতিয়াও কোনো ধন লাভ কৰা নাছিল। তেওঁৰ প্ৰায় সকলো হিট গানকে ধৰি এইবোৰৰ বেছিভাগ গান মই তেওঁৰ জীৱনত অহাৰ আগতেই ৰেকৰ্ড কৰা হৈছিল। জুবিন দাই মোক প্ৰায়ে কৈছিল কিদৰে মানুহে তেওঁক ব্যৱহাৰ কৰিছিল — কিদৰে তেওঁৰ গানে কোটি কোটি টকা উপাৰ্জন কৰাৰ পিছতো তেওঁ অসমৰ প্ৰযোজক বা মিউজিক লেবেলৰ পৰা কোনো ৰয়েল্টি পোৱা নাছিল। যিকোনো ব্যক্তিয়ে সেই প্ৰযোজক আৰু লেবেলসমূহৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰি এই কথাটো পৰীক্ষা কৰিব পাৰে। ২০২১ চনত, তেওঁ তেওঁৰ শেষৰ ফালৰ কিছুমান সৃষ্টিৰ মালিকীস্বত্ব নিজৰ লগত ৰাখিব বিচাৰিছিল, আৰু সেইবাবেই ‘জুবিন গাৰ্গ মিউজিক LLP’ গঠন কৰা হৈছিল। এইটোৱেই আছিল প্ৰথম আৰু একমাত্ৰ ব্যৱসায় য'ত আমি দুয়ো অংশীদাৰ আছিলোঁ। এই প্ৰতিষ্ঠানৰ অধীনত আমি ২০টাতকৈয়ো অধিক গান মুকলি কৰিছোঁ, য'ত মুঠ বিনিয়োগ আছিল প্ৰায় ১০ লাখ টকা, আৰু তাৰে ৬ লাখ টকা তেওঁ বিনিয়োগ কৰিছিল। এই গানবোৰৰ পৰা হোৱা revenue প্ৰতি মাহে মাত্ৰ কেই হাজাৰমান টকা। প্ৰতিটো টকা কোম্পানীৰ একাউণ্টলৈ যায়, আৰু আজিলৈকে কোনেও এটাও পইচা উলিওৱা নাই। জুবিন দাই LLP-ৰ ৬০%ৰ মালিক আছিল, যিটো এতিয়া স্বয়ংক্ৰিয়ভাৱে তেওঁৰ পত্নীৰ নামত স্থানান্তৰিত হ'ব, আৰু মোৰ অংশও পৰিয়ালটোক হস্তান্তৰ কৰিবলৈ পালে মই সন্মানিত হ'ম। এজন সুৰকাৰ আৰু গীতিকাৰ হিচাপে তেওঁৰ ৰয়েল্টি পোনপটীয়াকৈ IPRS-ৰ পৰা আহে, আৰু সেয়া আন কাৰো একাউণ্টলৈ যাব নোৱাৰে। তেওঁৰ মৃত্যুৰ পিছত, এই সকলোবোৰ আইনীভাৱে আৰু তথ্যসংগতভাৱে তেওঁৰ পত্নীৰ হাতলৈ যাব। উপৰ্যুক্ত সকলো কথা সহজে পৰীক্ষা কৰিব পাৰি, আৰু মই প্ৰতিটো প্ৰমাণ দাঙি ধৰিবলৈ সাজু। এয়া অত্যন্ত বেদনাদায়ক যে যিসকল লোকে বছৰ বছৰ ধৰি জুবিন দাক নিজৰ ব্যক্তিগত লাভৰ বাবে ব্যৱহাৰ কৰিছিল, তেওঁলোকে এতিয়া কেৱল নিজৰ দোষ ঢাকিবলৈ আৰু নিজকে বচাবলৈ মোৰ বিৰুদ্ধে মিছা কথা বিয়পাইছে। অসম চৰকাৰে ইতিমধ্যে এই বিষয়টোৰ তদন্তৰ বাবে এখন বিশেষ অনুসন্ধানকাৰী দল (SIT) গঠন কৰিছে, আৰু মই ইয়াক সন্মান জনাইছোঁ। আন সকলোৰে দৰে ময়ো বিচাৰোঁ যে সত্য পোহৰলৈ আহক। মই তদন্তত সম্পূৰ্ণৰূপে সহযোগিতা কৰিম আৰু কৰ্তৃপক্ষক প্ৰয়োজন হোৱা প্ৰতিটো সবিশেষ তথ্য দাঙি ধৰিম। মই গুৱাহাটীলৈ ঘূৰি আহিব পৰা নাই কাৰণ, যোৱা কেইদিনমানত, মোৰ ঘৰৰ বাহিৰত মানুহৰ ভিৰ হৈছে, আৰক্ষীৰ গাড়ীত আক্ৰমণ কৰা হৈছে, আৰু মই হাজাৰ হাজাৰ মৃত্যুৰ ভাবুকি পাইছোঁ। পৰিয়ালৰ কোনো সদস্য উপস্থিত নথকাৰ বাবে SIT মোৰ ঘৰত সোমাবলৈ বাধ্য হৈছিল। মোৰ মা আৰু ভাই-ভনীসকলে নিজৰ সুৰক্ষাৰ বাবে ঘৰ এৰিছে। বন্ধু-বান্ধৱ, পৰিয়াল আৰু শুভাকাংক্ষীসকলে পৰিস্থিতি শান্ত নোহোৱালৈকে মোক আঁতৰি থাকিবলৈ পৰামৰ্শ দিছে। মই আইনক সন্মান কৰোঁ, কিন্তু মই মোৰ নিজৰ জীৱন আৰু মোৰ আশে-পাশে থকা লোকসকলৰ জীৱনক লৈও শংকিত। এয়াই মোৰ অনুৰোধ। অনুগ্ৰহ কৰি কোনো ভয় বা পক্ষপাতিত্ব অবিহনে তদন্তক নিজৰ পথেৰে আগবাঢ়িবলৈ দিয়ক। ছ'চিয়েল মিডিয়াৰ উৰাবাতৰি বা উচটনিত বিভ্ৰান্ত নহব। জুবিন দাৰ স্মৃতিৰ প্ৰতি সন্মান জনাই আমি শান্তভাৱে আৰু মৰ্যাদাৰে সত্যৰ সন্ধান কৰা উচিত। কৰযোৰে আৰু গভীৰ শ্ৰদ্ধাৰে, সিদ্ধাৰ্থ শৰ্মা।”

## এচিয়া কাপত সূৰ্য্যকুমাৰৰ

কৰা মন্তব্যৰ বাবে আইচিচিৰ তৰফৰ পৰা মেচ মাচুলৰ ৩০ শতাংশ জৰিমনা বিহা হৈছে। ভাৰতে পাকিস্তানৰ বিৰুদ্ধে সাত উইকেটৰ জয়লাভৰ পিছত সূৰ্য্যকুমাৰে এই জয় এপ্ৰিল মাহৰ সন্ত্ৰাসবাদী আক্ৰমণৰ চিকাৰ হোৱাসকল আৰু পাকিস্তান তথা পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী শিবিৰত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ প্ৰতিশোধমূলক কাৰ্য্যকৰ্তাসকলক উৎসৰ্গা কৰিছিল। এই মন্তব্যক ৰাজনৈতিক বুলি অভিহিত কৰি পাকিস্তান ক্ৰিকেট ব'ৰ্ডে আইচিচিৰ ওচৰত অভিযোগ দাখিল কৰে। বৃহস্পতিবাৰৰ শুনানিত মেচ ৰেফাৰী ৰিচি ৰিচাৰ্ডছনে সূৰ্য্যকুমাৰৰ স্বীকাৰোক্তি নাকচ কৰাৰ পিছত জৰিমনাৰ সিদ্ধান্ত লোৱা হয়। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) এই জৰিমনাৰ বিৰুদ্ধে আপীল দাখিল কৰিছে। এই ঘটনা ভাৰত-পাকিস্তানৰ মাজৰ ফাইনেল খেলৰ মাত্ৰ দুদিন পূৰ্বে সংঘটিত হৈছে, যিখন ২১ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। সূৰ্য্যকুমাৰক প্ৰতিযোগিতাৰ বাকী সময়ত ৰাজনৈতিক মন্তব্যৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। ইফালে, পাকিস্তানৰ বেগী বলাৰ হৰিছ ৰাউফকো মেচ মাচুলৰ ৩০ শতাংশ জৰিমনা বিহা হৈছে। লগতে, পাকিস্তানৰ অপেনাৰ চাহিবজাদা ফাৰহানক উচটনিমূলক ইংগিতৰ বাবে সাৱধান কৰা হৈছে। এই দুয়োজন খেলুৱৈৰ বিৰুদ্ধে বিচিচিআইৰ অভিযোগৰ ভিত্তিত শুনানিৰ পিছত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ঘটনাই ক্ৰিকেটৰ মাঠত ৰাজনৈতিক মন্তব্যৰ সীমাৰ বিষয়ে নতুন বিতৰ্কৰ সৃষ্টি কৰিছে, আৰু ফাইনেলৰ পূৰ্বে উত্তেজনা বৃদ্ধি কৰিছে।

## অগ্ৰিম জামিনৰ বাবে

তদন্ত দল (এছ আই টি)ৰ দ্বাৰা জব্দ কৰা সামগ্ৰীৰ তালিকাও সংগ্ৰহ কৰিছে। শ্যামকানু মহন্তই অণিতা চাৰণৰ জৰিয়তে আগতীয়া জামিনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি জানা গৈছে। এই প্ৰক্ৰিয়াৰ জৰিয়তে তেওঁ জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ সৈতে সম্পৰ্কিত আইনী পদক্ষেপৰ বাবে প্ৰস্তুতি চলাইছে। উল্লেখযোগ্য যে, শ্যামকানুৱে পূৰ্বে অসমৰ চাৰিগৰাকী অধিবক্তাৰ সৈতে যোগাযোগ কৰিছিল, কিন্তু তেওঁলোকে এই ক্ষেত্ৰত উকালতি কৰাৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ সিদ্ধান্ত লোৱাৰ পিছত তেওঁ দিল্লীৰ অধিবক্তাৰ শৰণ ল'বলৈ বাধ্য হৈছে। চি আই ডিৰ তদন্তৰ অংশ হিচাপে শ্যামকানু মহন্তক আগন্তুক ১০ দিনৰ ভিতৰত গুৱাহাটীৰ চি আই ডি কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। তদন্তকাৰী দলে ইতিমধ্যে ছিংগাপুৰৰ নৰ্থ ইষ্ট ফেষ্টিভেলৰ সময়ত সংঘটিত এই ঘটনাৰ সৈতে জড়িত তথ্য-পত্ৰ আৰু ভাইৰেল হোৱা ভিডিঅ' ফুটেজ সংগ্ৰহ কৰিছে। এই পৰিপ্ৰেক্ষিতত শ্যামকানুৰ এই আইনী পদক্ষেপে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ প্ৰতিৰক্ষাৰ এক প্ৰচেষ্টা হিচাপে পৰিগণিত হৈছে। অধিবক্তা অণিতা চাৰণৰ নেতৃত্বত শ্যামকানুৰ পক্ষৰ পৰা এই ক্ষেত্ৰৰ সকলো আইনী দিশ পৰ্যালোচনা কৰা হৈছে। তেওঁৰ আইনী দলটোৱে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তত স্বচ্ছতা আৰু ন্যায় নিশ্চিত কৰাৰ দাবী জনাইছে। এই ঘটনাই অসমৰ শিল্পী সমাজৰ লগতে সাধাৰণ জনতাৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, আৰু শ্যামকানুৰ এই পদক্ষেপে তদন্তৰ পৰৱৰ্তী দিশক লৈ নতুন আলোচনাৰ সূচনা কৰিছে।

## ১ অক্টোবৰৰ পৰা আমদানিকৃত

সকলো ‘ব্ৰেণ্ডেড’ আৰু ‘পেটেণ্টেড’ ঔষধৰ ওপৰত ১০০ শতাংশৰ শুল্ক আৰোপ কৰা হ'ব। এই নিৰ্দেশটোৰ পিছত যিকোনো ফাৰ্মাসিউটিকেল কোম্পানীয়ে আমেৰিকাত নিৰ্মাণ কেন্দ্ৰ স্থাপন কৰাৰ প্ৰকল্প আৰম্ভ কৰিলে মাত্ৰ তেওঁলোকক এই শুল্কৰ পৰা সকাহ দিয়া হ'ব। এই পদক্ষেপে আমেৰিকাৰ সৈতে বৈদেশিক বাণিজ্যত বৃহৎ উদ্বেগ সৃষ্টি কৰিছে, বিশেষকৈ ভাৰতৰ ফাৰ্মাসিউটিকেল ক্ষেত্ৰখনৰ বাবে, যি আমেৰিকাৰ সৰ্ববৃহৎ ঔষধ সামগ্ৰী ৰপ্তানি বজাৰ। ট্ৰাম্পে তেওঁৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ট্ৰুথ ছ'চিয়েলত পোষ্ট কৰি কয়, “২০২৫ চনৰ ১ অক্টোবৰৰ পৰা আমি যিকোনো ব্ৰেণ্ডেড বা পেটেণ্টযুক্ত ফাৰ্মাসিউটিকেল প্ৰডা”ৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপ কৰিম, যদিহে কোনো কোম্পানীয়ে আমেৰিকাত তেওঁলোকৰ ফাৰ্মাসিউটিকেল মেনুফেকচাৰিং প্লাণ্ট নিৰ্মাণ নকৰে।” এই ঘোষণাই তেওঁৰ বাণিজ্যিক নীতিৰ প্ৰতি নিষ্ঠা পুনৰ নিশ্চিত কৰিছে, যি আগষ্ট মাহত আৰম্ভ হোৱা বাণিজ্যিক আঁচনি আৰু আমদানি শুল্কৰ অংশ। ট্ৰাম্পে ইয়াৰ আগতো পাকঘৰৰ সজ্জাৰ সামগ্ৰী আৰু বাথৰুমৰ সামগ্ৰী আমদানিৰ ওপৰত ৫০ শতাংশ, আচবাবৰ ওপৰত ৩০ শতাংশ আৰু গধুৰ ট্ৰাকৰ ওপৰতো ২৫ শতাংশ শুল্ক আৰোপ কৰিছিল। এই নতুন শুল্কসমূহো ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হ'ব। এই ঘোষণাৰ পিছত ভাৰতীয় ফাৰ্মাসিউটিকেল ক্ষেত্ৰত তীব্ৰ উদ্বেগ প্ৰকাশ পাইছে। আমেৰিকা ভাৰতৰ ঔষধ সামগ্ৰীৰ সৰ্ববৃহৎ ৰপ্তানি বজাৰ হিচাপে জনা যায়। ভাৰতৰ $২৭.৯ বিলিয়ন ফাৰ্মা ৰপ্তানিৰ মাজত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩১ শতাংশ বা ৮.৭ বিলিয়ন ডলাৰ (প্ৰায় ৭৭, ১৩৮ কোটি টকা) মূল্যৰ সামগ্ৰী আমেৰিকালৈ ৰপ্তানি কৰা হৈছিল বুলি ফাৰ্মাসিউটিকেল এ'প'ৰ্ট প্ৰমোচন কাউন্সিল অৱ ইণ্ডিয়া (Pharmexcil)ৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ২০২৫ চনৰ মাত্ৰ প্ৰথমাৰ্ধতো ৩.৭ বিলিয়ন ডলাৰ (প্ৰায় ৩২, ৫০৫ কোটি টকা) মূল্যৰ ফাৰ্মা সামগ্ৰী ৰপ্তানি কৰা হৈছিল। প্ৰতিবেদন অনুসৰি, ভাৰতে আমেৰিকাত ব্যৱহৃত জেনেৰিক আৰু বায়'চিমিকেল ঔষধৰ ৪৫ শতাংশতকৈ অধিক যোগান ধৰে। ডাঃ ৰেড্ডীজ লেবৰেটৰিজ, অৰ'বিণ্ডো ফাৰ্মা, জাইডাছ লাইফছায়েন্সেছ, ছান ফাৰ্মা আৰু গ্লেনমাৰ্ক ফাৰ্মাসিউটিকেলছৰ দৰে প্ৰতিষ্ঠানসমূহে আমেৰিকা বজাৰৰ পৰা তেওঁলোকৰ মুঠ ৰাজহৰ ৩০-৫০ শতাংশৰ ভিতৰত উপাৰ্জন কৰে। যদিও এই শুল্কৰ মুখ্য লক্ষ্য ব্ৰেণ্ডেড আৰু পেটেণ্টেড ঔষধসমূহ, যিবোৰত বহুজাতিক কোম্পানীসমূহৰ আধিপত্য বেছি, তথাপি সন্দেহ আছে যে জটিল জেনেৰিক আৰু বিশেষত্ব সম্পন্ন ঔষধসমূহো এই অন্তৰ্গত হ'ব পাৰে। বহু ডাঙৰ ভাৰতীয় সংস্থাৰ ইতিমধ্যে আমেৰিকাত নিৰ্মাণ কেন্দ্ৰ আছে, যাৰ ফলত তেওঁলোকক অছুটি লাভ কৰিব পাৰে। এই শুল্কৰ প্ৰভাৱ আমেৰিকান ভোক্তাসকলকো গভীৰভাৱে আঘাত কৰিব পাৰে। আমেৰিকান গ্ৰাহকসকলে ভাৰতত উৎপাদিত সস্তা জেনেৰিক ঔষধৰ ওপৰত নিৰ্ভৰশীল, যিবোৰে দাম কম হোৱাৰ বাবে সহায়ক। এই শুল্কে দাম বৃদ্ধিৰ ফলত আমেৰিকাত মুদ্ৰাস্ফীতি আৰু ঔষধ সংকট সৃষ্টি কৰিব পাৰে। একে দিশত, পাতল মাৰ্জিনত কাম কৰি থকা ভাৰতীয় ফাৰ্মা কোম্পানীসমূহে এই অতিৰিক্ত খৰচ শোষণ কৰিব নোৱাৰিলে, সেই খৰচ ভোক্তা বা বীমা কোম্পানীসমূহলৈ স্থানান্তৰ কৰিব লাগিব, যাৰ ফলত আমেৰিকান ৰোগীসকলৰ চিকিৎসা খৰচ বৃদ্ধি পাব। ইয়াৰ উপৰিও ট্ৰাম্প চৰকাৰে ভাৰতীয় আমদানিৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰিছে, য'ত ৰাছিয়াৰ পৰা তেল ক্ৰয় অব্যাহত ৰখাৰ বাবে ২৫ শতাংশৰ ‘জৰিমনা’ শুল্কো অন্তৰ্ভুক্ত। এই নতুন শুল্ক নীতিয়ে আমেৰিকাৰ বাণিজ্য যুদ্ধক নতুন মাত্ৰা দিছে, আৰু ভাৰতীয় ফাৰ্মা কোম্পানীসমূহে এতিয়া আমেৰিকাত বিনিয়োগ বৃদ্ধি কৰি বা উৎপাদন স্থানান্তৰ কৰি এই প্ৰভাৱ মোকাবিলা কৰাৰ প্ৰচেষ্টা চলাইছে। ইয়াৰ ফলত ফাৰ্মা কোম্পানীসমূহৰ শেয়াৰ মূল্যত কোনো উল্লেখযোগ্য পৰিৱৰ্তন দেখা নগ'ল, কাৰণ বহু কোম্পানীয়ে ইতিমধ্যে আমেৰিকাত কাৰখানা স্থাপনৰ ঘোষণা দিছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ

ফ্ৰেটাৰ্নিটি অসমৰ সভাপতি হিতেশ বৰুৱাৰ নেতৃত্বত অভিনেতা যতীন বৰা, চলচ্চিত্ৰ পৰিচালক শশাংক সমীৰৰ সৈতে অসমীয়া চলচ্চিত্ৰ জগতৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি এই কাৰ্যালয়ত উপস্থিত হৈ এই দাবী উত্থাপন কৰে। যতীন বৰাই জানিবলৈ দিয়া মতে, চি আই ডিৰ বিষয়াসকলে এই ঘটনাৰ তদন্তৰ বাবে উপস্থিত সকলোৰে ভাষ্য গ্ৰহণ কৰিছে। তেওঁৰ মতে, শিল্পী সমাজে জুবিন গাৰ্গৰ মৃত্যুৰ স্বচ্ছ তদন্তৰ দাবী জনাইছে। তেওঁলোকে এই ঘটনাৰ সৈতে জড়িত সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী, শ্যামকানু মহন্তৰ লগতে ঘটনাস্থলীত উপস্থিত সকলো ব্যক্তিক তদন্তৰ আওতালৈ আনিবলৈ আহ্বান জনাইছে। যতীন বৰাই ক্ষোভ প্ৰকাশ কৰি কয় যে, ডাঃ হিতেশ বৰুৱাই পূৰ্বতে কেবাবাৰো জুবিনক পানী আৰু জুইৰ পৰা নিৰাপদ দূৰত্বত ৰখাৰ পৰামৰ্শ দিছিল। লগতে, নিয়মীয়াকৈ ঔষধ সেৱনৰ পৰামৰ্শও দিয়া হৈছিল। কিন্তু জুবিনৰ মৃত্যুৰ পূৰ্বৰ দুদিন ধৰি তেওঁক কোনো ঔষধ প্ৰদান কৰা হোৱা নাছিল বুলি তেওঁ অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰিও যতীন বৰাই নৰ্থ ইষ্ট ফেষ্টিভেলৰ ভূমিকাৰ ওপৰত প্ৰশ্ন তুলি কয়, “এই ফেষ্টিভেলে উত্তৰ-পূবৰ উন্নতিৰ কি অৰিহণা যোগাইছে?” তেওঁ প্ৰকাশ কৰে যে, তেওঁ বাৰে বাৰে জুবিনক এই ফেষ্টিভেলত অংশগ্ৰহণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিছিল। “কিন্তু শেষত এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ'ল” বুলি শোক প্ৰকাশ কৰে এই অভিনেতাগৰাকী। চি আই ডিৰ তৰফৰ পৰা এই বিষয়ত সম্পূৰ্ণ সহযোগিতা আৰু স্বচ্ছ তদন্তৰ আশ্বাস দিয়া হৈছে বুলিও যতীন বৰাই উল্লেখ কৰে। শিল্পী সমাজৰ এই পদক্ষেপে জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটনৰ লগতে ন্যায় প্ৰতিষ্ঠাৰ আশা জগাইছে।

## হাগ্ৰামা আৰু খাম্পাৰ

পিপলছ ফ্ৰণ্ট (বিপিএফ), ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল) আৰু ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ প্ৰাৰ্থীসকলে বিভিন্ন সমষ্টিত জয়লাভ কৰি শেষ হাঁহি মাৰিছে। হাগ্ৰামা মহিলাৰী আৰু খাম্পা বৰগয়াৰীৰ মাজত ড্ৰ হোৱা দেখা গ'ল। দেৱৰগাঁও সমষ্টিত বিপিএফৰ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে খাম্পা বৰগয়াৰীৰ বিপক্ষে বিজয়ী হৈছে, আনহাতে চিৰাং দুৱাৰ সমষ্টিৰ পৰা ইউপিপিএলৰ খাম্পা বৰগয়াৰীয়ে হাগ্ৰামা মহিলাৰীৰ বিপক্ষে জয়। নিচিমা সমষ্টিত বিপিএফৰ প্ৰাৰ্থী জেমছ বসুমতাৰীয়ে বিজয় লাভ কৰিছে, আৰু কচুগাঁও সমষ্টিৰ পৰা বিপিএফৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে জয়ৰ পতাকা উৰুৱাইছে। কাজলগাঁও সমষ্টিত বিপিএফৰ পানীৰাম ব্ৰহ্মই চন্দন ব্ৰহ্মক পৰাস্ত কৰি জয়ী হৈছে। বাওখুংগ্ৰী সমষ্টিত বিপিএফৰ ধনেশ্বৰ গয়াৰীয়ে বিজয় লাভ কৰাৰ বিপৰীতে গৈবাৰী সমষ্টিত ইউপিপিএলৰ প্ৰধান প্ৰমোদ বড়োৱে জয়ৰ হাঁহি মাৰিছে। দৰংগাজুলি সমষ্টিত বিজেপিৰ প্ৰাৰ্থী বিজিত গোৱা নাৰ্জাৰীয়ে জয়লাভ কৰিছে। ৩১ নং খৈৰাবাৰী সমষ্টিৰ পৰা বিপিএফৰ লৌমাশ্ৰী দৈমাৰীয়ে বিজয়ী হৈছে, আৰু ২১ নং শালবাৰী সমষ্টিত দিগন্ত গয়াৰীয়ে জয়ৰ স্বাদ লৈছে। ১৮ নং মানস ছেৰফাং সমষ্টিত ধনঞ্জয় বসুমতাৰীয়ে দ্বিতীয়বাৰৰ বাবে জয়ী হৈছে। ইফালে, ৩৭ নং ধনশ্ৰী সমষ্টিত বিপিএফৰ ফ্ৰেছ মুছাহাৰী আৰু চিৰাং সমষ্টিত বিপিএফৰ শুকুৰসিং মুছাহাৰীয়ে জয়লাভ কৰিছে। মাথনগুৰি সমষ্টিত বেগম আখটাৰা আহমেদে জয়ৰ পতাকা উৰুৱাইছে। বিপিএফৰ শক্তিশালী প্ৰদৰ্শনৰ লগতে ইউপিপিএল আৰু বিজেপিৰ জয়ে এই নিৰ্বাচনৰ ৰাজনৈতিক গতিশীলতাক নতুন মাত্ৰা দিছে।

## অসম আৰক্ষীৰ ইণ্টাৰনেট

কৰে, য'ত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতিৰ ঘটনা ঘটে। আৰক্ষীৰ প্ৰহাৰত বহু অনুৰাগী আহত হোৱাৰ লগতে, নিশা অঞ্চলত কেইবাটাও ঘৰত প্ৰৱেশ কৰি প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই উত্তেজনাৰ মাজতে সংগীত পৰিচালক অজয় ফুকন আৰু ভি”ৰ দাসক আৰক্ষীয়ে আটক কৰে, লগতে ১০জনতকৈ অধিক যুৱককো গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ উপৰিও ৰাজ্যৰ অন্যান্য প্ৰান্ততো আৰক্ষী, প্ৰশাসন আৰু চৰকাৰৰ বিৰুদ্ধে ক্ষোভ বৃদ্ধি পাইছে। এনে পৰিস্থিতিত অসমত ইণ্টাৰনেট কৰ্তন কৰাৰ সন্দৰ্ভত এক ভুৱা খবৰ বিয়পি পৰা আছে, যি অসাধু চক্ৰই ছড়াইছে বুলি অভিযোগ আছে। এই খবৰৰ খণ্ডন কৰি অসম আৰক্ষীয়ে তেওঁলোকৰ অফিচিয়েল ফেচবুক পেজত স্পষ্টীকৰণ জাৰি কৰি জনসাধাৰণক সজাগ কৰিছে। অসম আৰক্ষীৰ ভেৰিফাইড ফেচবুক পেজত লিখা হৈছে, “অসমত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হ'ব বুলি এক ভুৱা খবৰ অসাধু চক্ৰই বিয়পাইছে। অনুগ্ৰহ কৰি এনে উৰা বাতৰি বিশ্বাস নকৰিব আৰু নিবিয়পাব। ভুৱা খবৰ বিয়পোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। উৰা বাতৰিৰ বিৰুদ্ধে সজাগ হওক।” এই স্পষ্টীকৰণে জনমানসত শান্তি ফুৰাইছে আৰু অসাধু উপাদানসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থাৰ আশ্বাস দিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত অসম চি আই ডিৰ দ্বাৰা চলি আছে, আৰু ফিল্ম ফেটাৰ্নিটি অসমৰ দৰে সংস্থাই ন্যায়ৰ দাবী জনাইছে। এই প্ৰতিবাদ আৰু ভুৱা খবৰৰ ঘটনাই ৰাজ্যত উত্তেজনাৰ মাত্ৰা বাঢ়াই তুলিছে।

## হাগ্ৰামাৰ যাদুত ধূলিসাৎ

মেকাৰ হোৱাৰ লক্ষ্যৰে বিজেপিয়ে যি জোৰদাৰ অভিযান চলাইছিল, সেয়া নসাৎ কৰিলে বড়োলেণ্ডৰ জনগণে। সেইদৰে শাসনত থকা ইউ পি পি এলক এইবাৰ বড়োলেণ্ডৰ ৰাইজে বিশ্বাসত নল'লে। বিগত নিৰ্বাচনত বি টি আৰৰ ৰাইজে বি পি এফক আঁতৰাই ইউ পি পি এলক বিজেপিৰে মিত্ৰতা কৰি শাসনৰ বাঘজৰী লোৱাৰ সুবিধা কৰি দিছিল। কিন্তু এইবাৰ বড়োভূমিৰ ৰাইজে পুনৰ বি পি এফৰ প্ৰতি আস্থা পোষণ কৰা পৰিলক্ষিত হৈছে। লক্ষণীয় বিষয় এইবাৰ বিজেপিয়ে কাৰো লগতে মিত্ৰতা নকৰি অকলে বি টি আৰত অৱতীৰ্ণ হৈছিল। ৩০খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। বি টি আৰ নিজৰ দখললৈ অনাৰ বাবে বিজেপি উঠি-পৰি লাগিছিল। আনকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বি টি আৰত ব্যাপক প্ৰচাৰ অভিযান চলাইছিল। এখনৰ পাছত আনখন প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। কিন্তু বড়োলেণ্ডৰ জনতাই সকলো ধূলিসাৎ কৰিলে। উল্লেখ্য যে শুকুৰবাৰে পুৱাৰে পৰা চলি আছে ভোটগণনা। ভোটগণনা আৰম্ভ হোৱাৰ লগে লগে ঘনে-ঘনে পট পৰিৱৰ্তন হোৱা দেখা গৈছিল। বি পি এফ, ইউ পি পি এল আৰু বিজেপিৰ মাজত চলি আছিল তীব্ৰ প্ৰতিদ্বন্দ্বিতা। কিন্তু সময় পাৰ হোৱাৰ লগে লগে বি পি এফ দলে শক্তিশালী ৰূপত অগ্ৰগতি লাভ কৰে। ইফালে গৌৰৱ গগৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি হোৱাৰ পাছত বি টি আৰৰ নিৰ্বাচন প্ৰথমটো পৰীক্ষা আছিল। কিন্তু এই পৰীক্ষাত বিফল হ'ল গৌৰৱ গগৈ। কাৰো লগত মিত্ৰতা নকৰি কংগ্ৰেছ দলে ৪০খন আসনতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও এখনো আসনত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম নহ'ল। এক কথাত অগ্ৰগতিৰ তালিকাতে নাহিল কংগ্ৰেছ। বৰ্তমান সময়তো চলি আছে ভোটগণনা। বি টি চিত ফলাফল ঘোষণাক লৈ কেইবাতৰপীয়া সুৰক্ষা বেষ্টনী গঢ়ি তোলা হৈছে। যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়। উল্লেখ্য যে যোৱা ২২ ছেপ্টম্বৰত বি টি চিৰ ৪০টা পৰিষদীয় সমষ্টিত সম্পন্ন হৈছিল ভোটগ্ৰহণ প্ৰক্ৰিয়া। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বি টি আৰ নিৰ্বাচনত মুঠ ৩১৬ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। তাৰ ভিতৰত বাঁ জিলাৰ পৰা ৫২ গৰাকী প্ৰাৰ্থী, চিৰাঙৰ পৰা ৫৬ গৰাকী, কোকৰাঝাৰত ১০০ গৰাকী, তামুলপুৰত ৪০ গৰাকী আৰু ওদালগুৰিত ৬৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। বি টি আৰত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২৬ লাখ ৫৭ হাজাৰ ৯৩৭ গৰাকী। তাৰ ভিতৰত পুৰুষ ভোটাৰ ১৩ লাখ ২৩ হাজাৰ ৩৯৯ গৰাকী, মহিলা ভোটাৰ হৈছে ১৩ লাখ ৩৪ হাজাৰ ৫২১ গৰাকী আৰু তৃতীয় লিংগৰ ১৭ গৰাকী। শুকুৰবাৰে পুৱা ৮ বজাৰ পৰা আৰম্ভ হ'ব লগা বি টি চি নিৰ্বাচনৰ ভোটগণনা কিছু পলমকৈ আৰম্ভ হৈছিল।

## শ্যামকানু-সিদ্ধাৰ্থসহ ছিংগাপুৰৰ

বসবাসকাৰী ১১জন প্ৰবাসী অসমীয়াৰ নাম উল্লেখ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত ঘটনাস্থলীত উপস্থিত থকা এই সকলো ব্যক্তিক ১০ দিনৰ ভিতৰত চি আই ডি কাৰ্যালয়ত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়া হৈছে। জুবিন গাৰ্গৰ মৃত্যু ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰ ছিংগাপুৰৰ নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ সময়ত স্কুবা ডাইভিং কৰতে গৈ সমুদ্ৰত ঘটিছিল। স্থানীয় সময় অনুসৰি দুপৰীয়া ১: ৩০ বজাত ঘটনাস্থলীত শ্বাসকষ্টৰ সমস্যাৰ ফলত তেওঁক উদ্ধাৰ কৰি হস্পিতাললৈ লোৱা হৈছিল, য'ত বিয়লি ২: ৩০ বজাত তেওঁক মৃত ঘোষণা কৰা হৈছিল। এই ঘটনাৰ পিছত অসম চৰকাৰে তদন্তৰ বাবে বিশেষ তদন্ত দল গঠন কৰিছিল, যাৰ ফলত এতিয়া এই জাননী জাৰি হৈছে। চি আই ডিৰ জাননীত উল্লেখ কৰা হৈছে যে, শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ দৰে ব্যক্তিসকলে ফেষ্টিভেলৰ আয়োজন আৰু ঘটনাৰ সৈতে সংযোগ আছিল। লগতে, ছিংগাপুৰ অসম এচ'চিয়েচনৰ সদস্যসকলকো তদন্তৰ আওতালৈ আনিবলৈ এই জাননী পঠোৱা হৈছে। এই ১১জন প্ৰবাসী অসমীয়াসকলকো ১০ দিনৰ ভিতৰত গুৱাহাটীত চি আই ডি কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়কলৈ কোৱা হৈছে, নতুবা আইনানুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে চি আই ডিয়ে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তেওঁলোকে ঘটনাৰ সৈতে জড়িত বিভিন্ন তথ্য-পত্ৰ সংগ্ৰহ কৰিছে, য'ত ছিংগাপুৰৰ সমুদ্ৰত ঘটনাস্থলীৰ ভাইৰেল হোৱা ভিডিঅ' ফুটেজসমূহো অন্তৰ্ভুক্ত। এই ফুটেজসমূহত জুবিনক উদ্ধাৰ কৰাৰ প্ৰক্ৰিয়া আৰু ঘটনাৰ পূৰ্ব-পৰৱৰ্তী অৱস্থা স্পষ্টভাৱে দৃশ্যমান। চি আই ডিৰ বিশ্বাস্য সূত্ৰৰ পৰা জানা গৈছে যে, এই তথ্যসমূহৰ ভিত্তিত তদন্তকাৰ্য অধিক গভীৰতা লাভ কৰিছে আৰু শিল্পীৰ মৃত্যুৰ সঠিক কাৰণ উদঘাটনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই জাননীৰ পিছত শিল্পী সমাজ আৰু জুবিনৰ অনুৰাগীসকলে ন্যায়ৰ আশা পুনৰ জাগ্ৰত হৈছে। পূৰ্বৰ দিনসমূহত অভিনেতা যতীন বৰাৰ দলৰ দ্বাৰা চি আই ডি কাৰ্যালয়ত দাখিল কৰা এজাহাৰতো এই ব্যক্তিসকলক তদন্তৰ আওতালৈ আনিবলৈ দাবী কৰা হৈছিল। অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাত স্বচ্ছ তদন্তৰ আশ্বাস দিছিল আৰু অসমত এনে আয়োজক সংস্থাসকলক বান কৰিবলৈ সিদ্ধান্ত লৈছিল। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত সমগ্ৰ অসমীয়া সমাজ শোকাহত, আৰু এই তদন্তে ঘটনাৰ সত্যতা উন্মোচন কৰি ন্যায় প্ৰতিষ্ঠা কৰিব বুলি আশা কৰা হৈছে।

## নগাঁৱত ৰে'ল বিভাগত

বিৰুদ্ধেও একেধৰণৰ অভিযোগ উত্থাপিত হৈছে, যদিও তেওঁ এতিয়াও আৰক্ষীৰ জালৰ বাহিৰত আছে। ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে চম্পক বৰাক আটক কৰি জেৰা আৰম্ভ কৰিছে। অভিযোগ অনুসৰি, চম্পক বৰা আৰু নীলমণি নাথে ২০১৯ চনৰ পৰা ৰে'ল বিভাগৰ শ্ৰমিকৰ পৰা চৰ্দাৰ পৰ্যায়ৰ বিভিন্ন পদৰ নামত নগাঁও তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নিবনুৱা যুৱক-যুৱতীৰ পৰা লাখ লাখ টকা সংগ্ৰহ কৰিছিল। এই প্ৰৱঞ্চক দুজনে চাকৰিৰ বিনিময়ত পৃথক পদৰ বাবে পৃথক মূল্য নিৰ্ধাৰণ কৰি বহু লোকৰ বিশ্বাস অৰ্জন কৰিছিল। সংগ্ৰহ কৰা ধনেৰে তেওঁলোকে অট্টালিকা নিৰ্মাণ কৰি বিলাসী জীৱন যাপন কৰাৰ অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগীসকলে জানিবলৈ দিয়ে যে, চাকৰিৰ নামত ধন লোৱাৰ কিছু দৃশ্য গোপন কেমেৰাত বন্দী কৰা হৈছিল। কিন্তু চাৰি-পাঁচ বছৰ অতিক্ৰম কৰাৰ পিছতো চাকৰি নিদিয়াত ভুক্তভোগীসকলে ধন ঘূৰাই বিচৰাৰ সময়ত প্ৰৱঞ্চক দুজনে ডকাইতিৰ গোচৰ তৰাৰ ভাবুকিৰ লগতে বিভিন্ন ধৰণৰ হুমকি প্ৰদান কৰিছিল। অৱশেষত, ক্ষুব্ধ ভুক্তভোগীৰ একাংশই নগাঁও সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তৎপৰতাৰে চম্পক বৰাক আটক কৰে। নীলমণি নাথক আটকৰ বাবে আৰক্ষীৰ তৎপৰতা অব্যাহত আছে। এই ঘটনাই নগাঁৱৰ লগতে ৰাজ্যৰ অন্যান্য অঞ্চলত চাকৰিৰ নামত প্ৰৱঞ্চনাৰ বিষয়ে সতৰ্কতাৰ বাৰ্তা প্ৰেৰণ কৰিছে।

## যোৰহাটত তিনিদিন ৰাজহুৱা

অসম চৰকাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠান যোৰহাটত আয়োজনৰ নিৰ্দেশ দিছিল, লগতে শিল্পীগৰাকীৰ চিতাভস্ম ৰাইজৰ শ্ৰদ্ধাঞ্জলিৰ বাবে যোৰহাটৰ কোনো ৰাজহুৱা স্থানত তিনি দিনৰ বাবে ৰখাৰ পৰামৰ্শ আগবঢ়াইছে। অসম চৰকাৰৰ উদ্যোগত এই শ্ৰাদ্ধানুষ্ঠান যোৰহাটত অনুষ্ঠিত হ'ব, আৰু ইয়াৰ প্ৰস্তুতিৰ বাবে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই শুকুৰবাৰে যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু যোৰহাট জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰি এই অনুষ্ঠানৰ ৰূপৰেখা নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, “জুবিন গাৰ্গ অসমীয়াৰ হৃদয়ৰ শিল্পী। তেওঁৰ মহাপ্ৰয়াণৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান অসম চৰকাৰৰ উদ্যোগত যোৰহাটত আয়োজিত হ'ব। এই দিনত শিল্পীগৰাকীৰ চিতাভস্ম যোৰহাটলৈ আনি ৰাইজৰ শ্ৰদ্ধাঞ্জলিৰ বাবে তিনি দিন ৰাজহুৱা স্থানত ৰখাৰ ব্যৱস্থা কৰা হ'ব।” এই অনুষ্ঠানৰ প্ৰস্তুতিৰ অংশ হিচাপে মন্ত্ৰী বিমল বড়াই শুকুৰবাৰে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে সাক্ষাৎ কৰি তেওঁৰ মতামত গ্ৰহণ কৰিছে। তেওঁ কাইলৈ যোৰহাটৰ স্থানীয় ৰাইজৰ সৈতে আলোচনাৰ জৰিয়তে অনুষ্ঠানৰ বিশদ পৰিকল্পনা চূড়ান্ত কৰাৰ কথা জানিবলৈ দিছে। মুখ্যমন্ত্ৰীয়ে আৰু উল্লেখ কৰে যে, শ্ৰাদ্ধানুষ্ঠানৰ পিছত শিল্পীৰ চিতাভস্ম তিনি দিন ধৰি ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে যোৰহাটৰ এক নিৰ্দিষ্ট স্থানত ৰখাৰ পৰিকল্পনা কৰা হৈছে, যাতে অসমীয়া জনতাই তেওঁলোকৰ প্ৰিয় শিল্পীক শেষ শ্ৰদ্ধা জনাব পাৰে। ইফালে, শুকুৰবাৰে মন্ত্ৰী কেশৱ মহন্ত জুবিন গাৰ্গৰ গুৱাহাটীৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সৈতে সাক্ষাৎ কৰে। এই সাক্ষাৎকাৰৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা প্ৰেৰিত শোকবাৰ্তা আনুষ্ঠানিকভাৱে জুবিনৰ পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু পত্নী গৰিমা শইকীয়া গাৰ্গৰ হাতত অৰ্পণ কৰা হয়। এই শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ অসামান্য সাংগীতিক অৱদানৰ কথা উল্লেখ কৰি তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এই ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান আৰু ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থাই অসমীয়া জনতাৰ মাজত জুবিন গাৰ্গৰ প্ৰতি থকা অপৰিসীম মৰম আৰু শ্ৰদ্ধাৰ প্ৰতিফলন ঘটাব। এই অনুষ্ঠানৰ জৰিয়তে অসম চৰকাৰে শিল্পীগৰাকীৰ স্মৃতিক চিৰস্থায়ী কৰাৰ প্ৰয়াস চলাইছে।

## অভিযুক্তৰ হৈ গোচৰ

এই গোচৰৰ তদন্তৰ দায়িত্ব চি আই ডিৰ হাতত অৰ্পণ কৰাৰ লগতে এক বিশেষ তদন্ত সমিতি (এছ আই টি) গঠন কৰিছে। এই পৰিপ্ৰেক্ষিতত সদৌ অসম উকীল সন্থাই এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি ঘোষণা কৰিছে যে, জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত এই গোচৰত কোনো অভিযুক্তৰ পক্ষত তেওঁলোকে আইনী প্ৰতিনিধিত্ব নকৰিব। সদৌ অসম উকীল সন্থাই সামাজিক দায়বদ্ধতা আৰু নৈতিকতাৰ প্ৰতি তেওঁলোকৰ অঙ্গীকাৰৰ কথা উল্লেখ কৰি এই সিদ্ধান্তক এক “ঐতিহাসিক পদক্ষেপ” বুলি অভিহিত কৰিছে। সন্থাৰ মতে, এই গোচৰত অভিযুক্তসকলক আইনী সমৰ্থন প্ৰদান কৰাটো হ'ব “ঐতিহাসিক ভুল।” তেওঁলোকে আৰু জানিবলৈ দিছে যে, তদন্তকাৰী সংস্থাসমূহে এই গোচৰৰ তদন্ত অব্যাহত ৰাখিবলৈ এক সুস্থ আৰু বাধাহীন পৰিৱেশৰ প্ৰয়োজন সেয়েহে তেওঁলোকে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এক বিবৃতিত সদৌ অসম উকীল সন্থাই কয়, “জুবিন গাৰ্গৰ অকাল মৃত্যুৱে অসমীয়া জাতিৰ হৃদয়ত গভীৰ আঘাত হানিছে। ছিংগাপুৰত তেওঁৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাই ৰাইজৰ মাজত গভীৰ ৰহস্য, সন্দেহ আৰু ষড়যন্ত্ৰৰ সম্ভাৱনাৰ প্ৰশ্ন উত্থাপন কৰিছে। এই ঘটনাই সমাজত এক অসহনীয় আৰু অগ্ৰহণযোগ্য পৰিৱেশৰ সৃষ্টি কৰিছে।” সন্থাই আৰু উল্লেখ কৰে যে, ৰাজ্যৰ বিভিন্ন স্থানত এই মৃত্যুৰ সৈতে জড়িত অভিযুক্তসকলৰ বিৰুদ্ধে একাধিক এজাহাৰ দাখিল হৈছে। বিবৃতিত সন্থাই কঠোৰ ভাষাৰে অভিযুক্তসকলৰ বিষয়ে মন্তব্য কৰি কয়, “এই গোচৰৰ কিছুমান অভিযুক্ত ব্যক্তি নৈতিকভাৱে অধঃপতিত আৰু দুৰাচাৰী হিচাপে ইতিমধ্যে জনমানসত পৰিচিত হৈছে।” সদৌ অসম উকীল সন্থাই তেওঁলোকৰ এই স্থিতিৰ জৰিয়তে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে ন্যায়ৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা পুনৰ প্ৰতিষ্ঠা কৰিছে। এই সিদ্ধান্তই তদন্ত প্ৰক্ৰিয়াত স্বচ্ছতা আৰু ন্যায়ৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হৈছে, যাৰ ফলত জুবিনৰ মৃত্যুৰ সত্য উদঘাটনৰ পথ মসৃণ হ'ব বুলি আশা কৰা হৈছে।

## অসমত এনআৰচি সম্পূৰ্ণ

বিস্তৃত সংশোধনী (এছআইআৰ)ৰ প্ৰস্তুতি আৰম্ভ কৰিছে। এই বিষয়ে আলোচনাৰ বাবে ২৪ ছেপ্টেম্বৰত জনতা ভৱনত মুখ্য নিৰ্বাচনী বিষয়াৰ আহ্বানত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত চিপিআই(এম)ৰ প্ৰতিনিধি হিচাপে ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰ, কেন্দ্ৰীয় কমিটিৰ সদস্য ইচফাকুৰ ৰহমান আৰু বিধায়ক মনোৰঞ্জন তালুকদাৰে অংশ লয়। চিপিআই(এম)-এ স্পষ্টভাৱে জানিবলৈ দিয়ে যে, অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰাকৈ এছআইআৰৰ প্ৰক্ৰিয়া হাতত লোৱাৰ তীব্ৰ বিৰোধিতা কৰে। দলটোৱে মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ হাতত এক স্মাৰকপত্ৰ দাখিল কৰি কয় যে, নাগৰিকত্বৰ বিষয়ৰ স্থায়ী সমাধানৰ বাবে সকলো ভাৰতীয় নাগৰিকৰ নাম সন্নিৱিষ্ট এখন পূৰ্ণাংগ এনআৰচি অত্যন্ত জৰুৰী। এই এনআৰচিয়ে অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত আৰু বহিষ্কাৰৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য ভিত্তি হিচাপে কাম কৰিব। সেয়ে, এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতহে ভোটাৰ তালিকাৰ ব্যাপক সংশোধনীৰ কাম আগবঢ়োৱা উচিত বুলি দলটোৱে দাবী জনায়। দলটোৱে ‘ডি’ (সন্দেহজনক) ভোটাৰৰ সমস্যাৰ কথাও উত্থাপন কৰে। বিদেশী ন্যায়াধিকৰণে বহু ‘ডি’ ভোটাৰক ভাৰতীয় নাগৰিক বুলি ঘোষণা কৰাৰ পিছতো তেওঁলোকৰ নামৰ পৰা ‘ডি’ চিহ্ন আঁতৰোৱা হোৱা নাই। এই সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ দাবী জনোৱা হয়। বৈঠকত মুখ্য নিৰ্বাচনী বিষয়াই জানিবলৈ দিয়ে যে, উচ্ছেদিত অঞ্চলৰ ভোটাৰসকলে যদি ইতিমধ্যে স্থান ত্যাগ কৰি অন্য ঠাইত আশ্ৰয় লৈছে, তেন্তে তেওঁলোকে নতুন বসতিৰ ভোটাৰ কেন্দ্ৰলৈ নাম স্থানান্তৰৰ বাবে আবেদন কৰিব লাগিব। তেওঁ এইটোও প্ৰকাশ কৰে যে, প্ৰস্তাৱিত এছআইআৰৰ বাবে গ্ৰহণযোগ্য নথিৰ তালিকা এতিয়াও চূড়ান্ত হোৱা নাই। চিপিআই(এম)ৰ এই অৱস্থানে অসমত নাগৰিকত্বৰ বিষয়ত সংবেদনশীল পৰিস্থিতিৰ প্ৰতি স্পষ্ট দৃষ্টিভংগী প্ৰকাশ কৰে, আৰু এনআৰচি সম্পূৰ্ণকৰণৰ ওপৰত জোৰ দিয়ে।

# শোণিতপুৰত শাৰদীয় দুৰ্গোৎসৱত ডিজে নিষিদ্ধ, জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ মাত্ৰ এদিন বাকী থকাৰ মাজতে শোণিতপুৰ জিলাত ৪৮৬খন পূজাৰ প্ৰস্তুতি চলি আছে, যদিও বহু পেণ্ডেল এতিয়াও সম্পূৰ্ণ হোৱা নাই। জিলা প্ৰশাসনে নতুন এছ অ' পি জাৰি কৰি পূজাৰ আধ্যাত্মিক পৰিৱেশ বজাই ৰাখিবলৈ নিৰ্দেশ দিছে। জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে জানিবলৈ দিয়ে যে, পূজা পেণ্ডেলত উচ্চ প্ৰাবল্যৰ শব্দ বা ডিজে সংগীত নিষিদ্ধ। ধৰ্মীয় অনুষ্ঠানৰ বাহিৰে সংগীত বজোৱাৰ নিষিদ্ধ অৱশ্যে প্ৰয়োজন হ'লে জুবিন গাৰ্গৰ গীত বজোৱাৰ পৰামৰ্শ দিয়া হৈছে। পূজা কমিটীসমূহক জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু প্ৰতিকৃতি স্থাপনৰ ব্যৱস্থা কৰিবলৈ উৎসাহিত কৰা হৈছে। তেজপুৰৰ কেইবাখনো কমিটীয়ে এই পৰিকল্পনাৰ কথা জনাইছে। শুকুৰবাৰে শতাধিক পূজা কমিটীক অসম চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হৈছে, য'ত তেজপুৰ চহৰৰ ১১৪খন কমিটী অন্তৰ্ভুক্ত। বিজয়া দশমীৰ সমদলত উচ্চ সুৰীয়া গীতৰ পৰিৱৰ্তে জুবিনৰ গীতৰ পৰামৰ্শ দিয়া হৈছে। তেজপুৰৰ বেংগলী সমাজে ঢাক-ঢোল বজোৱাৰ পৰা বিৰত থাকিব, আৰু মাৰোৱাৰী সমাজৰ পেণ্ডেলসমূহ শনিবাৰৰ ভিতৰত প্ৰস্তুত কৰাৰ প্ৰচেষ্টা চলাইছে। পূজা কমিটীৰ উদ্যোক্তা তাপস ঘোষে কয়, “আমাৰ পেণ্ডেল এতিয়াও সম্পূৰ্ণ হোৱা নাই, তিনিদিনৰ ভিতৰত কাম শেষ হ'ব। জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপনৰ ব্যৱস্থা কৰিম, কিন্তু তেওঁৰ মৃত্যুৰ বিষাদে পূজাৰ আনন্দ ম্লান কৰিছে।” তেওঁ লগতে কয়, “ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে তেওঁৰ প্ৰতিচ্ছবি পেণ্ডেলত স্থাপন কৰা হ'ব। জুবিনৰ মৃত্যুৰ ঘটনাই আমাক গভীৰভাৱে আঘাত কৰিছে।” জিলা প্ৰশাসনৰ এই নিৰ্দেশনাই পূজাৰ পৰিৱেশক শান্তিপূৰ্ণ আৰু ভক্তিময় কৰি ৰাখিব, আৰু জুবিনৰ স্মৃতিক শ্ৰদ্ধা জনোৱাৰ এক সুযোগ প্ৰদান কৰিব।

# ৰাজ্য ঘোষণাৰ দাবীত লাডাখত উত্তাল প্ৰতিবাদ

**দাবী কৰা নেতা সোণম ৱাংচুক গ্ৰেপ্তাৰ: হিংসাৰ পিছত উত্তেজনা অব্যাহত**

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** জলবায়ু কৰ্মী তথা লাডাখ ৰাজ্য দাবীৰ প্ৰধান নেতা সোণম ৱাংচুকক শুকুৰবাৰে লেহ আৰক্ষীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন এছ এ)ৰ অধীনত গ্ৰেপ্তাৰ কৰিছে। ২০১৮ চনৰ ৰেমন মেগছেছে বঁটা বিজয়ী ৱাংচুকে অভিযোগ কৰে যে, বৃহস্পতিবাৰে তেওঁক জনসাধাৰণৰ সুৰক্ষা আইন (পি এছ এ)ৰ অধীনত আটকৰ চেষ্টা কৰা হৈছিল। বুধবাৰে নিৰাপত্তা বাহিনীৰ গুলীচালনাত চাৰিজন নাগৰিকৰ মৃত্যুৰ পিছত এই গ্ৰেপ্তাৰ সংঘটিত হৈছে। লেহ এপে'বডী (এল এ বি) আৰু কাৰ্গিল ডেম'ক্ৰেটিক এলায়েন্স (কে ডি এ)ৰ নেতৃত্বত ৱাংচুকৰ আন্দোলন লাডাখৰ বাবে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা, জনজাতীয় সুৰক্ষা আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ দাবীৰ ওপৰত কেন্দ্ৰীভূত আছিল এই প্ৰতিবাদ। বুধবাৰৰ হিংসাত বিজেপি আৰু স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয় ভাঙি পেলোৱা হয়। লেহ আৰক্ষীয়ে ৫০ৰো অধিক লোকক আটক কৰিছে আৰু একাধিক এফ আই আৰ ৰুজু কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৱাংচুকৰ সংস্থা SECMOLৰ এফ চি আৰ এ অনুজ্ঞাপত্ৰ বাতিল কৰিছে। মৃতসকলৰ ভিতৰত চেৱাং থাৰ্চিন (৪৬), ষ্টেনজিন নামগায়াল (২৪), জিগমেট ডৰ্জে আৰু ৰিনচেন দাদুল (২১)। আহত ৭ জনৰ অৱস্থা গুৰুতৰ, এজনক দিল্লীলৈ প্ৰেৰণ কৰা হৈছে। ৱাংচুকে প্ৰতিবাদ বন্ধৰ অভিযোগ নাকচ কৰি কয়, “মই শান্তিৰ আহ্বান জনাইছিলোঁ। গ্ৰেপ্তাৰ হ'লে সুখী হ'ম।” কেন্দ্ৰই আলোচনাৰ পথ মুকলি ৰাখিছে, ২৭ বা ২৮ ছেপ্টেম্বৰত নতুন দিল্লীত বৈঠকৰ পৰিকল্পনা হৈছে। লেহত বিদ্যালয়-কোচিং কেন্দ্ৰ দুদিনৰ বাবে বন্ধ।

## নিঃশ্বাসৰ স্তব্ধতাত

মীনা দেৱী

তোমাৰ নিঃশ্বাসৰ স্তব্ধতাত
দেশৰ বতাহৰ গতি স্তব্ধ
কজলা মেঘে আকাশ ছানিছে
গছ বিৰিখেও চকুলো টুকিছে
কুৰুকি কুৰুকি অসমীয়াৰ হিয়াত থিতাপি লোৱা
জুবিনৰ বোলে দূৰ- বিদেশত নিঃশ্বাসৰ গতি স্তব্ধ হ'ল।
ধুমুহাৰ সৈতে নাচি নাচি ক্লান্ত হ'লা তুমি
সেয়েহে হ'বলা আকাশখন বুকুত সাৱতি
কোলাহল শূন্য সাগৰ তলিত ভাগৰ মাৰিবলৈ
দূৰ- বিদেশলৈ গ'লাগৈ দেশৰ মাটি এৰি থৈ
দেশৰ জনতাক শোক সাগৰৰ
টলমল ঢৌত দিলা সাঁতুৰিবলৈ।
ভূপেনদাহীন দেশৰ মানুহে
তোমাৰ কণ্ঠৰ প্ৰাৰ্থনা শুনি সাৰ পাই
তোমাৰ কণ্ঠৰ যাদুকৰী পৰশতে
দৈনন্দিন কৰ্মৰ দিশে যায় আগুৱাই
এবাৰো কিয় নাভাবিলা জনতাৰ বাবে
সাধাৰণ জনতাৰ হিয়াবোৰতো যে
তোমাৰ নাম খোদিত আছে।
তোমাৰ নিভীক স্পষ্টবাদীতাত জনগণৰ সাহস বাঢ়ে
তোমাৰ যাদুকৰী কণ্ঠৰ সৌৰভত
উদ্বেলিত হয় শ্ৰোতাৰ হৃদয়
কলুষ কালিমা শূন্য তোমাৰ নিৰ্মল হৃদয়
চাতুকাৰৰ কথাত ভোল গৈ জীৱনলৈ নমালা সংশয়।
দেশৰ জনতাৰ ক্ৰন্দনত পৃথিৱী কঁপিছে
আকাশৰো টোপাটোপে চকুলো সৰিছে
কি বুলি বিদায় দিব তোমাৰ পাৰ্থিৱ শৰীৰক
স্বাৰ্থলোভীৰ লালসাৰ বলি হৈ
কাঁচঘৰত পৰি আছা নীৰৱ নিমাত হৈ।
অলেখ জনতাৰ চকুৰ আগতে চিতাজুই জ্বলি উঠিল
আকাশলঙঘী লেলিহান শিখাৰ
শিখৰত উঠি তুমি যেন চিঞৰি চিঞৰি ক'লাগৈ
"আজিৰ পৰা তহঁতে জাতি ধৰ্ম বৰ্ণৰ বিচাৰ নকৰি
সকলোৰে মিলিজুলি একেলগে হাঁহি মাতি
মোৰ মৰমৰ দেশখনক উন্নতিৰ শিখৰলৈ নিবি আগুৱাই!"

*ধুমুহাৰ সৈতে নাচি নাচি ক্লান্ত হ'লা তুমি / সেয়েহে হ'বলা আকাশখন বুকুত সাৱতি / কোলাহল শূন্য সাগৰ তলিত ভাগৰ মাৰিবলৈ / দূৰ- বিদেশলৈ গ'লাগৈ দেশৰ মাটি এৰি থৈ/ দেশৰ জনতাক শোক সাগৰৰ / টলমল ঢৌত দিলা সাঁতুৰিবলৈ।*

## সুৰ ভাস্কৰ এই বাটে নহাৰ দুখত

দিলীপ কুমাৰ ৰয়

এটা মৃত্যুৰ পাঞ্চজন্য বিয়পি পৰিছিল
আকাশে-বতাহে
কোনেও নিবিচৰাকৈয়ে সিদিনা
নামি আহিছিল এচপৰা কলীয়া মেঘ
ৰজা প্ৰজা সকলোৰে
শোক আৰু বিৰহৰ তপ্ত অশ্ৰুৰ বৰষুণত
সকলোৰে তিতিছিল
সকলোৰে উশাহবোৰ বন্ধ হৈছিল
কেৱল চলি আছিল তেওঁৰ উশাহ।
মানুহৰ ভিৰ হৈছিল
ভিৰৰ অভিলেখ ভংগ কৰি ভিৰ হৈছিল
এটা জীয়া হাঁহি
আৰু দুটি উজ্জ্বল চকু চাবলৈ
কেৱল ভিৰ হৈছিল ৰজাৰো প্ৰজাৰো
কোনেও কাকো চোৱাৰ সময় নাছিল
মাথোঁ সুৰৰ ৰজাৰ আগে-পিছে
খোজৰ ওপৰত খোজ দি
কোটি কোটি শেঁতা মৃতকে ভিৰ কৰিছিল
জীয়াই আছিল কেৱল তেওঁ
সিদিনা তেওঁ মৰা নাছিল
মৰিছিল কেৱল সুৰৰ ৰজাৰ
আগে-পিছে সোঁৱে-বাঁৱে থকা
হিচাপ কৰি টুকিব নোৱৰা মানুহৰ মুখবোৰ
সাহিত্য-সংস্কৃতি ক্ৰীড়া- বাণিজ্যৰ ঘাই খুঁটাবোৰ,
ঘৰবোৰ, ৰাস্তাবোৰ, পদূলিবোৰ।
সুৰৰ মায়াজাল এৰি
মানুহৰ হকে আঁকা পৃষ্ঠাবোৰ এৰি
সিদিনা যাব ওলাইছিল নিগাজী ঘৰলৈ
আৰু হাঁহি হাঁহি কৈছিল
মই এটা দীঘলীয়া ভ্ৰমণত যাবলৈ ওলাইছোঁ
তোমালোক কুশলে থাকা
তোমালোক জীয়াই থাকা
তেওঁ হাঁহিছিল আৰু আমি
আমি তেওঁৰ বিৰহৰ বিষ পান কৰি
সকলোৰে মৰিছিলোঁ
মাথোঁ জীয়াই আছিল সুৰৰ ৰজাজন
নিগাজী ঘৰলৈ যোৱা পথৰ
ছাঁ-পোহৰত লাহে লাহে জীয়া-মৰাৰ
দূৰত্ব বাঢ়ি আহিছিল
শেঁতা মৃত্যুৰ উপত্যকাত
কোনো জীয়াই নাছিল।
আঁতৰি যাব ধৰা তেওঁৰ হাত দুখন বিচাৰি
শত-সহস্ৰই সমস্বৰে কৈছিল
তুমি জীয়াই আছিলা মানুহৰ মাজত
তোমাৰ ইচ্ছাত কোনো জাতি -ধৰ্ম
তোমাৰ সৰগী পথত আজি নাই
আছে মাথো শেঁতা মৃত্যু মুখত লৈ
কেৱল মানুহ মানুহ আৰু মানুহ
এটা জীয়া মানুহৰ চৰণ চুবলৈ
শত-সহস্ৰ মৰা মানুহ
মুক্তিধামৰ শীতল শয্যাত
তেওঁ শুই পৰিছিল
সকলোৰে দেহবোৰ দেই-পুৰি গৈছিল
কেৱল জুইৰ লেলিহান শিখাৰ মৰমে
তেওঁৰ হাঁহিটো তেওঁৰ উজ্জ্বল চকুদুটা
দেই-পুৰি নিব পৰা নাছিল
তেওঁৰ নাছিল কোনো বিষাদ
কেৱল আমিহে বিষাদৰ জুইত
দেই-পুৰি মৰিছিলোঁ
আমাৰ ওঁঠবোৰ লাহে লাহে কঁপিছিল
আৰু তেওঁ হাঁহিটোৰেই বিদায় মাগিছিল
দুপৰৰ বেলিটোক ধৰাশায়ী কৰি
আমি বিষাদৰ জুইত দেই-পুৰি ঘৰমুৱা হৈছিলোঁ
কেৱল ঘূৰি নাহিল তেওঁ
কিছুসময় পাচত তেওঁ
বহুদূৰ গুছি গৈছিল
ৰিং মাৰি মাতিলেও
ঢুকি নোপোৱা দূৰত্বত
তেওঁ অৱস্থান কৰিছিল
ভিৰৰ মাজত আচমানৰ কুটুব হৈ ...



## অশ্ৰুসিক্ত

মিণ্টু গোৱলা

তুমিবিহীন এই নিশা আজি চোন
সকলো নিস্তব্ধ ..........!

মুক্ত আকাশখনে আজি বৈ গ'ল,
মায়াবিনি ৰাতিৰ বুকুত!

ধুমুহাৰ সতে বহু যুগৰ নাচোন
আজি হঠাৎ থমকি গ'ল,
সাগৰৰ গভীৰ পানীত।

বৈ গ'ল একবিংশ শতিকাৰ
প্ৰেম কাহিনীৰ এটি ৰুমালৰ ভাঁজ!
বৈ গ'ল বহুতো স্মৃতি ......!

তোমাৰ মিনতি বোৰ
আজি সাজ তৰা হ'ল!

তৰা ভৰা আকাশত
আজি তুমি নোহোৱা হৈ গ'লা।

তুমি আহিবা বুলি গোটেই ৰাতি
উজাগৰে বাট চাই আছোঁ।

কিন্তু তুমি কেতিয়াও
উভতি নহা বাটে গ'লা গৈ।

তুমি চিৰদিনৰ বাবে
সাগৰ তলিত শুই পৰিলা।

ধুমুহাৰ দৰে আহিলা আৰু
ধুমুহাৰ দৰেই নোহোৱা হৈ গ'লা।

## জুবিন দালৈ শ্ৰদ্ধাঞ্জলি

দুলুমণি শইকীয়া বৰা

জুবিন দা!
তুমি জানো নাজানা?
তুমিয়েই,
আমাৰ বুকুৰ স্পন্দন আছিলা বুলি!
তোমাৰ কণ্ঠই
আমাক জীয়াই ৰাখিছিল!
তোমাৰ সুমধুৰ প্ৰতিটো গানে,
প্ৰতিজন অনুৰাগীৰ হৃদয় চুইছিল!
মায়াসনা তোমাৰ গানত
সমস্ত বেদনা পাহৰি
পৰম সুখত
অনুৰাগীসকল বিলীন হৈছিল।
তুমি দেশবাসীৰ বাবে প্ৰাণৰো প্ৰাণ
হিয়াৰ আমঠু আছিলা!
তুমি বিহীন প্ৰথমটো উজাগৰী নিশা
বৰ কষ্টকৰ আছিল!
অহৰহ কেৱল তোমাৰ
শিশুসুলভ প্ৰতিচ্ছবিখনিয়ে
দুচকুত আহি ভীৰ কৰিছিল!
তোমাৰ অনুৰাগীসকলে
তোমাক বিচাৰি বিচাৰি
কাহিলিপাৰাৰ বাসগৃহত
অগণন অনুৰাগীয়ে
আজি ভীৰ কৰিছে।
পৰাহেঁতেন তোমাক নিয়তিৰ পৰাও
কাঢ়ি আনিলেহেঁতেন!
তোমাক হেৰুৱাৰ বেদনাত
প্ৰতিজন অনুৰাগী এতিয়া
তোমাৰ শোকত ম্ৰিয়মাণ!
কিয়নো গৈছিলা অ'
বিশাল সাগৰত নামিবলৈ জুবিন দা?
তুমিয়েই দেখোন
জনতাৰ বাবে
একোখন বিশাল সাগৰ!
যাৰ প্ৰেমত অগণন অনুৰাগীয়ে
অৱগাহন কৰি
ধন্য হৈছিল!
তোমাৰ প্ৰেমত ব্যাকুল সাগৰেও
তোমাক পোৱাৰ বাসনা হয়তো
সামৰিব নোৱাৰিলে!
সেয়েহে তোমাক পোৱাৰ মাত্ৰকে
তোমাৰ প্ৰেমত মতলীয়া সাগৰেও
তোমাক কিজানি সামৰি ৰাখিলে!
আমাৰ বকু উদং কৰি
কোনোদিনেই ঘূৰি নহাৰ বাটেৰে
অগণন অনুৰাগীক কন্দুৱাই
তুমি গুছি গ'লাগৈ জুবিন দা!
কোটি কোটি জনতাৰ শূন্য হৃদয়
আজি
কোনে পূৰাবহি জুবিন দা?
আমাৰ বাবেই তুমি
পূনৰ জনম লৈ
দেশৰ মাটিলৈ
আকৌ আহা জুবিন দা!

*কিয়নো গৈছিলা অ' / বিশাল সাগৰত নামিবলৈ জুবিন দা? / তুমিয়েই দেখোন / জনতাৰ বাবে / একোখন বিশাল সাগৰ! / যাৰ প্ৰেমত অগণন অনুৰাগীয়ে / অৱগাহন কৰি / ধন্য হৈছিল!*



## মহানায়ক তুমি জুবিন দা

হীৰামণি দহোটীয়া

শেষ বুলিলেই শেষ হৈ নাযায়
তাৰো এক নতুন সৃষ্টিৰ আগমন হয়
সহিবলৈ বেদনাদায়ক হ'লেও
এয়াই সত্য
সৃষ্টিৰাজিৰও এক লীলা
আমাৰ প্ৰাণৰো প্ৰাণ মহানায়ক তুমি
হৃদয়ৰ একোণত চিৰযুগমীয়া হৈ
বিৰাজ কৰিবা।
কেনেকৈ?
বিদায় দিওঁ বুলিলেই দিব পাৰো।
তোমাক বিদায় জনোৱা মানেই
হৃদয়ৰ স্পন্দন বাঢ়ি যোৱা
এতিয়া তোমাৰ নাম শুনিলেই
নজনাকৈ অশ্ৰু বয় আহে।
তোমাৰ কৰ্মৰাজিৰ বাবেই আজি
সমগ্ৰই অনুভৱ কৰিছে
এটুকুৰা হীৰা আমাৰ মাজৰ পৰা
চিৰজীৱনৰ বাবেই হেৰাই গ'ল।
থাকক দিয়া তোমাৰ মৰমৰ
টোপোলাবোৰ বুকুত বান্ধিয়ে
আজীৱন জীয়াই ৰাখিম বুকুৰ অন্তকোণত।

## স্বৰ্গীয় জুবিন গাৰ্গ সমীপেষু,

মুজাম্মেল হ'ক

আৰম্ভ তুমি বিহীন দিন
লৈ অসহ্য যন্ত্ৰণা বন্ধ শ্বাস-প্ৰশ্বাস
অন্তিম বেদনাত শূন্য বন্ধু বিশ্বাস
দুখ সঁচাকৈ স্বাধীন
হৈ তুমি বিহীন দিন
শিৰাত বগাইছে যন্ত্ৰণাৰ আশ্বাস।
শক্তিমন্ত হৈ অবিশ্বাসীক প্ৰদক্ষিণ
নেকি চলনাৰ বলি নিকৃষ্টকৈ হীন
নাটক ভালপোৱাৰ
সৃষ্টি বেদনা হোৱাৰ
দৃঢ় মনৰ ভোটা ত'ৰা তুমি জুবিন।
দিন যায় সাগৰ তলিত শুৱাই থৈ
আহে বৈ-বৈ স্মৃতি পৰ্বতৰ নিজৰা হৈ
মানুহৰ যি অৰণ্য
হৈ ৰ'লা বিশ্ব-বৰেণ্য
প্ৰেমে কান্দিছে আজি
তোমাৰ কথা কৈ-কৈ।

## মায়াবিনী

প্ৰীতি পংকী গগৈ

বয়সে আৱৰিব নোৱাৰাকৈ
শিশুসুলভ তেওঁ
প্ৰকৃতিৰ প্ৰতি অকৃত্ৰিম প্ৰেম
আৰ্তজনৰ দুখত তেওঁ চকুতো
নিগৰে অশ্ৰু

বাটৰ কাষত অসহায়ভাৱে
পৰি ৰোৱা নিৰীহ জীৱটোক
তেওঁ দিছিল নতুন জীৱন

জাতি ধৰ্ম নিৰপেক্ষতাৰ
তেওঁ আছিল
জলন্ত উদাহৰণ

সম্পত্তিৰ ভাণ্ডাৰ নহয়
তেওঁ সঞ্চয় কৰিব
পাৰিছিল
অজস্ৰ জনতাৰ অকৃত্ৰিম
মৰম, ভালপোৱা

মৃত্যুলৈও কেৰেপ নকৰা
তেওঁ
জীৱন মায়াৰ গান
নিজেই লিখি গ'ল

ছাঁই হৈও জীয়াই আছে
তেওঁ
প্ৰতিজনৰ বুকুৰ কোণত
মায়াবিনী হৈ...

*মৃত্যুলৈও কেৰেপ নকৰা / তেওঁ / জীৱন মায়াৰ গান / নিজেই লিখি গ'ল / ছাঁই হৈও জীয়াই আছে / তেওঁ / প্ৰতিজনৰ বুকুৰ কোণত / মায়াবিনী হৈ...*



## মায়াবিনী

লিষ্ট্ৰিনা চাংমাই

জুবিন দা,
তোমাৰ বোলে মৃত্যু হ'ল।

শুনিছো, তুমি বোলে
সাগৰৰ তলিত শুবলৈ গৈছলা!

আকৌ শুনিছো,
তোমাক বোলে দানৱী মানৱে হে
মৃতসাজ পিন্ধালে!

হ'ব দিয়া নুশুধো আৰু একো।
নকও এই মৃত্যু মিছা হওক।
মাথোঁ তুমি শান্তিৰে যোৱা।

য'তেই থাকা সুৰৰ ধ্বনিত
এনেও বাজিব
নয়নৰ বীণা।

অ'.... আৰু এটা কথা,
জংকীক কবা আউসীৰ জোন
এতিয়াও আমাৰ কাষতে থাকে।
আৰু,
পাৰিলে ভিতালী বাকো কবা
জোনবাইৰ দেশলৈ আমি
জোনক পঠিয়াই দিছো।

পাৰিলে জুবিন দা সিপাৰৰ
খবৰবোৰ ফাগুনকে দি পঠাবা।
আমি সবেই বৈ থাকিম
লঠঙা বিৰিখৰ তলত।

তুমি কৈ দিবাচোন জুবিন দা
পুৱাৰ ৰ'দালিক সেমেকা হৈ
নোলাববলৈ।

তুমি কৈ দিয়াচোন জুবিন দা
আকাশে বতাহে তুমি আমাক
বিচাৰি সদায় থাকিবা।

জুবিন দা, আৰু এটা কথা
আমাক বনৰীয়া কৰি
তুমি কিয় শান্তিৰদালানত সোমালা
আকাশক গাত ল'বলৈ শিকায় তুমি কিয়
সাগৰক সাবটি ললা?

হ'ব দিয়া নালাগে ক'ব।
তুমি প্ৰাণ ভৰি শুবা।
এই দালালৰ পৃথিৱীত পাইছিলা জানো
শুবলৈ আহৰি?

শুনিছিলোঁ জুবিন দা
তোমাৰ বোলে ধুমুহাৰ সৈতে
যুগৰে চিনাকি আছিল!
তেন্তে কিয় তুমি ঘূৰিব নোৱাৰিলা
সেই জাক চুণামিৰ পৰা?
কিয় সাৰ মানি নিথৰ হ'লা?

প্ৰশ্ন বহুতলৈ বহুত আছে, কিন্তু উত্তৰ বিচাৰি
হাবাথুৰি নাখাও
কাৰণ,
মই জানো মায়াবিনী ৰাতিৰ বুকুত
এনেও ধৰা দিব তোমাৰ ছবি।
তেতিয়াই খুলিম প্ৰশ্নৰ কোঠালি।

বাকী আমি জীয়াই থাকিম তোমাৰ বাবে।
অসম গঢ়িম তোমাৰ দৰে।

*শুনিছিলোঁ জুবিন দা / তোমাৰ বোলে ধুমুহাৰ সৈতে / যুগৰে চিনাকি আছিল! / তেন্তে কিয় তুমি ঘূৰিব নোৱাৰিলা / সেই জাক চুণামিৰ পৰা? / কিয় সাৰ মানি নিথৰ হ'লা?*

*বুঢ়া লুইতৰ বুকুৰেদি নামি আহোঁতে / লগত আনিছিল সুৰৰ গাগৰি / মৌসনা / মিঠা মাতে আই অসমীক দিছিল / আঁচল ভৰাই সুৰৰ ফুল।*

## সূৰ্যাস্ত

অসীম জ্যোতি দাস

এটা যুগ শেষ হ'ল
এটা যুগ শেষ হ'ল....
এটা সূৰ্য অস্ত গ'ল
যিটো সূৰ্যৰ পোহৰ লৈ
এটা জাতি আছিল জিলিকি
সেই সূৰ্য আজি সাত সাগৰ
তেৰ নদীৰ সিপাৰে অস্ত গ'ল!
বুঢ়া লুইতৰ বুকুৰেদি নামি আহিছিল সেই সূৰ্য,
আৰু দুয়োপাৰ বান্ধিছিল সুৰৰ ৰাগীৰে
আজি সেই সূৰ্য অস্ত গ'ল!
কোনো দিনে উদয় নোহোৱাৰ কথা দি
সেই সূৰ্য অস্ত গ'ল,
এটা যুগ শেষ হ'ল......

বুঢ়া লুইতৰ বুকুৰেদি নামি আহোঁতে
লগত আনিছিল সুৰৰ গাগৰি
মৌসনা মিঠা মাতে আই অসমীক দিছিল
আঁচল ভৰাই সুৰৰ ফুল।
আজি সেই সূৰ্য নোহোৱা হ'ল,
অসমৰ সুৰৰ জগত আজি ৰ'দ হীন হ'ল
এটা যুগ শেষ হ'ল.........

এখন নৈ শুকাই গ'ল
য'ত চিৰ প্ৰবাহিত হৈ আছিল,
শংকৰ-মাধৱৰ ঘোষা বৰগীত কীৰ্তনৰ সুৰ,
য'ত বিশ্বই শুনিছিল
জ্যোতি-বিষ্ণুৰ কালজয়ী সুৰ
সেই নৈয়েই শুকাই গ'ল!
এটা যুগ শেষ হ'ল
এটা যুগ শেষ হ'ল!

## জয় জুবিন দা

মানসী ভূঞা

'মৃত্যু এতিয়া সহজ'
বাজি ৰৈছে হৃদয়ত অহৰহ
মৃত্যু এতিয়া সহজ হ'লেও
তোমাৰ মৃত্যু কেতিয়াও
সহজ নহয় অ' জুবিন দা,
সঁচাকৈয়ে সাগৰ তলিত
শুবৰ মন আছিল তোমাৰ?
কিয়? কিয়? আমাক নিথৰুৱা কৰিলা?

অসমী আই আজি কান্দিছে,
কিয় গুচি গ'লা?
'মায়াবিনী' বাজি থাকিল ধূসৰ নিশা

ধুমুহাৰ স'তেওচোন
তোমাৰ বহু যুগৰে নাচোন আছিল,
কিয় তুমি সাগৰক দম দি
উঠি আহিব নোৱাৰিলা?
স্তব্ধ হৈ পৰিছে আকাশ,
ৰ'দ, বতাহ - বৰষুণ তুমিবিহীন অসম,
আজি অভিভাৱকহীন!
তুমিয়েতো কৈছিলা এদিন,
"এইবোৰ মৰা বেমাৰ নহয়" বুলি
তেন্তে তুমি আজি কিয় আতঁৰি গ'লা
শোকস্তব্ধ আজি সকলো,
অচিনা, অজান পখীটিয়েও
পাহৰি গৈছে আজি
তাইৰ যে আকাশ ভেদাৰ পণ আছিল,
'মোৰ উশাহটোও তোমাৰ হওক'
বুলি কৰা প্ৰাৰ্থনাও আজি বিফল..

তোমাক ভাল পাব পাৰি,
তোমাক খং কৰিব পাৰি,
তোমাক গালি দিব পাৰি
কিন্তু তোমাৰ অনুপস্থিতি সহ্য কৰিব
নোৱাৰি!
তুমিবিহীন প্ৰকৃতিও আজি
শোকত ম্ৰিয়মাণ!
ৰ'দ হৈ নামি আহা তুমি,
জোনাক হৈ নামি আহা তুমি,
এবাৰ উভতি চোৱা!
অসমী আইৰ হিয়াৰ মণি,
সোণত সুৱগা কণ্ঠেৰে
তুমি জগত জিনিলা,
মৃত্যু জিনাৰ মন্ত্ৰ কিয় নিশিকিলা?
মানৱতাৰ ধাতুৰে গঢ়া
"তুমি জুবিন দা"
তুমি নোহোৱা হোৱাৰ খবৰে
অন্তৰ দহি দহি খাইছে।
কি কৰিম কোৱা!

হে প্ৰাণৰ শিল্পী তুমি
মাথোঁ অমৰ হোৱা,
চিৰকাল, চিৰদিন বৈ থাকা
হৃদয়ৰ নিভাঁজ কোণত।
শব্দবোৰ শেষ হৈ আহিছে ক্ৰমে,
সাগৰৰ প্ৰেমত আৰু কেতিয়াও
নপৰোঁ
এয়ে মোৰ প্ৰতিজ্ঞা,
মাথোঁ তুমি অমৰ হোৱা 'জুবিন দা'
তোমাৰ গানকে বুকুত সাৱতি লৈ
কেতিয়াবা লগ হ'মগৈ
বৈতৰণীৰ সিপাৰে
জয় জুবিন দা, জয় জুবিন দা।

## গানৰ ঈশ্বৰ

চিনুপ্ৰিয়া ডেকা চহৰীয়া

মানুহবোৰ আজি
দেখোন মহাসাগৰ হ'ল।
কাৰণ
প্ৰিয় গানৰ ঈশ্বৰজন আজি শুইছে
মহাসাগৰ খনে চিঞৰি
ধুমুহা জাকক বিছাৰিছে
গানৰ ঈশ্বৰৰ নতুন ঠিকনা
ৰ'দ বোৰ আজি
কেনিবা লুকাল।
মহাসাগৰৰ দুখ দেখি ভগৱানেও
কান্দিছে আজি।
হে গানৰ ঈশ্বৰ
ৰ'দবোৰ ওভতাই দিয়া।
য'ত বা দি শুকুৱাও
হৃদয়ৰ সতেজ ঘাঁ
আৰু ওভতাই দিয়া সুৰবোৰ
য'ত মোহাবিষ্ট হৈ ৰয়
এখন দেশ এটা জাতি।

